● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল


### দিগ্‌দৰ্শন

*অন্ধবিশ্বাসে সমগ্ৰ বিশ্বকেই অগনিৰে জ্বলাইছে; কিন্তু দৰ্শনে পানী ঢালি সেই অগনি নুমাইছে।*

ভ'ল্টেয়াৰ
ফৰাচী দাৰ্শনিক




RNI-Regd No. 62953/96 ■ ষড়বিংশতিতম বছৰ ● ১৬৫ তম সংখ্যা ● গুৱাহাটী ● বুধবাৰ ১০ চ'ত ১৪২৭ ভাস্কৰাব্দ ২৪ মাৰ্চ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Wednesday 24 March 2021 মূল্য ঃ ৭.০০ টকা


## সুৰক্ষিত-বিকশিত অসমৰ অঙ্গীকাৰেৰে ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশৰ

# ১০ সংকল্প

**সংকল্প ১**



### বানমুক্ত অসম গঢ়াৰ সংকল্প

- বছৰি বানৰ কাৰণে হোৱা জীৱন, জীৱিকা আৰু সম্পত্তিৰ ক্ষয়-ক্ষতিৰপৰা জনগণক মুক্ত কৰাৰ বাবে আৰম্ভ কৰা হ'ব 'মিছন ব্ৰহ্মপুত্ৰ'।
- ধুবুৰীৰপৰা শদিয়ালৈ য'ত প্ৰয়োজন হয় নদী খননৰ ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণৰ লগতে ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহৰ অতিৰিক্ত জলৰাশি সংৰক্ষণৰ বাবে নিৰ্মাণ কৰা হ'ব বিশাল জলাধাৰ।

**সংকল্প ২**



### বিস্তাৰিত অৰুণোদয় আঁচনিৰে মহিলা সবলীকৰণ

- অসমৰ ৩০ লাখ পৰিয়ালক অৰুণোদয় আঁচনিৰ আওতালৈ অনা হ'ব।
- অৰুণোদয় আঁচনিৰ অধীনত এই পৰিয়ালসমূহে পৰ্যায়ক্ৰমে প্ৰতিমাহে বৰ্তমানৰ ৮৩০ টকাৰ পৰিৱৰ্তে ৩,০০০ টকালৈকে বৰ্ধিত আৰ্থিক অনুদান লাভ কৰিব।

**সংকল্প ৩**



### নামঘৰসমূহৰ সুদৃঢ়কৰণ, সত্ৰসমূহৰ সুৰক্ষা

- সত্ৰ আৰু জনজাতীয় লোকৰ উপাসনাস্থলীসমূহক ভূমি বেদখলকাৰীৰ কবলৰপৰা মুক্ত কৰিবলৈ এটি টাস্ক ফ'ৰ্চ গঠন কৰা হ'ব।
- সকলো নামঘৰ আৰু জনজাতীয় লোকৰ উপাসনাস্থলীসমূহলৈ ২.৫ লাখ টকালৈকে অনুদান আগবঢ়োৱা হ'ব।

**সংকল্প ৪**



### অসমৰ শিশুৰ উজ্জ্বল ভৱিষ্যতৰ নিশ্চয়তা

- অসমৰ চৰকাৰী শিক্ষানুষ্ঠানত স্নাতকোত্তৰ মহলা পৰ্যন্ত প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ বিনামূলীয়া শিক্ষা প্ৰদানৰ বাবে 'শিশু উন্নয়ন অভিযান' আৰম্ভ কৰা হ'ব।
- স্কুলীয়া শিক্ষাগ্ৰহণ সুচল কৰি তুলিবলৈ অষ্টম শ্ৰেণীৰপৰা সকলো ছাত্ৰ-ছাত্ৰীক বিনামূলীয়া চাইকেল প্ৰদান কৰা হ'ব।

**সংকল্প ৫**



### শুদ্ধ নাগৰিকপঞ্জীৰে অসমৰ অধিকাৰৰ নিশ্চয়তা

- উচ্চতম ন্যায়ালয়দ্বাৰা নিৰ্দেশিত ৰাষ্ট্ৰীয় নাগৰিকৰ পঞ্জীকৰণ ব্যৱস্থাৰ শৃংখলাবদ্ধ সংশোধন আৰু সকলো বিবাদৰ সমাপ্তি প্ৰক্ৰিয়াৰ উদ্যোগ গ্ৰহণ।
- নাগৰিকপঞ্জীত প্ৰকৃত ভাৰতীয় নাগৰিকক সুৰক্ষা প্ৰদানৰ বিপৰীতে অবৈধ প্ৰব্ৰজনকাৰীৰ নাম তালিকাৰপৰা বহিৰ্ভূতকৰণ।

**সংকল্প ৬**



### ফলপ্ৰসূ ব্যৱস্থাৰে অসমৰ নাগৰিকৰ ৰাজনৈতিক অধিকাৰৰ সুৰক্ষা প্ৰদান

- বিধান সভা সমষ্টিৰ সীমা নিৰ্ধাৰণৰ যোগেদি অসমৰ নাগৰিকৰ ৰাজনৈতিক অধিকাৰক সুৰক্ষা প্ৰদান কৰা হ'ব।

**সংকল্প ৭**



### আত্মনিৰ্ভৰ অসম নিৰ্মাণ

- প্ৰযুক্তি, আৰ্থিক আৰু প্ৰশাসনিক সহযোগিতাৰে 'অসম আহাৰ আত্মনিৰ্ভৰতা আঁচনি' আৰম্ভ কৰা হ'ব।
- আৱশ্যকীয় খাদ্য সামগ্ৰী বিশেষকৈ মীন, পশুধন, গাহৰি, দুগ্ধ আৰু উদ্যানশস্যৰ ক্ষেত্ৰত অসমক অহা ৫ বছৰত আত্মনিৰ্ভৰ কৰাৰ লক্ষ্যত উপনীত কৰিবলৈ যথাসম্ভৱ প্ৰয়াস কৰা হ'ব।

**সংকল্প ৮**



### অসম হ'ব দেশৰ দ্ৰুত নিয়োগ সৃষ্টিকাৰী ৰাজ্য

- অসমৰ ২ লাখ যুৱক-যুৱতীক চৰকাৰী চাকৰি প্ৰদান কৰা হ'ব।
- ২০২২ চনৰ ৩১ মাৰ্চৰ ভিতৰত তাৎক্ষণিকভাৱে ১ লাখ চাকৰি প্ৰদান কৰা হ'ব।
- অসমৰ বিভিন্ন খণ্ডত ৮ লাখ যুৱক-যুৱতীক জীৱিকাৰ সুবিধা প্ৰদান কৰা হ'ব।

**সংকল্প ৯**



### অসমক ভাৰতৰ ভিতৰত আটাইতকৈ উদ্যমিতা সমৃদ্ধ ৰাজ্য হিচাপে গঢ়ি তোলা হ'ব

- 'স্বয়ম' আঁচনিৰ যোগেদি ১০ লাখ যুৱ-উদ্যমী সৃষ্টি কৰা হ'ব।
- পৰৱৰ্তী পাঁচ বছৰত দুই লাখ যুৱক-যুৱতীক আঁচনিৰ জৰিয়তে প্ৰতিবছৰে সহযোগিতা আগবঢ়োৱা হ'ব।

**সংকল্প ১০**



### ভূমিৰ অধিকাৰ প্ৰদানেৰে অসমৰ নাগৰিকসকলক সবলীকৰণ

- অসমৰ সকলো ভূমিহীন ভাৰতীয় নাগৰিকক পৰ্যায়ক্ৰমে ভূমি পট্টা প্ৰদান কৰা হ'ব।

**ইয়াৰ উপৰিও...**

- 'প্ৰজ্ঞান ভাৰতী' আঁচনিৰ দ্বাৰা স্নাতকোত্তৰ পৰ্যায়লৈকে মেধাৱী ছাত্ৰীক স্কুটাৰ প্ৰদানৰ লগতে একেধৰণৰ আঁচনিৰ যোগেদি মেধাৱী ছাত্ৰসকলক মটৰ-বাইক প্ৰদান কৰা হ'ব।
- চাহ শ্ৰমিকৰ মজুৰি ৩৫০/- টকালৈ বৃদ্ধি কৰা হ'ব।
- চাহ বাগিচাৰ 'ধন পুৰস্কাৰ মেলা' আঁচনিৰ ধন বৰ্তমানৰ ৩ হাজাৰ টকাৰ পৰা ১২ হাজাৰ টকালৈ বৃদ্ধি কৰা হ'ব। 'কনকলতা' আঁচনিৰ জৰিয়তে ভৱিষ্যতে অনুদান ১ লাখ আৰু পৰৱৰ্তী সময় ২ লাখলৈ বৃদ্ধি কৰা হ'ব।
- দোকানী আৰু ৰাজপথৰ কাষৰ ব্যৱসায়ীসকলৰ কল্যাণৰ বাবে ১০০ কোটি টকাৰ প্ৰাৰম্ভিক পুঁজিৰে 'ৱেলফেয়াৰ বোৰ্ড' গঠন কৰা হ'ব।
- লাভ জেহাদ, ভূমি জেহাদৰ বিৰুদ্ধে কঠোৰ আইন প্ৰণয়নৰ লগতে কৰ্মৰতা ভগ্নীসকলৰ সুৰক্ষাক অগ্ৰাধিকাৰ প্ৰদান কৰা হ'ব।...

# কচুৱাত প্ৰাক্তন বিধায়ক নিৰ্দলীয় প্ৰাৰ্থী গুণেশ্বৰ দাসক নিৰ্বাচনী প্ৰচাৰত ৰাইজৰ বাধা

অগ্ৰদূত বাৰ্তা

**কচুৱা, ২৩ মাৰ্চ ঃ** ক্ৰমে নিৰ্বাচনী পৰিৱেশ উত্তপ্ত হৈ পৰিছে ৰহা বিধানসভা সমষ্টি। নিৰ্বাচনৰ দিন যিমানে চমু চাপি আহিছে সিমানে ৰহা সমষ্টিত বৃদ্ধি পাইছে ৰাইজৰ ক্ষোভ। সমষ্টিটোত মহাজোঁট কংগ্ৰেছৰ প্ৰাৰ্থী শশীকান্ত দাস আৰু মিত্ৰজোঁট অগপৰ প্ৰাৰ্থী বিষ্ণু প্ৰসাদ দাসৰ সমান্তৰালকৈ নিৰ্দলীয় প্ৰাৰ্থী তথা এআইইউডিএফৰ পৰা নিৰ্বাচিত প্ৰাক্তন বিধায়ক গুণেশ্বৰ দাসেও প্ৰচাৰ অভিযান চলাইছে। কালি সন্ধিয়া নিৰ্দলীয় প্ৰাৰ্থীজনে কচুৱাৰ শিঙিমাৰীত নিৰ্বাচনী প্ৰচাৰ চলাবলৈ আহোতে কংগ্ৰেছৰ কৰ্মী-সমৰ্থকে বাধা প্ৰদান কৰি খেদি পঠায়। চাৰিখন গাড়ীৰে নিজ সমৰ্থকক লগত লৈ শিঙিমাৰী সাপ্তাহিক বজাৰত আহি নিৰ্বাচনী প্ৰচাৰ চলাবলৈ লওঁতে কংগ্ৰেছ সমৰ্থকসকলে 'গুণেশ্বৰ দাস মুৰ্দাবাদ, গুণেশ্বৰ দাস গ' বেক, বিজেপিৰ দালালৰূপী গুণেশ্বৰ দাস হুচিয়াৰ' আদি শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। তদুপৰি প্ৰাক্তন বিধায়কজনক আগচি ধৰি বিভিন্ন কটুবাক্যৰে থকা-সৰকা কৰি ওভতাই পঠিয়ায়। এআইইউডিএফ আৰু কংগ্ৰেছৰ ভোটবেংকৰূপে খ্যাত গৰুবাট মৌজাৰ ধৰ্মীয় সংখ্যালঘু অঞ্চলত এসময়ৰ জনপ্ৰিয় নেতাজনে তিনি বছৰ পূৰ্বে এআইইউডিএফ ত্যাগ কৰি প্ৰাৰ্থিত্ব পোৱাৰ আশাত কংগ্ৰেছত যোগদান কৰিছিল। কিন্তু প্ৰাৰ্থিত্ব নাপালে দাসে। যাৰ বাবে নিৰ্দলীয়ৰূপে অৱতীৰ্ণ হৈছে নিৰ্বাচনত।

**LOST**

I have lost my provisional Certificate, Diploma in Pharmacy. Reg. No. Nov-94. S. 91 and Pharmacist registration certificate bearing no. 21349/42 & Marksheet and practical training certificate.
Rajib Debnath
Dhing

**পদ খালী**

Direct Posting গুৱাহাটীৰ কোম্পানীত মেনেজাৰ, ছুপাৰভাইজাৰ আৰু পেকেজিং কাম কৰাৰ বাবে বহুত যুৱকৰ প্ৰয়োজন। থকা-খোৱা Free। দৰমহা ৩০,০০০/- টকালৈকে।
Perfect Jobsite
Dispur
98640 20419,
8011007148

**জ্যোতিষ**

১০০% Guarantee সহ আপোনাৰ সমস্যা যিমানে কঠিন নহওক কিয় বা যিমানে জটিল নহওক সমাধান পাবই। মায়ং প্ৰশিক্ষিত জ্যোতিষী। D. Sarmah, (M) 80993-36044

**ASTROLOGY/জ্যোতিষী**

ত্ৰিকাল মহাভৈৰৱ তন্ত্ৰ কেন্দ্ৰ ও আচল ৰত্নৰ ৰাজভাণ্ডাৰ ৰত্নসাগৰ অসমত সৰ্বপ্ৰথম একমাত্ৰ ১৮টা বিদ্যাৰ দ্বাৰা একেলগে, একে ঠাইত সংমিশ্ৰিত, বিশ্লেষিত সকলো সমস্যাৰ গেৰাণ্টীযুক্ত সমাধান। সৰ্বমনোকামনা পূৰণকাৰী মহাকাল ভৈৰৱ কৰচত সকলো সমস্যা তিনি ঘণ্টাৰ পৰা সমাধান। জ্যোতিষ, বাস্তু, তান্ত্ৰিক সম্ৰাট.... ত্ৰিকাল ৰাজগুৰু, কুঁৱৰীটোল, কলিয়াবৰ, নগাঁও- 9954021556, 9947066469.

# বিবেক দাসৰ হৈ নিৰ্বাচনী প্ৰচাৰ চত্তিছগড়ৰ মুখ্যমন্ত্ৰীৰ

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২৩ মাৰ্চ ঃ** বিহালী বিধানসভা সমষ্টিৰ মহাজোঁটৰ চি পি আই (এম-এল)ৰ প্ৰাৰ্থী বিবেক দাসৰ হৈ আজি নিৰ্বাচনী প্ৰচাৰ চলাই চত্তিছগড়ৰ মুখ্যমন্ত্ৰী ভূপেশ বাঘেলে। বিজেপি চৰকাৰৰ বিৰুদ্ধে সৰৱ হৈ পৰা মুখ্যমন্ত্ৰী বাঘেলে কয় যে বিজেপি তথা দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৪ৰ নিৰ্বাচনত দেশবাসীক দিয়া প্ৰতিশ্ৰুতি পাহৰি গৈছে। বিজেপি চৰকাৰৰ বিৰুদ্ধে সৰৱ হৈ পৰা মুখ্যমন্ত্ৰীজনে কয়, 'বিজেপিয়ে বিগত ৭০ বছৰত কংগ্ৰেছে কি কৰিছিল দেখা পোৱা নাই নেকি? বিজেপিৰ নেতাসকলে যি স্কুলত পঢ়িছিল সেই স্কুল কংগ্ৰেছ চৰকাৰে বনাইছিল। বিজেপি নেতাসকলে যি পদ্ধতিৰে চৰকাৰত বহি আছে সেই সংবিধান কংগ্ৰেছ চৰকাৰৰ দিনতে প্ৰস্তুত কৰা হৈছিল। ৰেল ষ্টেছন মোদীৰ মোমায়েকে বনাইছিল নেকি?' আনহাতে, মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক সমালোচনা কৰি তেওঁ কয় যে বিজেপিয়ে কৈছিল অসমৰ আনন্দ সৰ্বানন্দ। সৰ্বানন্দ আহিল, কিন্তু অসমৰ ৰাইজৰ বাবে আনন্দ নাহিল। অসমত এতিয়া ছিণ্ডিকেটৰ ৰাজনীতি চলা বুলিও তেওঁ অভিযোগ কৰে। আনহাতে, প্ৰধানমন্ত্ৰী মোদীয়ে বিদেশী বেংকত জমা থকা ক'লা ধন আনি প্ৰতি ভাৰতীয়ৰ বেংক একাউণ্টত ১৫ লাখকৈ টকা দিয়াৰ প্ৰতিশ্ৰুতি কি হ'ল বুলিও প্ৰশ্ন কৰে।

**NAME CHANGE**

I Smt. Hangma Basumatary, W/o Sri Maisal Boro resident of Vill- Bhatarmari, P.O. & P.S.: Bijni, Dist: Chirang, Assam do hereby state that my name is Hangma Basumatary and it is recorded in Educational and others documents. After my marriage I used to write my name as Hangma Boro. But from now I again write my name as Hangma Basumatary. That I swear before Notary Public, Barpet by declaring this by affidavit on 19-03-2021.
Hangma Basumatary
Bhatarmari, Bijni
86386-41564

বান্ধৰ ৰূপ সম্পূৰ্ণ কৰাৰ বাবে আৰ্থৱৰ্ক

নিবিদা জাননী নংঃ কন/২০২১/মাৰ্চ/০৩, তাৰিখঃ ০৮-০৩-২০২১। নিম্নলিখিত কামৰ বাবে অভিজ্ঞ আৰু খ্যাতনামা ঠিকাদাৰ (সকল)/ফাৰ্ম (সমূহ)ৰ পৰা ই-নিবিদা পদ্ধতিৰ মাধ্যমেৰে মুকলি নিবিদা আহ্বান কৰা হৈছে। নিবিদা নংঃ চিই/কন/এ-জি/ইএমবি/২০২১/০৩। কামৰ নামঃ উত্তৰ-পূব সীমান্ত ৰেলৱেৰ আৰাৰিয়াৰ পৰা গলগলিয়ালৈকে নিউ বিজি লাইনৰ সংযোগী খাবাচপুৰ আৰু লক্ষ্মীপুৰ ইত্যাদি মাজত চিএইচ. ১৬.৭৫ কেএমৰ পৰা চিএইচ. ২৪.৮৫ কেএমলৈ ক্ষুদ্ৰ দলং (৯ খন), আৰইউবি (৭ খন) ইত্যাদিৰ নিৰ্মাণ, ব্ৰেককেটিঙসহ বান্ধৰ ৰূপ সম্পূৰ্ণ কৰাৰ বাবে আৰ্থৱৰ্ক। আনুমানিক মূল্যঃ ৪০,৪৪,২১,১৭২.৮০ টকা। ই-নিবিদা বন্ধ কৰা হ'ব ১৬-০৪-২০২১ তাৰিখৰ ১৪.৩০ ঘণ্টাত আৰু মুকলি কৰা হ'ব ১৬-০৪-২০২১ তাৰিখৰ ১৫.৩০ ঘণ্টাত। বিস্তৃত বিৱৰণৰ বাবে অনুগ্ৰহ কৰি www.ireps.gov.in চাওঁক।
মুখ্য অভিযন্তা/নিৰ্মাণ/৩
উত্তৰ-পূব সীমান্ত ৰে'লৱে
(নিৰ্মাণ সংস্থা)
"হাঁহিমুখে গ্ৰাহকলৈ সেৱা"

# বিপিএফে চন্দন ব্ৰহ্মৰ নেতৃত্বত এন এল এফ বি সৃষ্টি কৰিছে

## ৰুণীখাটা-জাউলীয়াবাৰীত ইউপিপিএলৰ যোগদান সভাত ৰঞ্জিত বসুমতাৰী

অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ২৩ মাৰ্চ ঃ** বিপিএফে চন্দন ব্ৰহ্মৰ নেতৃত্বত এন এল এফ বি নামৰ উগ্ৰপন্থী সংগঠন সৃষ্টি কৰিছে বুলি অভিযোগ কৰিছে বিটিআৰৰ বন বিভাগৰ কাৰ্যবাহী সদস্য তথা এসময়ৰ দুৰ্ধৰ্ষ এন ডি এফ বি নেতা ৰঞ্জিত বসুমতাৰী ওৰফে বি আৰ ফেৰেংগা। চিৰাং জিলাৰ ভাৰত-ভূটান সীমান্তৱৰ্তী ৰুণীখাটাত আজি ইউপিপিএলৰ এখন যোগদান সভাত অংশগ্ৰহণ কৰি বসুমতাৰীয়ে কয় যে বিগত ১৭ বছৰে বিপিএফে কোনো উন্নয়ন কৰিব নোৱাৰিলে। মাথোঁ দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰ কৰিলে। ভোটাৰক ভয়-ভাবুকিৰে ৰাজনীতি কৰিলে। সীমান্তৰ ৩২ খন গাঁৱৰ মাজত মাত্ৰ পাঁচখন খোৱাপানীৰ ব্যৱস্থা কৰিলে। যিকোনো চাকৰিৰ নামত ১০ লাখকৈ লৈছিল বিপিএফে। ভূমি পট্টাৰ নামতো ভুৱা নথিপত্ৰ প্ৰদান কৰিলে। বিভিন্ন জাতি-জনগোষ্ঠীৰ বিপিএফৰ দুই শতাধিক কৰ্মীয়ে ইউপিপিএলত যোগদান কৰা সভাত তেওঁ কয় যে আমি বি টি আৰ চুক্তিৰ জৰিয়তে বি টি আৰত শান্তি স্থাপন কৰিলো। উগ্ৰপন্থী সমস্যাৰ অৱসান হ'ল। আমাৰ সমাজত সকলো জাতি-জনগোষ্ঠীৰ লোকে সমিলমিলেৰে থাকিবলৈ ল'লে। কিন্তু আমাৰ এই ভ্ৰাতৃত্ববোধ সহ্য কৰিব নোৱাৰি বিপিএফৰ চন্দন ব্ৰহ্মই এন এল এফ বি নামৰ এটা উগ্ৰপন্থী সংগঠনৰ জন্ম দিলে। ইপিনে, জিলাখনৰ শ্যামথাইবাৰীত অনুষ্ঠিত ইউপিপিএলৰ এক নিৰ্বাচনী সভাত ১৭ জন লোকে যোগদান কৰে। একেদৰে জাউলীয়াবাৰীত অনুষ্ঠিত আন এক সভাত বিটিআৰৰ দুই মনোনীত সদস্যক্ৰমে মাধৱ ছেত্ৰী আৰু উইলচন হাছদাৰ উপস্থিতিত ২৫০ জন চাওতাল সম্প্ৰদায়ৰ লোকে ইউপিপিএলত যোগদান কৰে। ইয়াৰ পাছতে বামুণগাঁও প্ৰাথমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত এক সভাত দলীয় প্ৰাৰ্থী জয়ন্ত বসুমতাৰীয়ে এখন নিৰ্বাচনী সভাত অংশ লৈ বিপিএফৰ বিৰুদ্ধে সৰৱ হৈ পৰে।

# গোৱালপাৰা জিলা কংগ্ৰেছৰ উপ-সভানেত্ৰীৰ পদত্যাগ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২৩ মাৰ্চ ঃ** গোৱালপাৰা জিলা কংগ্ৰেছৰ উপ-সভানেত্ৰী ইন্দিৰা মেধিয়ে আজি কংগ্ৰেছৰ সকলো পদবীৰ লগতে প্ৰাথমিক সদস্য পদৰ পৰা পদত্যাগ কৰি জিলা সভাপতিলৈ এক পত্ৰ প্ৰেৰণ কৰিছে। উল্লেখ্য যে গোৱালপাৰা জিলা পৰিষদৰ প্ৰাক্তন সভানেত্ৰীগৰাকীয়ে ২০১৬ৰ বিধানসভা নিৰ্বাচনত নেতৃত্ব দি পূব গোৱালপাৰা কংগ্ৰেছৰ প্ৰাৰ্থী এ কে ৰছিদ আলমক জয়ী হোৱাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। সম্প্ৰতি জ্যেষ্ঠ নেত্ৰীগৰাকীৰ দল ত্যাগক লৈ কংগ্ৰেছৰ মাজত চৰ্চা হৈছে।

# সৰুপেটাত এ আই ইউ ডি এফৰ নিৰ্বাচনী কাৰ্যালয় মুকলি

অগ্ৰদূত বাৰ্তা

**সৰুপেটা, ২৩ মাৰ্চঃ** ভৱানীপুৰ সমষ্টিৰ অগপ প্ৰাৰ্থী ৰঞ্জিত ডেকা, এ আই ইউ ডি এফ ফণীধৰ তালুকদাৰ, ৰাইজৰ দলৰ কমল কুমাৰ মেধিৰ নিৰ্বাচনী তৎপৰতা বৃদ্ধি পাইছে। এ আই ইউ ডি এফৰ প্ৰাৰ্থী ফণীধৰ তালুকদাৰে আজি সমষ্টিটোৰ বিভিন্ন ধৰ্মীয় অনুষ্ঠানত মত বিনিময় কৰে। কলবাৰী শ্ৰীশ্ৰীৰামচৰণ ঠাকুৰ সত্ৰত মন বিনিময় কৰি উঠি তেওঁ কয়, ভৱানীপুৰ সমষ্টিত এইবাৰ ধৰ্মীয় মেৰুকৰণ নহয়। বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকৰ মাজত সমন্বয়হে স্থাপন হ'ব। তেওঁ অগপক কটাক্ষ কৰি কয়, '২০১১ৰ পৰা হাতী দুৰ্বল হৈ পৰিছে। অগপ এতিয়া অস্তিত্বৰ সংকটত ভুগিছে।' ইপিনে, আজি দুপৰীয়া সৰুপেটাত এটা নিৰ্বাচনী কাৰ্যালয় মুকলি কৰি এ আই ইউ ডি এফৰ প্ৰাৰ্থীজনে বিজেপিক উৎখাত কৰিবলৈ মহাজোঁটৰ জৰিয়তে মহাযুদ্ধত অৱতীৰ্ণ হৈছে বুলি কয়। তেওঁ আজি কলবাৰী বুঢ়া গোহাঁই থান, টাঙলা কীৰ্তনঘৰ, বাংলীপাৰা, কহৰা আৰু কুছিয়াঝাৰৰ বিভিন্ন স্থানত আয়োজন কৰা মত বিনিময় অনুষ্ঠানত অংশগ্ৰহণ কৰে।

# খাৰুপেটীয়াত দুৰ্ঘটনাত থিতাতে নিহত এজন

অগ্ৰদূত বাৰ্তা

**দলগাঁও, ২৩ মাৰ্চঃ** দৰঙৰ খাৰুপেটীয়া থানাৰ অন্তৰ্গত ৰাষ্ট্ৰীয় ঘাইপথত ডাকঘৰৰ সন্মুখত আজি তীব্ৰবেগী ট্ৰাক এখনে বুলেট এখনক মহটিয়াই নিয়াত আৰোহীজন থিতাতে নিহত হয়। খাৰুপেটীয়া হাস্পতাল ৰোডৰ নিৱাসী হাফিজুৰ ৰহমান ওৰফে মুন্না নামৰ যুৱকজনে এ এছ ১৩ এল ২৮০২ নম্বৰৰ বুলেট খনেৰে গৈ থকা অৱস্থাতে তীব্ৰবেগী ট্ৰাক এখনে মহটিয়াই থৈ পলায়ন কৰে। যুৱকজনৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

# বাঘমাৰাচৰত 'ন' ৰোড ন' ভোট বিধায়কৰ প্ৰতিকৃতি দাহ

**আলোপতি, ২৩ মাৰ্চ ঃ** বৰপেটা জিলাৰ বাঘবৰ সমষ্টিৰ বাঘমাৰাচৰত কালি অঞ্চলটোৰ একাংশ লোকে বিধায়ক শ্বেৰমান আলী আহমেদৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰি প্ৰতিকৃতি দাহ কৰে। বিগত ১০ বছৰে সমষ্টিৰ দুই নম্বৰ বাঘমাৰাচৰত এদিনো ভৰি নোথোৱাৰ উপৰি গাঁওখনৰ উন্নয়ন নোহোৱাৰো অভিযোগ উত্থাপন কৰিছে বিধায়কজনৰ বিৰুদ্ধে। পঞ্চায়তৰ পৰা ন লাখ টকা ব্যয় সাপেক্ষে এটা আৰ চি চি কালভাৰ্ট নিৰ্মাণ কৰা হৈছে যদিও কালভাৰ্টৰ দুয়োফালে মাটি নেপেলোৱাত পথটোৰে যাতায়াত সম্পূৰ্ণৰূপে ব্যাহত হৈ পৰিছে। পথটো যাতায়াতৰ বাবে সুচল কৰিবলৈ স্থানীয় লোকে পঞ্চায়ত সভানেত্ৰী আকলিমা খাতুনক বাৰম্বাৰ অনুৰোধ কৰাৰ পাছতো কোনো গুৰুত্বা আৰোপ নকৰিলে। ইপিনে, ৰাইজৰ এই দুৰ্দশাৰ বিষয়ে বিধায়কজনক অৱগত কৰোৱা হয় যদিও গাঁওৱাসীৰ অনুৰোধক ভ্ৰূক্ষেপ নকৰাত ক্ষুণ্ণ হৈ পৰিছে দুই নম্বৰ বাঘমাৰাচৰ গাঁওবাসীৰ। নিৰ্বাচনৰ সময়ত গাঁওবাসীয়ে বিধায়ক আহমেদৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। কালি গাঁওখনৰ একাংশ লোকে 'শ্বেৰমান আলী গ' বেক, কংগ্ৰেছৰ দালালি নচলিব, আমাক ৰাস্তা লাগিবই' আদি শ্ল'গান দি প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে বিধায়কজনৰ প্ৰতিকৃতি দাহ কৰে। ইপিনে, গাঁওবাসীয়ে কংগ্ৰেছৰ প্ৰাৰ্থী আহমেদৰ লগতে কোনো কংগ্ৰেছী প্ৰতিনিধিক ভোট খুজিবলৈ গাঁৱত প্ৰৱেশ কৰিবলৈ দিয়া নহ'ব বুলিও হুংকাৰ দিয়ে। জিলা প্ৰশাসনৰ লগতে মন্দিয়া খণ্ড উন্নয়ন বিষয়াৰ দৃষ্টি আকৰ্ষণ কৰি গাঁওবাসীয়ে কয় যে ভোটৰ আগতে উল্লিখিত পথটোৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ নকৰিলে গাঁওবাসীয়ে সমূহীয়াভাৱে ভোট বৰ্জনৰো হুংকাৰ দিছে।

Format C-2

Declaration about criminal antecedents of candidates set up by the party (As per the judgment dated 25th September, 2018 of Hon'ble Supreme Court in WP (Civil) No. 536 of 2011 (Public Interest Foundation &Ors. Vs. Union of India & Anr.)

Name of Political Party: **ASOM GANA PARISHAD**

Name of Election : **Assam Legislative Assembly Election, 2021**

Name of State/ UT : **Assam**

| 1 | 2 | 3 | 4 | | 5 | | |
|---|---|---|---|---|---|---|---|
| Sl. No. | Name of constituency | Name of candidate | (A) Pending criminal cases | | (B) Details about cases of conviction for criminal offences | | |
| | | | Name of Court, case No. & status of the case(s) | Sections of the Acts concerned & brief description of offence(s) | Name of Court & date(s) of order(s) | Description of offence(s) & punishment imposed | Maximum Punishment Imposed. |
| 1 | 38, Goalpara West Assembly Constituency | Sheikh Shah Alam | Add. Sessions Judge, Goalpara, Case No. Session – 52/2019 | Under Section 147/447/326/302 of IPC Allegation of rioting, criminal yrespass, grievous injury and murder | Not Applicable | Not Applicable | Not Applicable |
| 2. | | | Munshiff No. 1 cum JMFC Goalpara Case No. PRC 811/2018 | Under Section 153(A)/298/504 of IPC Allegation of promotion enmity between different groups of grounds of religion, uttering words etc. with deliberate intent to wound the religious feelings of any person, interntional insult with intent to provoke breach of peace | | | |

**আজিৰ দিনটো**



কিৰো ইয়ং, ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১

**১০ চ'ত বুধবাৰ ২৪ মাৰ্চ**

**সূৰ্যোদয় ঃ** ঘঃ ৫।২৮।২৩, **সূৰ্যাস্ত ঃ** ঘঃ ৫।৩১।৩। **তিথি ঃ** শুক্লা দশমী, দং ০।৫১।৫৮ প্ৰাতঃঘ ৫।৪৯।১০। **নক্ষত্ৰ ঃ** পুষ্যা, দং ৩৫।২২।২১ ৰাঘঃ ৭।৩৭।১৯। **যোগ ঃ** অতিগণ্ড, দং ৬।৪২।৪২ ঘঃ ৮।৯।২৮। **কৰণ ঃ** গৰ। **জন্মত ঃ** কৰ্কটৰাশি, বিপ্ৰবৰ্ণ দেৱগণ, মেষৰ অস্থি, বায়ুযোগ, অষ্টোত্তৰী চন্দ্ৰ, বিংশোত্তৰী শনিৰ দশা, ৰাঘঃ ৭।৩৭।১৯ যোৱাত দেৱাৰিগণ বৰাহৰ অস্থি, বিংশোত্তৰী বুধৰ দশা। **আদ্যঋতু হ'লে ঃ** সাতদিনীয়া কান্তা যোগ, মতান্তৰে ১৫ দিনীয়া বেশ্যা যোগ। **মৰণত দোষ ঃ** নাই। **যোগিনী ঃ** উত্তৰত, প্ৰাতঃঘ ৫।৪৯। ১০ যোৱাত অগ্নিকোনত। **যাত্ৰা ঃ** শুভ, উত্তৰত নাই, প্ৰাতঃঘঃ ৫।৪।১০ যোৱাত শুভ অমৃতযোগ। **শুভকৰ্ম ঃ** জাতকৰ্ম, নামকৰণ, নৱবস্ত্ৰ পৰিধান, ৰত্নাদিধাৰণ, ঋণদান, ঋণগ্ৰহণ, আৰোগ্যস্নান, ঔষধকৰণ আৰু সেৱন। **ভক্ষাভক্ষ্য ঃ** কলমৌ প্ৰাতঃঘঃ ৫।৪।১০ যোৱাত উৰহী খোৱা নিষেধ।

*দিনটোৰ ৰাশিফল*

**মেষ ঃ** ঘৰুৱা উন্নতিৰ চেষ্টাত বাধা কম। সৰু-সুৰা বিৰোধী কথাত বেছি মন নিদিলে কৰ্মক্ষেত্ৰতো শুভ ফল। শুভ ৰং ক্ৰীম।

**বৃষ ঃ** আৰ্থিক উন্নতিৰ ক্ষেত্ৰত যিকোনো চেষ্টাত কিবা নহয় কিবা বাধা অনুভৱ কৰিব। ঘৰুৱা দিশত অৱশ্যে সিমান দুশ্চিন্তা। শুভ ৰং বগা।

**মিথুন ঃ** কৰ্তব্যত আপোনাৰ যোগ্যতা থাকিব। কোনোৱে বাস্তৱ ক্ষেত্ৰত খোজ পেলাই উপকৃত হ'ব। সৰু-সুৰা কথাত মানসিক কিছু প্ৰভাৱ পেলাব। বন্ধুৰ সহায়। আৰ্থিক প্ৰাপ্তিৰ আশা। শুভ ৰং কমলা।

**কৰ্কট ঃ** পূৰ্ব দিনৰ তুলনাত আজি বহুলাংশে যোগাযোগাদিত উন্নত। অৱশ্যে আপোনাৰ হুৰমুৰীয়া স্বভাৱৰ দোষত শাৰীৰিকত কিছু আহুকালৰ কাৰক বিদ্যাত মধ্যম। ভ্ৰমণ। শুভ ৰং পাতল নীলা।

**সিংহ ঃ** কোনো আকস্মিক বাধা বা ক্লেশে লগ ধৰিব পাৰে। সহজতে যি কৰো বুলি থিৰাং কৰিছিল তাক সম্পূৰ্ণ কৰাত বাধা পাব। ফল দাম্পত্যত নতুন-চিন্তা অৱশ্যে থাকিব। শুভ ৰং হালধীয়া।

**কন্যা ঃ** কৰ্মক্ষেত্ৰত আপোনাৰ ভাৱমূৰ্তি প্ৰায় ঠিক থাকিব যদিও কোনো কাৰণে চিন্তাৰ কাৰণ হ'ব। জাতকৰ কোনো উন্নত যোগাযোগৰ পৰা লাভ। বিদ্যাত বেয়া নহ'ব। ভ্ৰমণাদিত মধ্যম। শুভ ৰং গেৰুৱা, শুভ সংখ্যা ৭।

**তুলা ঃ** কোনোৱে প্ৰৱঞ্চকৰ কবলত পৰাৰ কাৰক সাৱধান হ'লে ভয় কম বিদ্যাত যত্নৰ ফল লাভ। সাধাৰণ শৰীৰৰ আহুকাল অলপ। দাম্পত্যত ভালেই। কৰ্মাদিত উৎসাহ। শুভ ৰং ক'লা।

**বৃশ্চিক ঃ** ক্ৰমে দিনটো বাঢ়ি অহাৰ লগে লগে মনটো গধুৰ হ'ব পাৰে। হ'বলগীয়া কামত অনগ্ৰসৰ হোৱাৰ যোগ। শুভ ৰং নীল।

**ধনু ঃ** উন্নত দিনৰ অনুমান। যোগাযোগৰ খুব বেয়া নহ'ব। ভবা কথাৰ লগত সাদৃশ্য কম যদিও প্ৰতিকূলো নহ'ব। বিশেষকৈ অনুৰাধা নক্ষত্ৰৰ মানসিক শান্তি। বিদ্যাত বাধা কম। শুভ ৰং ক্ৰীম।

**মকৰ ঃ** ভঙা-পতা কৰি ভাল পাব পুৰণি পৰিৱেশৰ সলনিৰ প্ৰতি মন কৰিব পাৰে ভ্ৰমণৰ সম্ভম হওক। কিন্তু কোনোৰ প্ৰিয় বন্ধু-বান্ধৱীৰ সংগত সুখ । শুভ ৰং বগা।

**কুম্ভ ঃ** ৰুক্ষ চিন্তা অত্যাধিক খৰচ হ'লেও আয়ত্ত থাকিব। পঢ়া-শুনাত মনোযোগ লাগিব। দুষ্টৰ সংগই বিপদ আনিব পাৰে লোহ। পদমৰ্যাদা লাভ। শুভ ৰং হালধীয়া।

**মীন ঃ** আৰ্থিক যোগাযোগত কিছুদিন উপকৃত তথা খৰচ। মতান্তৰ হ'ব লগা কথাত মন নিদিব। নতুন সম্পদ ক্ৰয়। শুভ ৰং ক'লা।

# প্ৰতিষেধক লোৱাৰ পাছত

*তিনি পৃষ্ঠাৰ পৰা* আক্ৰান্ত হৈ মৃত্যু হোৱা লোকজন যোৰহাট নগৰৰ আটিলাগাঁৱৰ শংকৰ প্ৰসাদ খাউণ্ড (৬৭)। ক'ভিডৰ প্ৰতিষেধক লোৱাৰ প্ৰায় এসপ্তাহ পাছতে পুনৰ ক'ভিডত আক্ৰান্ত হোৱাত কেইদিনমান পূৰ্বে যোৰহাট চিকিৎসা মহাবিদ্যালয় ক'ভিড চেণ্টাৰত ভৰ্তি কৰোৱা হৈছিল। আজি তাতে তেওঁৰ মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁ এজন পুত্ৰ আৰু এগৰাকী কন্যাক ইহসংসাৰত এৰি যায়। লোকজনৰ মৃত্যুত পুনৰ কৰ'নাক লৈ আতংকিত হৈ পৰিছে যোৰহাটবাসী।

# বিজেপিৰ সংকল্পপত্ৰ মিছা

*তিনি পৃষ্ঠাৰ পৰা* গেৰান্টী দি নিৰ্বাচনত অৱতীৰ্ণ হৈছে। সেই গেৰান্টীকেইটাৰ ভিতৰৰ নিযুক্তি সংক্ৰন্তীয় গেৰান্টীৰ সন্দৰ্ভত চৰন আৰু বল্লভে সংবাদমেলত বক্তব্য দাঙি ধৰে। চৰনে কয়, 'অসমৰ মূল সমস্যাবোৰৰ ভিতৰৰ এটা হ'ল নিৱনুৱা সমস্যা। ২০১৬ৰ নিৰ্বাচনৰ সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসমৰ জনসাধাৰণক প্ৰতিশ্ৰুতি দিছিল যে বিজেপি শাসনলৈ আহিলে ৰাজ্যখনৰ ২৫ লাখ নিবনুৱা যুৱক-যুৱতীক চৰকাৰী চাকৰি দিব; কিন্তু সৰ্বানন্দ সোণোৱাল চৰকাৰে ২৫ লাখৰ বিপৰীতে মাত্ৰ ৮০ হেজাৰ নিবনুৱাক চাকৰি দিবলৈ সক্ষম হৈছে। আমাৰ চৰকাৰ গঠন হ'লে পাঁচ লাখ নিবনুৱা যুৱক-যুৱতীক চৰকাৰী চাকৰি আৰু ২৫ লাখক ব্যক্তিগত খণ্ডত নিযুক্তি লাভৰ ব্যৱস্থা কৰি দিয়া হ'ব। আমি এই গেৰান্টী বাস্তৱৰ আধাৰত দিছো। অসমৰ ৩৫ টা চৰকাৰী বিভাগত ৬০ হেজাৰ পদ খালী হৈ আছে। সেইসমূহ কংগ্ৰেছ চৰকাৰে প্ৰথম পদক্ষেপতে পূৰণ কৰিব। সেইদৰে স্বাস্থ্যখণ্ডত ৪০ হেজাৰ, বিদ্যালয় শিক্ষকৰ ৩৮ হেজাৰ, আৰক্ষীত ১৫ হেজাৰ, চিকিৎসকৰ ১৫ হেজাৰ আৰু কলেজ শিক্ষকৰ ১২ হেজাৰ পদ খালী হৈ আছে। সেইসমূহ পূৰণ কৰাত আমাৰ চৰকাৰে অগ্ৰাধিকাৰ দিব। গ্ৰাম্য জীৱিকাৰ পথ সুচল কৰিবলৈ এম জি এনৰেগা আঁচনিৰ সফল ৰূপায়ণ কৰা হ'ব। নগাঁও আৰু কাছাৰ কাগজ কল পুনৰ মুকলি কৰিও নিবনুৱা যুৱক-যুৱতীসকলৰ নিযুক্তি আৰু উপাৰ্জনৰ পথ মুকলি কৰা হ'ব। বস্ত্ৰ, হস্ততাঁত, পৰ্যটন খণ্ডত আমি নিযুক্তি মুকলি কৰিম। তথ্য প্ৰযুক্তি খণ্ডত কমেও পাঁচ লাখ নিযুক্তিৰ পথ খোলা আছে। গতিকে আমি বাস্তৱৰ লগত সংগতি ৰাখিহে চৰকাৰী আৰু বেচৰকাৰী খণ্ডত ৩০ লাখ যুৱক-যুৱতীক নিযুক্তি দিয়াৰ গেৰান্টী দিছো। আমাৰ গেৰান্টী মানে আশ্বাস নহয়।' এই প্ৰসংগত মুখপাত্ৰ বল্লভে কয় যে নিযুক্তিৰ বিষয়টো চৰকাৰ গঠন নৌহওঁতেই কংগ্ৰেছে আগবঢ়াই নিব বিচাৰিছে। এই পৰ্যন্ত এক লাখ ৪০ হেজাৰ নিবনুৱা যুৱক-যুৱতীৰ দলে মুকলি কৰা এপ্‌ৰ জৰিয়তে নাম পঞ্জীয়ন কৰা হৈছে। সেইসকলৰ জৰিয়তে কাইলৈ প্ৰথম পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া ৪৩ টা সমষ্টিৰ যুৱক-যুৱতীৰ লগত দলৰ প্ৰাৰ্থীসকলে মত-বিনিময় কৰিব।

চৰনে প্ৰসংগক্ৰমে উল্লেখ কৰে যে অসমৰ অৱস্থা বিজেপিয়ে সৰ্বদিশত অৱনমিত কৰিছে। তাৰ এক উদাহৰণো দাঙি ধৰে। চৰনে লগতে কয় যে ২০১৫-১৬ত অসমৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন (জিএছডিপি)ৰ হাৰ ১৫.৬৭ শতাংশ আছিল। সেই সময়ত এই হাৰেৰে অসমৰ স্থান সৰ্বভাৰতীয় স্তৰত দ্বিতীয় আছিল; কিন্তু ২০১৯-২০ত বিকাশৰ সেই হাৰ অভাৱনীয়ভাৱে ৬.৩ শতাংশলৈ অৱনমিত হয়। ইয়াৰ ফলত অসমৰ বৰ্তমান স্থান হ'ল দেশৰ ৰাজ্যবোৰৰ ভিতৰত বিংশ। এই অৱনমন বিজেপিৰ অসমৰ ওপৰত কোনো বাস্তৱ ধাৰণা নথকাৰ বাবেই হৈছে বুলি প্ৰাক্তন মুখ্যমন্ত্ৰীজনে মন্তব্য কৰে। চৰনে লগতে কয় যে বিজেপিয়ে যিবোৰ ৰাজ্যত অবিজেপি চৰকাৰ আছে সেইবোৰত অস্থিৰতা সৃষ্টিৰ ষড়যন্ত্ৰ অহৰহ কৰি থকাটো দুৰ্ভাগ্যজনক। দেশৰ মূল সমস্যাৰ কথা ওলালেই দলটোৱে হিন্দু-মুছলিমৰ বিষয়েৰে তল পেলোৱাৰ চেষ্টা কৰা বুলিও অভিযোগ কৰে চৰনে।

সংবাদমেলত মুখপাত্ৰ বল্লভে সংসদত গৃহমন্ত্ৰী অমিত শ্বাহে দাঙি ধৰা অসমৰ ৪০ লাখ অনুপ্ৰৱেশকাৰী কলৈ গ'ল বুলি প্ৰশ্ন কৰে। এই পৰ্যন্ত সংশোধিত নাগৰিকত্ব আইনৰ বিধিসমূহ কিয় ঠিক কৰিব পৰা নাই বুলিও তেওঁ প্ৰশ্ন উত্থাপন কৰে।

Format C - 2

Declaration about criminal antecedents of candidates set up by the party

(As per the judgment dated 25th September, 2018 of Hon'ble Supreme Court in WP (Civil) No. 536 of 2011 (Public Interest Foundation & Ors. Vs. Union of India & Anr.)

Name of the Political Party : **Indian National Congress (INC)**

*Name of Election : **Assam Legislative Assembly Election, 2021**

Name of State/UT : **Assam**

| 1 | 2 | 3 | 4 | | 5 | |
|---|---|---|---|---|---|---|
| Sl. No. | Name of Constituency | Name of Candidate | (A) Pending Criminal Cases | | (B) Details about cases of conviction for criminal offences | |
| | | | Name of Court, Case No. & Status of Case(s) | Sections of the Acts contemed & brief description of offence(s) | Name of court & date(s) of order(s) | Description of offence(s) and punishment imposed |
| 1 | 49 No. Chhaygaon LAC | Rekibuddin Ahmed | CJM(K), Amingaon, Assam & Chhaygaon PS Case No. 830/20 in GR Case No. 1330(K)/20 & in this case FR has been submitted by the police, vide FR No. 551 dtd., 30.11.20 | Sec. 143/352/ 384/506 IPC, Molestation, Extortion | Nil | Nil |
| 2 | 49 No. Chhaygaon LAC | Rekibuddin Ahmed | CJM(K), Amingaon, Assam & Chhaygaon PS Case No. 567/17 in GR Case No. 1880(K)/17 this case amalgamated with Chhaygaon PS Case No. 837/17 in this case FR has been submitted by the police, vide FR No. 490 dtd., 30.09.18 | Sec. 406/409/34 IPC, Criminal breach of trust | Nil | Nil |
| 3 | 49 No. Chhaygaon LAC | Rekibuddin Ahmed | CJM(K), Amingaon, Assam & Chhaygaon PS Case No. 522/17 in & in this case FR has been submitted by the police, vide FR No. 326 dtd., 25.07.18 | Sec. 409/34 IPC, Crimi-nal breach of trust by public servant | Nil | Nil |
| 4 | 49 No. Chhaygaon LAC | Rekibuddin Ahmed | Addl. CJM(K), Amingaon, Assam & Chhaygaon PS Case No. 520 in GR Case No. 1906(K)/16 & in this case under investigation by Police | Sec. 406/420/34 IPC, Cheating | Nil | Nil |
| 5 | 49 No. Chhaygaon LAC | Rekibuddin Ahmed | CJM(K), Amingaon, Assam & Chhaygaon PS Case No. 135/16 in GR Case No. 48(K)/16 & in this case FR has been submitted by the police, vide FR No. 334 dtd., 31.08.17 | Sec. 147/148/ 149/448/ 326/171(c) Rioting, Assault | Nil | Nil |

* In the Case of election to Council of States or election to Legislative Council by MLAs, mention the election concerned in place of name of constituency.

● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত
গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**



যেতিয়া মই দুখীয়াৰ মাজত খাদ্য সামগ্ৰী বিতৰণ কৰো, তেতিয়া মোক ধৰ্মযাজক আখ্যা দিয়ে— তেওঁলোকে খাদ্য খাবলৈ কিয় পোৱা নাই সুধিলেই মোক কমুনিষ্ট কোৱা হয়।

হেল্ডাৰ কামাৰা
*ব্ৰাজিলৰ যাজক*

www.dainikagradoot.in

৫ দুগুণ ভাড়া ভৰি ছুৰট ত্যাগ প্ৰবাসী শ্ৰমিকৰ
১১ প্ৰথম এদিনীয়াত ভাৰতৰ জয়
৪ 'কা'ৰ স্থিতিয়ে নিৰ্ধাৰণ কৰিব অসমবাসীৰ ভোট



RNI-Regd No. 62953/96 ■ ষড়বিংশতিতম বছৰ ● ১৬৫ তম সংখ্যা ● গুৱাহাটী ● বুধবাৰ ১০ চ'ত ১৪২৭ ভাস্কৰাব্দ ২৪ মাৰ্চ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Wednesday 24 March 2021 মূল্য ঃ ৭.০০ টকা

## সমাজ সেৱা কৰাৰ বাবে উগ্ৰ প্ৰৱণতা

■ দয়ানন্দ পাঠক



আমাৰ অসমত সমাজ সেৱা কৰাৰ প্ৰতি চৌদিশে এক উগ্ৰ প্ৰৱণতা দেখা গৈছে। এনে প্ৰৱণতা আমাৰ বাবে অতি আনন্দৰ কথা। আমি আমাৰ জীৱনক ধন্য কৰিবলৈ সমাজ সেৱাৰ পথ নিৰ্বাচন কৰিব পৰাটো এক ইতিবাচক কথা; কিন্তু সমাজ সেৱা কৰিবলৈ সকলোৱে যেন এটা পথৰেই পথিক হ'ব বিচাৰিছে। এই পথ হ'ল ৰাজনীতিৰ পথ। কেৱল ৰাজনীতিৰ *আঠ পৃষ্ঠাত চাওক*

■ আত্মনিৰ্ভৰ অসমৰ বাবে ১০টা সংকল্প ঘোষণাৰে বিজেপিৰ ইস্তাহাৰ ■ অফ চিজনত বাগিচালৈ গৈ পাত চিঙি লাভ নাই, অৱশ্যে ফটো তুলিব পাৰি ঃ প্ৰিয়ংকাক কটাক্ষ নড্ডাৰ

# 'কা' ৰূপায়ণৰ বাবে দৃঢ় বিজেপি

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৩ মাৰ্চ ঃ** 'পাঁচ বছৰ পূৰ্বে অসমৰ পৰিৱেশ হতাশজনক আছিল। সমস্যা সমাধানৰ কোনো ইচ্ছা আৰু শক্তি নাছিল। সমস্যাবোৰ জমা হৈ হৈ পাহাৰ সদৃশ হৈ পৰিছিল। ইয়াক গতি প্ৰদানৰ কাম কৰিলে এন ডি এ চৰকাৰে আৰু মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ নেতৃত্বত অসম চৰকাৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত আৰু গৃহমন্ত্ৰী অমিত শ্বাহৰ সমৰ্থনত নিৰৱচ্ছিন্নভাৱে কাম কৰাৰ ফলত আমি অসমক সামূহিকভাৱে আগুৱাই যাবলৈ বিকাশৰ বাবে এক বৃহৎ গতি প্ৰদান কৰিবলৈ সক্ষম হ'লো।' আজি বিজেপিৰ বহু প্ৰত্যাশিত আগন্তুক বিধানসভা নিৰ্বাচনৰ ইস্তাহাৰ 'সংকল্প পত্ৰ' মুকলি কৰি এইদৰে কয় দলৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নড্ডাই। তেওঁ কয় যে এই সময়ছোৱাত ৰাজ্যৰ সমস্যাসমূহ নিৰাময়ৰ বাবে প্ৰয়োজনীয় আঁচনি গ্ৰহণ কৰা হৈছে। বিগত পাঁচ বছৰত নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি হৈছে বুলিও দাবী কৰে নড্ডাই। 'বিগত পাঁচ বছৰত আমাৰ লক্ষ্য আছিল জাতি-মাটি আৰু ভেটি শক্তিশালী কৰাৰ। অসমৰ সংস্কৃতি ৰক্ষা, সুৰক্ষিত অসম আৰু সমৃদ্ধিশালী অসম নিৰ্মাণৰ বাবে আমি *আঠ পৃষ্ঠাত চাওক*



## প্ৰতিষেধক লোৱাৰ পাছত যোৰহাটত ক'ভিডত মৃত্যু এজনৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**যোৰহাট, ২৩ মাৰ্চ ঃ** কৰ'নাৰ প্ৰতিষেধক লোৱাৰ পাছতো যোৰহাটত ক'ভিডত আক্ৰান্ত হৈ এজন লোকৰ মৃত্যু হোৱাত আতংকৰ সৃষ্টি হৈছে। যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত আজি পুৱা ক'ভিডত *দুই পৃষ্ঠাত চাওক*

■ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনত চাৰি বছৰত দেশৰ দ্বিতীয়ৰ পৰা বিংশ স্থানলৈ অৱনমিত অসম ■ ২৫ লাখক নিযুক্তিৰ প্ৰতিশ্ৰুতি দি মাত্ৰ ৮০ হেজাৰকহে চাকৰি দিলে বিজেপি চৰকাৰে

## বিজেপিৰ সংকল্পপত্ৰ মিছা কথাৰ ভঁৰাল



সৰৱ কংগ্ৰেছ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৩ মাৰ্চ ঃ** আজি ভাৰতীয় জনতা পাৰ্টি (বিজেপি)য়ে অসমৰ নিৰ্বাচনৰ বাবে প্ৰকাশ কৰা সংকল্পপত্ৰক মিছা কথা আৰু ফাকিৰ ভঁৰাল আখ্যা দিছে কংগ্ৰেছে। ইয়াৰ ৰাজীৱ ভৱনত এক সংবাদমেলত জ্যেষ্ঠ কংগ্ৰেছ নেতা তথা মহাৰাষ্ট্ৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী অশোক চৱন আৰু নিখিল ভাৰত কংগ্ৰেছ কমিটী (এআইচিচি)ৰ মুখপাত্ৰ গৌৰৱ বল্লভে কয় যে বিজেপিয়ে যিদৰে মিছা কথা আৰু সপোন বিক্ৰীৰে দেশ চলাইছে, তাৰ প্ৰতিফলন আজি প্ৰকাশ কৰা সংকল্পপত্ৰতো পৰিছে। তাৰ বিপৰীতে কংগ্ৰেছৰ নীতি হ'ল বাস্তৱসন্মত। বাস্তৱৰ আধাৰত কংগ্ৰেছে অসমৰ ৰাইজক পাঁচটা *দুই পৃষ্ঠাত চাওক*

■ নিৰ্বাচনৰ প্ৰাকক্ষণত কাৰাৰুদ্ধ ৰাইজৰ দলৰ সভাপতিৰ পত্ৰ

## বিজেপিত যোগদান কৰিলে মন্ত্ৰিত্বৰ প্ৰলোভন দিয়া হৈছিল ঃ অখিল গগৈ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৩ মাৰ্চ ঃ** ৰাজ্যৰ বিধানসভা নিৰ্বাচনলৈ মাজত মাথোঁ তিনিটা দিন থকা অৱস্থাত ৰাইজৰ দলৰ কাৰাৰুদ্ধ সভাপতি তথা



শিৱসাগৰ সমষ্টিৰ পৰাপ্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা অখিল গগৈয়ে এক পত্ৰৰ জৰিয়তে কেতবোৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। বিশেষকৈ কেন্দ্ৰীয় অনুসন্ধান সংস্থা *আঠ পৃষ্ঠাত চাওক*

ঢকুৱাখনা-বটদ্ৰৱা-কলিয়াবৰ-গোলাঘাটত প্ৰচাৰ ■ প্ৰাৰ্থীক মঞ্চতে পিন্ধালে বিজয় গামোচা

■ অসমৰ লগত ঢকুৱাখনাক উন্নয়নৰ অংশীদাৰ হ'বলৈ আহ্বান নৱ দলেৰ

## হেজাৰ ষড়যন্ত্ৰয়ো বিজেপিৰ কোনো ক্ষতি কৰিব নোৱাৰে ঃ সোণোৱাল

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**লখিমপুৰ/নগাঁও/গোলাঘাট/বটদ্ৰৱা/কলিয়াবৰ, ২৩ মাৰ্চ ঃ** প্ৰথম পৰ্যায়ৰ নিৰ্বাচনলৈ মাজত মাত্ৰ তিনিদিন থকা অৱস্থাত ৰাজনৈতিক দলবোৰৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। আজি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে মিত্ৰদল অসম গণ পৰিষদ (অগপ)কে ধৰি পাঁচটা সমষ্টিৰ মাৰাথন প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীয়ে লখিমপুৰৰ বগীনদীৰ গজাইমনাই ক্ষেত্ৰত ঢকুৱাখনা সমষ্টিৰ বিজেপি প্ৰাৰ্থী নৱকুমাৰ দলেৰ হৈ প্ৰচাৰ চলায়। এই উপলক্ষে আয়োজিত এখন *আঠ পৃষ্ঠাত চাওক*



ইস্তাহাৰৰ প্ৰতিবাদ

## ডিব্ৰুগড় বিশ্ববিদ্যালয়ত সোণোৱাল-নড্ডা-ড° শৰ্মাৰ জুমুঠি দাহ

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ২৩ মাৰ্চ ঃ** আজি বিজেপিৰ সভাপতি জে পি নড্ডাই গুৱাহাটীত নিৰ্বাচনী ইস্তাহাৰ প্ৰকাশ কৰি নিৰ্বাচনত জয়ী হ'লে অসমত সংশোধিত নাগৰিকত্ব আইন (কা) বলৱৎ কৰাৰ কথা ঘোষণা কৰে। এই অনুষ্ঠানত *আঠ পৃষ্ঠাত চাওক*

■ আজমল কেতিয়াও অসমৰ ভাগ্য বিধাতা হ'ব নোৱাৰে

## ২৭ মাৰ্চত কংগ্ৰেছৰ প্ৰথমখন জাহাজ ব্ৰহ্মপুত্ৰত ডুবিব ঃ শৰ্মা



**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**নগাবাট/মেলামাটি/টীয়ক/কাকজান/জাঁজী/গৌৰীসাগৰ/নাজিৰা/শিমলুগুৰি/ঠেলামৰা/নদুৱাৰ, ২৩ মাৰ্চ ঃ** 'আজি আমাক কংগ্ৰেছে সমালোচনা কৰে। কিয় সমালোচনা কৰে কংগ্ৰেছে নিজে নাজানে। আমি সূতা, কম্বল, লুঙীৰ ৰাজনীতি নকৰো; আমি মানুহৰ জীৱনৰ পৰিৱৰ্তনৰ *আঠ পৃষ্ঠাত চাওক*

নৰেশ অৰোৰা আৰু তেওঁৰ দলৰ ভূমিকাক লৈ চৰ্চা

## বহুধাবিভক্ত কংগ্ৰেছৰ নিৰ্বাচনী কৌশল নিৰ্ণয়-ৰূপায়ণৰ আঁৰত

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৩ মাৰ্চ ঃ** ৰাজ্যৰ কে'বাজনো বিশিষ্ট ৰাজনৈতিক বিশ্লেষকৰ মতে আগন্তুক বিধানসভা নিৰ্বাচনৰ পৰিৱেশ এতিয়াও ধুৱলী-কুঁৱলী হৈ আছে। অসমৰ আগন্তুক চৰকাৰ কোন মিত্ৰজোঁট অথবা কোন দলে গঠন কৰিব সেই ছবি এতিয়াও সম্পূৰ্ণ স্পষ্ট হৈ উঠা নাই। এয়া অৱশ্যে গণতন্ত্ৰৰ বাবে এক *সাত পৃষ্ঠাত চাওক*



## নেতাৰ মৌ বৰষা মাত

### *এতিয়া হিমন্তই নাচিছে*



**জোনাই** বিধানসভা সমষ্টিৰ চিমেন চাপৰিত মহাজোঁটৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰত অংশ লৈ এক সভাত বিপিএফৰ সভাপতি হাগ্ৰামা মহিলাৰীয়ে কয়, 'হিমন্ত বিশ্বই নিৰ্বাচনী ফলাফলৰ পাছত নাচিব নোৱাৰিব কাৰণে আগতীয়াকৈ নাচি লৈছে। ফলাফলৰ পাছত আমিহে নাচিম। বিটিচিৰ বাহিৰত বসবাস কৰা ১০ লক্ষাধিক বড়ো জনগোষ্ঠীক দুভাগ কৰাৰ আঁৰত হিমন্ত বিশ্ব শৰ্মা। কিছুমান বড়ো নেতাক বিজেপিত যোগদান কৰাই দুভাগ কৰিব বিচৰা ষড়যন্ত্ৰ সফল নহ'ব। হিমন্ত বিশ্বই পুনৰ কংগ্ৰেছত যোগদান কৰিলে মই বিজেপিত যোগদান কৰিম। অমিত শ্বাহে অসমত প্ৰতিবাদ নাই বুলি ক'লে; কিন্তু বিগত পাঁচ বছৰত ইমান ধৰ্ণা-প্ৰতিবাদ হ'ল, গম নাপালে নেকি?'

### *গাঁতৰ কংগ্ৰেছী*



**আজি** মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰত অংশ লৈ কংগ্ৰেছক সমালোচনা কৰি মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয়, 'ক'ভিডৰ ভয়াৱহ পৰিস্থিতিৰ সময়ত কংগ্ৰেছ গাঁতৰ ভিতৰত লুকাই আছিল নে নৰেন্দ্ৰ মোদী লুকাই আছিল? ক'ভিডৰ সময়ত হাস্পতালে হাস্পতালে, আইচিইউয়ে আইচিইউয়ে মই ঘূৰি ফুৰিছিলো নে ৰিপুন বৰা ঘূৰি ফুৰিছিল? যোৱাবাৰ কৰ'নাৰ সময়ত কংগ্ৰেছীবোৰ গাঁতত সোমাই আছিল। এতিয়া কৰ'না গ'ল, নিৰ্বাচন আহিল বাবে কংগ্ৰেছীবোৰে গাঁতৰ পৰা মূৰ দাঙিছে।'



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩৩° | ১৭° |
| ডিব্ৰুগড় | ৩২° | ১৬° |
| দিল্লী | ৩০° | ১৮° |
| কলকাতা | ৩৭° | ২৬° |
| মুম্বাই | ৩৪° | ২৭° |
| চেন্নাই | ৩৩° | ২৪° |
| বাংগালুৰু | ৩৫° | ১৯° |
| শ্বিলং | ২৫° | ১৪° |

২৩ মাৰ্চ, ২০২১

## বিজেপিৰ ফুচুলনিত ভোল নাযাবলৈ আহ্বান লেখক-বুদ্ধিজীৱীৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৩ মাৰ্চ ঃ** ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণলৈ মাজত মাথোঁ কেইটামান দিন বাকী থকা অৱস্থাত বিজেপিৰ জকমকীয়া প্ৰচাৰ আৰু মিছা ফুচুলনিৰ ফুলজাৰিত ৰাইজক ভোল নাযাবলৈ আহ্বান জনাইছে একুৰিৰো অধিক লেখক-বুদ্ধিজীৱীয়ে। আসন্ন নিৰ্বাচন অসমৰ জনতাৰ বাবে অতি গুৰুত্বপূৰ্ণ *আঠ পৃষ্ঠাত চাওক*

## বোকাখাতত দুৰ্ঘটনাত দুই যুৱকৰ থিতাতে মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**বোকাখাত, ২৩ মাৰ্চ ঃ** বোকাখাতত আজি পুৱতি নিশা সংঘটিত এক পথ দুৰ্ঘটনাত দুজন যুৱকৰ মৃত্যু হয়। বোকাখাত আৰক্ষী থানাৰ অন্তৰ্গত বৰজুৰিত ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত ৰখাই থোৱা এন এল-০২ কিউ-৫৫৫৭ নম্বৰৰ ট্ৰাকখনত পুৱতি নিশা এখন স্কুটীয়ে খুন্দা মাৰে। ফলত স্কুটীৰ আৰোহী অমৃত ছেত্ৰী আৰু দীপক দৰ্জী থিতাতে নিহত হয়। নিহত যুৱকদ্বয়ৰ ঘৰ নুমলীগড়ত।



দৈনিক অগ্ৰদূত
গুৱাহাটী বুধবাৰ ১০ চ'ত ১৪২৭ ভাস্কৰাব্দ ২৪ মাৰ্চ ২০২১



# প্ৰতিশ্ৰুতিৰ ভিৰ

বিজেপিয়ে সম্প্ৰতি প্ৰকাশ কৰা নিৰ্বাচনী ইস্তাহাৰত কৈছে যে দলে এন আৰ চিখন পৰ্যালোচনা কৰি তাত সন্নিবিষ্ট হোৱা অবৈধ নাগৰিকৰ নাম কৰ্তন কৰিব আৰু প্ৰকৃত ভাৰতীয় নাগৰিকসকলক ৰক্ষণাবেক্ষণ দিব। ১০টা সংকল্পযুক্ত ইস্তাহাৰত পিছে নাগৰিকত্ব (সংশোধনী) আইন বলৱৎকৰণৰ কোনো কথা কোৱা হোৱা নাই। লক্ষ্যণীয় যে বিজেপিয়ে চুবুৰীয়া পশ্চিমবংগত হ'বলগীয়া বিধানসভা নিৰ্বাচন উপলক্ষে প্ৰকাশ কৰা ইস্তাহাৰত বিজেপি ৰাজ্যখনত ক্ষমতালৈ আহিলে প্ৰথমখন কেবিনেট বৈঠকতেই নাগৰিকত্ব (সংশোধনী) আইন কাৰ্যকৰীকৰণৰ প্ৰতিশ্ৰুতি দিছে।

উল্লেখ কৰিব পাৰি যে যোৱা ২০১৯ৰ ৩১ আগষ্টত প্ৰকাশ পোৱা এন আৰ চিৰ চূড়ান্ত তালিকাত ১৯ লাখ মানুহৰ নাম বাদ পৰিছে। এন আৰ চিত বাদ পৰা লোকসকলৰ বহুসংখ্যক হিন্দু বাঙালী হোৱা বুলি কোৱা হৈছে। সি যি কি নহওক, বিজেপি চৰকাৰে নিৰ্বাচনৰ আগেয়ে অসমত প্ৰচলন কৰা অৰুণোদয় আঁচনিৰ জৰিয়তে বছৰি দুই লাখ টকাতকৈ কম আয়ৰ মহিলাসকলক মাহে ৮৩০ টকাকৈ নগদ ধন সাহায্য প্ৰদানৰ ব্যৱস্থা কৰিছে। প্ৰতিটো সমষ্টিৰ প্ৰায় ১৫ হেজাৰ মহিলা এই আঁচনিৰ দ্বাৰা উপকৃত হৈছে। এতিয়া বিজেপিয়ে প্ৰকাশ কৰা ইস্তাহাৰত মহিলাসকলৰ বাবে অৰুণোদয় আঁচনিৰ জৰিয়তে ধাৰ্য কৰা ধন মাহে ৮৩০ টকাৰ পৰা তিনি হেজাৰলৈ বৃদ্ধি কৰা হ'ব বুলি প্ৰতিশ্ৰুতি দিয়া হৈছে। চৰকাৰে সমষ্টিয়ে সমষ্টিয়ে ১৫ হেজাৰ বা ততোধিক মহিলাক প্ৰতি মাহে তিনি হেজাৰকৈ নগদ ধন দিবলৈ ধন ক'ৰ পৰা পাব বুলি প্ৰশ্ন উত্থাপিত হৈছে। ইতিমধ্যে এনে ধৰণৰ নগদ ধনৰ আঁচনিয়ে বহু দৰিদ্ৰ মহিলাক আকৰ্ষণ কৰিছে। বিজেপিৰ নেতা তথা মন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্যই মুকলিকৈ কৈছে যে এনে ধৰণৰ আঁচনি বিজেপিৰ বাবে ভোট আহৰণৰ তুৰুপৰ তাচৰ দৰে হৈছে। এইখন আঁচনি যে ভোটদাতাক আকৰ্ষণৰ বাবে ৰূপায়ণ কৰিবলৈ লৈছে, তাক বিজেপিয়ে লুক-ঢাক কৰা নাই। আগেয়ে গোপনে ধুতি-কম্বল-লোটা দি শাসক দলে ভোট কিনিছিল, আজি-কালি চৰকাৰী ধনেৰে শাসক দলে ভোট কিনিবলৈ লৈছে। দেশত নিকা পদ্ধতিৰে নিৰ্বাচন পৰিচালনাৰ বাবে নিৰ্বাচন আয়োগ আছে যদিও আয়োগ বৰ্তমান শাসক দলৰ যন্ত্ৰত পৰিণত হৈছে বুলি বিভিন্ন মহলে সমালোচনা কৰি আহিছে। নহ'লে নিৰ্বাচনৰ এমাহ আগেয়ে এনে ধৰণৰ আঁচনি হাতত লোৱাত আয়োগে বাধা দিলেহেঁতেন বুলিও সমালোচকসকলে মন্তব্য কৰিছে।

বিজেপিয়ে এইবাৰৰ নিৰ্বাচনী ইস্তাহাৰত সকলো চৰকাৰী বিদ্যালয়ত অষ্টম শ্ৰেণী আৰু তাৰ ওপৰৰ শ্ৰেণীত পঢ়ি থকা সকলো ছাত্ৰ-ছাত্ৰীকে বিনামূলীয়াকৈ চাইকেল দিয়াৰ প্ৰতিশ্ৰুতি দিছে। আনহাতে, যোৱাবাৰ ইস্তাহাৰত বছৰি ২৫ লাখকৈ চাকৰি দিয়াৰ প্ৰতিশ্ৰুতি পূৰণ কৰিব নোৱাৰিলেও এইবাৰ দুই লাখ যুৱক-যুৱতীক নিযুক্তি দিয়াৰ প্ৰতিশ্ৰুতি দিছে। অহা এবছৰৰ ভিতৰত এক লাখ লোকক চাকৰি দিব বুলি প্ৰতিশ্ৰুতি দিছে। ক'ৰপৰা কেনেদৰে ইমান চাকৰি বা নিযুক্তিৰ সৃষ্টি কৰিব, তাৰ কোনো ব্যাখ্যা দিয়া হোৱা নাই। তদুপৰি চৰকাৰী বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীক বিনামূলীয়া শিক্ষা প্ৰদানৰ প্ৰতিশ্ৰুতিও দিছে।

কংগ্ৰেছে প্ৰকাশ কৰা নিৰ্বাচনী ইস্তাহাৰতো যথেষ্ট অৰ্থনৈতিক পেকেজ আগবঢ়াইছে; কিন্তু কংগ্ৰেছেও ঘোষণা কৰা আঁচনিৰ ধনবোৰ ক'ৰপৰা আহিব, তাৰ ব্যাখ্যা দিয়া নাই। জনসাধাৰণে বিৰোধী দলৰ প্ৰতিশ্ৰুতিক মূল্য নিদিলেও শাসক দলৰ প্ৰতিশ্ৰুতিলৈ চকু দিয়ে; কিন্তু ২০১৬ৰ নিৰ্বাচনী ইস্তাহাৰত বিজেপিয়ে দিয়া প্ৰতিশ্ৰুতিবোৰৰ সৰহভাগেই ৰূপায়িত নহ'ল। এইবাৰ নিৰ্বাচনী ইস্তাহাৰৰ জৰিয়তে বিজেপিয়ে যি ১০টা সংকল্প আগবঢ়াইছে তাৰ বাস্তৱায়ন সময়তহে বুজিব পৰা যাব; কিন্তু নিৰ্বাচনৰ আগেয়ে ৰাজনৈতিক দলসমূহে দিয়া প্ৰতিশ্ৰুতিৰ এতিয়া কোনো মূল্য নাই। কংগ্ৰেছত থাকোতে বৰ্তমানৰ বিজেপিৰ বিয়াগোম মন্ত্ৰী এগৰাকীয়ে নিৰ্বাচনী প্ৰতিশ্ৰুতি ভংগৰ প্ৰসংগত কৈছিল যে নিৰ্বাচনী প্ৰতিশ্ৰুতিবোৰ জনসাধাৰণে গুৰুত্ব সহকাৰে ল'ব নালাগে। ২০১৪ৰ লোকসভাৰ নিৰ্বাচনত প্ৰতিটো পৰিয়ালৰ একাউন্টত ১৫ লাখকৈ টকা বিদেশত গচ্ছিত ক'লাধন উদ্ধাৰ কৰি দিয়া প্ৰতিশ্ৰুতি সন্দৰ্ভতো একে কথাই কোৱা হৈছিল। তেনেহ'লে নিৰ্বাচনী ইস্তাহাৰত দিয়া প্ৰতিশ্ৰুতিসমূহো একেই নহয়তো!

## খোলা মঞ্চ

# আপুনি এইবাৰ কেনে ধৰণৰ চৰকাৰ বিচাৰে?

**চৰকাৰ** আহে আৰু যায়। কোনো এটা দলৰেই চৰকাৰ সদায় নাথাকে। থাকি যায় কেৱল তেওঁলোকে কৰা কৰ্মৰাজিৰ ভাল আৰু বেয়াখিনিহে। তেওঁলোকে কৰা ভাল কাম আৰু বেয়া কামৰ খতিয়ান ৰাইজৰ দৃষ্টিত সদায় জিলিকি থাকে। চৰকাৰ এখনৰ কাম-কাজৰ মাজত দেশ আৰু দেশৰ নাগৰিকৰ প্ৰগতি অথবা অধোগতিৰ কথা নিহিত হৈ থাকে। চৰকাৰৰ চকৰি যিফালে ঘূৰিব, দেশৰ চকৰিও সেইফালেই ঘূৰিব। চকৰি ঘূৰোৱা চৰকাৰী যন্ত্ৰৰ ওপৰতে সকলোবোৰ নিৰ্ভৰ কৰে। চৰকাৰ গঠন কৰা নিৰ্বাচিত প্ৰতিনিধিসকলে যদি ৰাইজৰ কথা ভাবি সৎ ভাৱেৰে কামত অৱতীৰ্ণ হয়, তেন্তে ৰাইজে প্ৰগতিৰ মুখ দেখা পাবলৈ সক্ষম হ'ব আৰু আমিও তেনে এখন চৰকাৰ হোৱাটোকে কামনা কৰো।

**সুশীল কুৰ্মী,** লেখক

কিন্তু বহু সময়ত বহু ওলোটা ছবিহে দেখিবলৈ পাওঁ। অমুক কৰিম, তমুক কৰিব বুলি ভুৱা আশ্বাস দি বৈতৰণী পাৰ হোৱাৰ পাছত সকলো পাহৰি যায়। ক'ত কিমান আধাৰশিলা স্থাপন কৰিলে, সেইবোৰ কথাও পাহৰি যায়। সমাজ সেৱাৰ নামত যদি আত্মসেৱা হয় আৰু মানৱপ্ৰেমৰ নামত যদি টকা প্ৰেম হয়, তেন্তে সমাজৰ প্ৰগতিৰ দুৱাৰডলিত হেঙাৰ পৰাটো স্বাভাৱিক। চৰকাৰী যন্ত্ৰত তেনে লোকৰ অৱস্থানত চৰকাৰৰ ভাৱমূৰ্তি ম্লান পৰাৰ লগতে দেশ তথা সমাজৰ প্ৰগতিৰ বাটত বাধাৰ সৃষ্টি কৰে। তেনে এখন চৰকাৰ আমাৰ কাম্য নহয়। এবাৰ ক্ষমতাৰ সোৱাদ পোৱা নেতাসকলে ক্ষমতা পাবলৈ নীতি-আদৰ্শ সকলো বিসৰ্জন দি ৰাতিৰ ভিতৰতে দল বাগৰি গণতান্ত্ৰিক ৰাজনীতিৰ প্ৰমূল্যবোধত কালিমা সানে। ৰাজনীতিৰ পথাৰখন এনে হোৱাটো অতি পৰিতাপৰ কথা।

**আমি অন্তকৰণেৰে বিচাৰো এখন স্বজনপ্ৰীতি, দুৰ্নীতিমুক্ত, নিকা ভাৱমূৰ্তিৰ মংগলকামী জনতামুখী চৰকাৰ**

মুঠৰ ওপৰত আমি অন্তকৰণেৰে বিচাৰো এখন স্বজনপ্ৰীতি, দুৰ্নীতিমুক্ত, নিকা ভাৱমূৰ্তিৰ মংগলকামী জনতামুখী চৰকাৰ।

ফোন : ৯৪৩৫০৮০১৫৯

# বিৰোধী ঐক্যত আতংকিত শাসক দল

# 'কা'ৰ স্থিতিয়ে নিৰ্ধাৰণ কৰিব অসমবাসীৰ ভোট





**নিউজ স্কেন**
**গীতাৰ্থ পাঠক**

নিৰ্বাচনৰ সময়ত জাতি, উপজাতি, ধৰ্ম, সম্প্ৰদায় আদিৰ খেল নতুন নহয়। স্বাধীনতাৰ পাছৰে পৰা আমাৰ দেশৰ ৰাজ্য বিধানসভা, লোকসভা, পঞ্চায়ত, পৌৰসভা আৰু স্বায়ত্তশাসিত অঞ্চলসমূহৰ নিৰ্বাচনতো জাতি-ধৰ্ম, ভাষা-ভাষী তথা সম্প্ৰদায়ৰ নামত ভোটৰ মেৰুকৰণ চলে। সম্প্ৰতি হিন্দুত্ববাদৰ পুনৰুত্থানৰ দিনত নিৰ্বাচনত সাম্প্ৰদায়িক বিভাজন প্ৰকট হৈ পৰিছে।

এসময়ত ধৰ্মই ৰাজনীতি পৰিচালনা কৰিছিল। ইউৰোপীয় দেশসমূহত চৰকাৰৰ ওপৰত গিৰ্জাৰ নিয়ন্ত্ৰণৰ বিষয়ে আমি সকলোৱে জানো। আমাৰ দেশতো শাসকৰ ওপৰত ধৰ্মগুৰুৰ প্ৰভাৱৰ বিষয়ে আমি জানো। পিছে সময়ৰ সোঁতত বিশেষকৈ মানৱ সভ্যতা আগবাঢ়ি অহাৰ লগে লগে শাসন আৰু ধৰ্মৰ মাজৰ অবৈধ মিলন বিচ্ছিন্ন হৈ পৰে। পিছে এতিয়াও তাৰ অৱশেষ শেষ হোৱা নাই। সম্প্ৰতি কেন্দ্ৰত বিজেপি চৰকাৰ প্ৰতিষ্ঠা হোৱাৰে পৰা আমাৰ দেশত পুনৰ ধৰ্ম আৰু শাসনৰ মহামিলন আৰম্ভ হৈছে। হিন্দুত্ববাদৰ ৰাজনৈতিক সাফল্য দেখি অন্যান্য ধৰ্মনিৰপেক্ষ বুলি দাবী কৰা দলসমূহৰ একাংশই বিজেপিৰ কঠিন হিন্দুত্ববাদৰ বিপৰীতে নৰম হিন্দুত্ববাদ আৰম্ভ কৰিছে। দিল্লীত সফলভাৱে শাসনভাৰ চলোৱা আম আদমীৰ দৰে দলেও কাশ্মীৰক বিশেষ ক্ষমতা প্ৰদান কৰা সংবিধানৰ ৩৭০ ধাৰা বাতিল কৰাত সমৰ্থন জনাই নৰম হিন্দুত্ববাদ প্ৰদৰ্শন কৰিছে। আনকি কংগ্ৰেছ দলেও ঠায়ে ঠায়ে নৰম হিন্দুত্ববাদ প্ৰদৰ্শন কৰা আমি দেখিছো। মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰী হৈ থাকোতে কংগ্ৰেছৰ নেতা কমল নাথে গো-হত্যা কৰাৰ অপৰাধত তিনিগৰাকী ব্যক্তিক ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ অধীনত গ্ৰেপ্তাৰ কৰি এনে এক উদাহৰণ দাঙি ধৰিছিল। আমাৰ দেশত হিন্দু সম্প্ৰদায় সংখ্যাগুৰু। গতিকে সংখ্যাগুৰুৰ ভোট পোৱাৰ বাবে নৰম হিন্দুত্বৰ নীতি প্ৰায়বোৰ ৰাজনৈতিক দলেই লোৱা দেখা যায়। সম্ভৱতঃ বাওঁপন্থী দলসমূহ এই ক্ষেত্ৰত ব্যতিক্ৰম। বাওঁপন্থীসকলে সাম্প্ৰদায়িক ৰাজনীতি কৰা আমি দেখা নাই। বাকী সকলোবোৰ দলৰ এই ক্ষেত্ৰত দাড়ি-চুলি পকা।

বৰ্তমান অসমত চলি থকা নিৰ্বাচনী প্ৰচাৰৰ সময়ত অসমৰ এগৰাকী শক্তিশালী মন্ত্ৰীয়ে কৈছে যে তেওঁক মুছলমানৰ (চাচাসকলৰ) ভোটৰ দৰকাৰ নাই। অথচ এইগৰাকী নেতা যেতিয়া কংগ্ৰেছত আছিল আৰু মুখ্যমন্ত্ৰী হোৱাৰ দুৰ্বাৰ বাসনাৰে চিপৰাং মৰা ৰাজনীতিত মত্ত হৈছিল, তেতিয়া তেওঁ তদানীন্তন গুজৰাটৰ মুখ্যমন্ত্ৰী নৰেন্দ্ৰ মোদীক সমালোচনা কৰি কৈছিল যে গুজৰাটৰ পানীৰ নলেৰে মুছলমানৰ তেজ বয়। আমাৰ অসম বিধানসভাৰ এইবাৰৰ নিৰ্বাচনত টিকট নোপোৱাৰ পাছত কংগ্ৰেছৰ মানুহ বিজেপিলৈ আৰু বিজেপিৰ নেতা কংগ্ৰেছলৈ দল সলনি কৰি আহি নিশাটোৰ ভিতৰতেই প্ৰতিদ্বন্দ্বী দলৰ প্ৰাৰ্থী হিচাপে টিকট পাইছে। ইমানদিনে বিজেপিত থাকি মুছলমানক সমালোচনা কৰা নেতাই এতিয়া কংগ্ৰেছলৈ আহি ধৰ্মনিৰপেক্ষ বক্তৃতা দি সাম্প্ৰদায়িক নীতিৰ বাবে বিজেপিক সমালোচনা কৰিবলৈ লৈছে। একে ধৰণৰ ঘটনা ঘটিছে যেতিয়া ইমানদিনে কংগ্ৰেছী ৰাজনীতি কৰি অৱশেষত প্ৰাৰ্থিত্ব নোপোৱাৰ বাবেই বিজেপিত যোগদান কৰি কংগ্ৰেছক তথাকথিত ধৰ্মনিৰপেক্ষ দল বুলি সমালোচনাত মত্ত হৈছে।

বিজেপিয়ে নিৰ্বাচনৰ আগৰ পৰাই অসমৰ ভোটবোৰ হিন্দু আৰু মুছলমানত ভাগ ভাগ কৰাৰ বাবে মুছলমানৰ বিৰুদ্ধে ঘৃণাৰ উদ্ৰেক কৰিবলৈ নানা ধৰণৰ প্ৰচাৰ কৰি আহিছে। যেনে— এইবাৰ অসম বিধানসভাৰ ভোটযুদ্ধখনক শৰাইঘাটৰ ৰণ তথা হিন্দু-মুছলমানৰ ৰণ আখ্যা দিয়া, এ আই ইউ ডি এফ নেতা বদৰুদ্দিন আজমলক অসমৰ গণশত্ৰু তথা ৰাজনৈতিক খলনায়কত পৰিণত কৰাৰ বাবে বিজেপি তথা এই দলৰ সহযোগী সংগঠনসমূহে দিনে-নিশাই চেষ্টা কৰি থকা আমি দেখিছো। কংগ্ৰেছে এ আই ইউ ডি এফৰ স'তে নিৰ্বাচনী মিত্ৰতা কৰাৰ পাছতেই আতংকিত হৈ পৰিছে বিজেপি মহল। আনহাতে, কংগ্ৰেছৰ নেতৃত্বত গঠিত মহাজোঁটত বাওঁপন্থী আৰু অন্যান্য দলৰ যোগদানে বিজেপিৰ নিদ্ৰা হৰিছে। সেয়েহে প্ৰতি দুদিনৰ মূৰে মূৰে প্ৰধানমন্ত্ৰী, গৃহমন্ত্ৰীকে ধৰি অসমত নিৰ্বাচনী প্ৰচাৰ চলাবলৈ বিজেপিৰ বৰমূৰীয়াসকল আহিবলৈ ধৰিছে। অসমৰ বানপানীৰ সময়ত তথা 'কা' বিৰোধী আন্দোলনৰ সময়তো এইসকল কেন্দ্ৰীয় মন্ত্ৰী অসমলৈ আহিবলৈ সময় উলিয়াব পৰা নাছিল। সি যি কি নহওক, বদৰুদ্দিন আজমলক হেনো অসমৰ বিজেপিয়ে দিছপুৰলৈ আহিব নিদিয়েই। বদৰুদ্দিন আজমলৰ দলৰ অসমৰ বিধানসভাত ১৩ গৰাকী বিধায়ক আছেই। এগৰাকী সাংসদো আছে দিল্লীত। বিজেপিয়ে বদৰুদ্দিনৰ দলৰ বিধায়ক, সাংসদ হোৱাত বাধা দিব পৰা নাই। বদৰুদ্দিন আজমল এগৰাকী ভাৰতীয় নাগৰিক। ভাৰতীয় নাগৰিক হোৱাৰ সূত্ৰে তেওঁৰ এগৰাকী নাগৰিকে পোৱা সকলো অধিকাৰ তেওঁৰ আছে। তেওঁৰ ভোটাধিকাৰ আছে, নিৰ্বাচনত প্ৰাৰ্থী হোৱাৰ অধিকাৰ আছে, বিধায়ক, সাংসদ হোৱাৰ অধিকাৰ আছে, মন্ত্ৰী হোৱাৰ অধিকাৰ আছে আনকি অসমৰ মুখ্যমন্ত্ৰী হোৱাৰ অধিকাৰো আছে। বদৰুদ্দিন আজমল অসমৰ মুখ্যমন্ত্ৰী হ'লে অসমখন পাকিস্তান হৈ যাব নে বাংলাদেশ হ'ব? এই প্ৰশ্নৰ উত্তৰ পাছতো শুনিব পাৰো; কিন্তু বদৰুদ্দিন আজমল মুখ্যমন্ত্ৰী, ৰাষ্ট্ৰপতি কিম্বা প্ৰধানমন্ত্ৰী হোৱাৰো অধিকাৰ আছে। অকল বদৰুদ্দিন আজমলৰ নহয়, অসমৰ যিকোনো মুছলমান সম্প্ৰদায়ৰ নাগৰিকৰ এই অধিকাৰ আছে। যদি তেওঁৰ সেই অধিকাৰ আছে তেনেহ'লে অসমৰ

***বদৰুদ্দিন আজমল এগৰাকী ভাৰতীয় নাগৰিক। ভাৰতীয় নাগৰিক হোৱাৰ সূত্ৰে তেওঁৰ এগৰাকী নাগৰিকে পোৱা সকলো অধিকাৰ তেওঁৰ আছে। তেওঁৰ ভোটাধিকাৰ আছে, নিৰ্বাচনত প্ৰাৰ্থী হোৱাৰ অধিকাৰ আছে, বিধায়ক, সাংসদ হোৱাৰ অধিকাৰ আছে, মন্ত্ৰী হোৱাৰ অধিকাৰ আছে আনকি অসমৰ মুখ্যমন্ত্ৰী হোৱাৰ অধিকাৰো আছে***

জনসাধাৰণক কিহৰ ভয় দেখুৱাইছে বিজেপিয়ে। অসমৰ পৰা গৈ প্ৰয়াত ফখৰুদ্দিন আহমেদ ভাৰতৰ ৰাষ্ট্ৰপতি হৈছিলচোন। ফখৰুদ্দিন আহমেদ ভাৰতৰ ৰাষ্ট্ৰপতি হোৱাৰ পাছত ভাৰত পাকিস্তান হ'ল নে বাংলাদেশ হ'ল? বিজেপিয়েচোন এ পি জে আব্দুল কালামক ৰাষ্ট্ৰপতি পাতিছিল। আব্দুল কালামৰ যদিহে ভাৰতৰ ৰাষ্ট্ৰপতি হোৱাৰ অধিকাৰ আছিল তেনেহ'লে বদৰুদ্দিন আজমলৰ বিধায়ক, সাংসদ, মন্ত্ৰী তথা মুখ্যমন্ত্ৰী হোৱাৰ অধিকাৰ কিয় নাই। এ পি জে আব্দুল কালাম দেশখনৰ ৰাষ্ট্ৰপতি হোৱাত যদিহে ভাৰতবৰ্ষত মুছলমানৰ ৰাজত্ব হোৱা নাই তেনেহ'লে বদৰুদ্দিন আজমল অসমৰ মুখ্যমন্ত্ৰী হ'লে সেইটো হ'ব কিয়? এইবাৰ অসম বিধানসভাৰ নিৰ্বাচনত আজমলক দানৱ আখ্যা দি আক্ৰমণৰ লক্ষ্য কৰি লৈছে বিজেপিয়ে ৰাজ্যখনৰ হিন্দু ভোটৰ মেৰুকৰণৰ বাবে।

কিন্তু এইবাৰ হিন্দু ভোটৰ মেৰুকৰণ নহয়। অথবা হ'লেও আংশিকভাৱে হ'ব পাৰে। কাৰণ অসমৰ জনসাধাৰণৰ বাবে এইবাৰ গুৰুত্বপূৰ্ণ নিৰ্বাচনী ইছ্যু হ'ল নাগৰিকত্ব (সংশোধনী) আইন বা 'কা'। পশ্চিমবংগত বিজেপিয়ে নিৰ্বাচনী প্ৰচাৰত কৈয়েই দিছে যে বিজেপিয়ে শাসনলৈ আহিলেই ৰাজ্যখনত 'কা' আইন বলৱৎ কৰিব। বিজেপিৰ যুক্তি উদ্ভুট। এফালে অসমত থকা বিদেশী নাগৰিকসকলক অসম চুক্তিৰ আধাৰত বহিষ্কাৰ কৰিব, আনহাতে, হিন্দু বিদেশী নাগৰিকসকলক নাগৰিকত্বও প্ৰদান কৰিব। অসমৰ ৰং গেৰুৱা কৰিবলৈ গৈ বিজেপিয়ে অসমলৈ বিজতৰীয়া সংস্কৃতি মাতি আনিছে। অসমৰ ৰাস্তা-ঘাট আৰু চৰকাৰী আঁচনি, কলেজ আদি দীনদয়াল উপাধ্যায়ৰ নামত কৰি পেলোৱা আৰু বাণীকান্ত কাকতিৰ নামত অসম চৰকাৰে শ্মশানৰ নাম দিছে। প্ৰধানমন্ত্ৰী মোদীয়ে নিজৰ নামতেই গুজৰাটত ষ্টেডিয়াম খুলিছে।

বিহপুৰীয়াত নিৰ্বাচনী প্ৰচাৰ চলাবলৈ গৈ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে বদৰুদ্দিন আজমলৰ দলটোৰ বিৰুদ্ধে অভিযোগ তুলি কৈছে যে এই দলটো ১৪টা মৌলবাদী সংগঠনে জন্ম দিছে। যদি সেয়াই হয়, চৰকাৰে কিয় হাত সাৰটি বহি আছে, আজমলক ৰাষ্ট্ৰীয় নিৰাপত্তা আইন, দেশদ্ৰোহিতাৰ আইনৰ বলেৰে কাৰাগাৰত নিক্ষেপ নকৰে কিয়? কোনো ধৰণৰ সাংঘাতিক অপৰাধ নথকা ৰাজনৈতিক প্ৰতিদ্বন্দ্বী অখিল গগৈক জামিন নিদিয়াকৈ কাৰাগাৰত বন্দী কৰি ৰাখিছে বিজেপি চৰকাৰে। দেশদ্ৰোহিতাৰ অভিযোগ আনিছে অখিল গগৈৰ বিৰুদ্ধে। প্ৰতিপক্ষক কাৰাগাৰত বন্দী কৰি ৰাখি নিষ্কন্টক হৈ নিৰ্বাচন খেলিবলৈ লৈছে বিজেপিয়ে। সাহস যদি আছে, তেনেহ'লে অখিল গগৈক মুক্ত কৰি দি তেওঁৰ মুখামুখি হওক। আজমলক তেনেহ'লে সোণোৱাল চৰকাৰে বন্দী কিয় কৰিব পৰা নাই? অসমৰ দুৰ্ভাগ্য এয়ে যে এগৰাকী ৰাজনৈতিক সামাজিক নিৰপৰাধী নেতাক বছৰৰ পাছত বছৰ ধৰি কাৰাগাৰত জামিনবিহীনভাৱে বন্দী কৰি ৰাখিছে অথচ আমি যদি এইবাৰ বিধানসভা নিৰ্বাচনৰ প্ৰাৰ্থীসকলৰ মনোনয়ন পত্ৰত দিয়া ঘোষণাৰ ফালে চাওঁ তেনেহ'লে দেখিবলৈ পাওঁ যে শাসক আনকি কেতবোৰ বিৰোধী দলৰো নেতাৰ আছে জঘন্যতম অপৰাধৰ অভিলেখ বা অভিযোগ। তথাপি এইসকলে উন্মুক্তভাৱে ঘূৰি ফুৰিছে; কিন্তু অখিল গগৈৰ তেনে ধৰণৰ কোনো জঘন্য অপৰাধ নথকা সত্ত্বেও কেৱল ৰাজনৈতিকভাৱে নিষ্কন্টক হোৱাৰ বাবে চৰকাৰে তেওঁক কাৰাবন্দী কৰি ৰাখিছে। দুৰ্ভাগ্যজনক বিষয় যে অসমৰ বিয়াগোম সংগঠনসমূহে অখিলৰ মুক্তিৰ দাবী উত্থাপন কৰিলেও তাক এক আন্দোলনত পৰিণত কৰিব পৰা নাই।

সমগ্ৰ অসমে 'কা'ৰ বিৰোধিতা কৰি ৰাজপথলৈ ওলাই আহিছিল। সেই 'কা' বিৰোধী আন্দোলনটোক কৰ'নাৰ সুবিধা লৈ চৰকাৰে দমন কৰিলে যদিও অসমবাসীয়ে সেই দমন মানি নলয়। অসমবাসীয়ে আঠশ ছহিদৰ জীৱনৰ বিনিময়ত অৰ্জন কৰা অসম চুক্তিখনক বিশ্বাসঘাতকতা কৰা যিকোনো শক্তিৰ বিৰুদ্ধে মাৰ বান্ধি যুঁজিব লাগিব। নিৰ্বাচনৰ আগে আগে চাৰি-পাঁচ টকাকৈ পেট্ৰ'ল-ডিজেলৰ দাম কমাই দিয়া, মদৰ দাম হ্ৰাস কৰা আদি শাসকীয় ললিপপত অসমবাসী ভোল যাব নালাগিব। বিজেপিৰ অসম বিৰোধী নীতি তথা 'কা' অসমে নামানে। নিবনুৱাক চাকৰি দিয়াৰ প্ৰলোভন দেখুৱাই নিবনুৱাৰ সংখ্যা ৪০ লাখলৈ বৃদ্ধি কৰাৰ প্ৰতাৰণা অসমবাসীয়ে মানিব কিয়? বিশুদ্ধ খোৱাপানী যোগান ধৰাত ব্যৰ্থ হোৱা ৰাজ্য চৰকাৰে ৰাজ্যখনৰ উন্নয়ন কৰা যি দাবী কৰিছে, সেয়া অবান্তৰ। পানীযোগান আঁচনিসমূহত সংঘটিত কেলেংকাৰিৰ তদন্ত কৰিলেই জোলোঙাৰ মেকুৰী ওলাই পৰিব।

প্ৰতাৰণা আৰু বিশ্বাসঘাতকতাৰ যোগ্য প্ৰত্যুত্তৰ দিয়াৰ এই বিধানসভাৰ নিৰ্বাচনেই উপযুক্ত সময়। অসমৰ অনুন্নয়নৰ প্ৰকৃত খলনায়ক কোন, সেয়া নিৰ্ধাৰণৰ এয়াই সময়।

ফোন : ৯৪৩৫০৪৮৪৮৪

# ৰাজনৈতিক নেতাসকল প্ৰকৃততে জনতাৰ সেৱকনে?

## বান-গৰাখহনীয়া, প্ৰাকৃতিক দুৰ্যোগ ইত্যাদিত সহায়-সহযোগ কৰাৰ বাবে সময় সুযোগ নোপোৱা ৰাজনৈতিক নেতাই নিৰ্বাচনত, ভোট ভিক্ষা কৰিব লগা হোৱাত সাউৎকৰে হৈ পৰে মানৱৰ অন্নদাতা





**আছুতীয়া চিন্তা**
**জয়কান্ত শৰ্মা (কনিষ্ঠ)**

এখন যুদ্ধ চলি আছে আমাৰ মুলুকত। নিৰ্বাচনী যুদ্ধ। এই যুঁজখনত কোন জিকে, কোন হাৰে, কোনে সন্তুষ্টিৰ শেষ হাঁহিটো মাৰে সেইটো এতিয়াও অনিশ্চয়তাৰ গৰাহত। চৰকাৰ গঠন কৰিব পৰা বা নোৱাৰাৰ অংকবোৰো বৰ্তমান ফলাফল শূন্য। মূল কথাটো হ'ল ৰাজনৈতিক নেতাবোৰে জনতাৰ একনিষ্ঠ সেৱক বুলি যে দাবী কৰে সেইটো হ'লে নিশ্চিত।

নিৰ্বাচনৰ প্ৰাক্কালত ৰাজনৈতিক নেতাবোৰে হাব-ভাব ভাষা আৰু ভাষণৰ মাধ্যমেৰে ক'ব খোজে— 'সেৱাৰ ভাৱেৰে আমি ৰাইজৰ অনন্ত সেৱক। জনতাৰ আশা-আকাংক্ষাৰ ঈপ্সিত বস্তি, সাহস আৰু শক্তি। আমি নেতাবোৰেই মানুহৰ খাদ্য-বস্ত্ৰ-বাসস্থানৰ সিদ্ধি বিনায়ক। গণতন্ত্ৰৰ নিৰৱচ্ছিন্ন ৰক্ষক আৰু তত্ত্বাৱধায়ক আমিয়ে।'

কিন্তু কথাবোৰ ভৱা আৰু কোৱামতে নহয়। দেশৰ সচেতন আৰু বিবেকবান নাগৰিকে সেইটো কোনোমতে মানি নলয়। তেওঁলোকে কয়—'নেতাবোৰ দুষ্ট-দগাবাজ। বদমাছৰ চূড়ামণি বগলী ভকত। দেশৰ নেতাই দুৰ্নীতি ভ্ৰষ্টাচাৰত নিমজ্জিত হৈ সমুদায় ধন-সম্পদ গো গ্ৰাসে গিলি থয়। গৰিব জনতাক ঠগি খায়। হৃদয়হীন নেতা-নেতৃত্বৰ জনগণৰ প্ৰতি দয়া-মৰম অলপো নাই।

অৱশ্যে এনেহেন বিশেষণ আৰু বিশ্লেষণ নেতাৰ একেবাৰে নহয় পছন্দ। ৰাইজ আৰু ৰজাৰ মাজত এইখিনিতে প্ৰায়ে লাগে দ্বন্দ্ব। গালি-গালাজ, কঠোৰ সমালোচনা কোনো নেতাই ভাল নাপায়। ভাল পাই তেওঁলোকে কৰি জনতাৰ সেৱা। আৰু ভাল পাই প্ৰজাৰ সুখ-শান্তি আৰু স্বাচ্ছন্দ্য। নিৰ্বাচনী সভাত তেওঁলোকে ভাষণ ৰাখে, প্ৰতিশ্ৰুতি দি প্ৰত্যয় নিয়াব খোজে—'শান্তি-সম্প্ৰীতি আমাৰ নীতি, সজ তথা সৎ কথাবোৰ সদায় কৰো কল্পনা। তাকে চিন্তা কৰি কৰিয়েই আমি কৰো স্বৰ্গাৰোহণ।'

কথাটো ফটফটীয়া আৰু স্পষ্ট যে প্ৰত্যেকতো ৰাজনৈতিক দলৰ নেতা-দালালে জনতাক বিশ্বাস জন্মাবলৈ চেষ্টাৰ ত্ৰুটি নকৰে। কথাই কথাই তেওঁলোকে উগাৰে— 'জানেনে? মিছা মিথ্যাচাৰৰ বাবে তাই আমাৰ অস্তিত্ব নাই। ঠগ-প্ৰবঞ্চনা, ছল-চাতুৰিৰ বিষাক্ত বীজ আমাৰ অন্তৰত নাই। মানৱ সেৱাই নেতাৰ ধৰ্ম। মানুহৰ স্বাভিমান, কলা-কৃষ্টি আৰু সংস্কৃতি ৰক্ষাই আমাৰ অব্যৰ্থ কৰ্ম। তথাপি দেখোন স্বাৰ্থান্বেষী লোকবোৰে আমাকে অধম বুলি কয়। নৰাধমৰ দৰে অপযশ আমাৰ নামৰ আগত লগাই থয়।'

পৰম সত্যটো সদাশয় জনতাই জানেনে? প্ৰকৃততে, খাই পাতচিৰা মানুহৰ একোতে শলাগ নাই। কৃতজ্ঞতা স্বীকাৰ কৰাৰ বাবে সাধাৰণ জ্ঞানকণো নাই। ৰজা-মন্ত্ৰীৰ পৰা পাই থাকিলেও, তেওঁলোকে দি থাকিলেও কোনো দিন শলাগ নলয়। পাবলৈ কৰা হেঁপাহৰ অন্ত নহয়। মানুহৰ মনত কেতিয়াও সুখ নাই, অতৃপ্ত মনত সুখ-শান্তি বোলা বস্তু নাই। সন্তুষ্টিতো নায়েই। তুষ্টিৰ তৃষ্ণা খৰস্ৰোতা নদী হৈ থাকে বৈ। সঁচাকৈয়ে মানুহ বোলা জীৱবিধ স্বভাৱতে অকৃতজ্ঞ। প্ৰবৃত্তিগতভাৱে অশলাগি। মানসিকভাৱে অতৃপ্ত-অসন্তুষ্ট। মানুহ সদায় কৃতজ্ঞতা স্বীকাৰ কৰাত আকিঞ্চন। প্ৰাপ্তজনে প্ৰাপ্তি লাভ কৰাৰ অন্ততো দাতাক বা উদ্যোক্তাক ধন্যবাদ এটা অন্তকৰণেৰে দিবলৈ অনীহা, অনিচ্ছুক। কৰ্মৰ কৃতিত্ব দিয়াৰ ক্ষেত্ৰতো বহুলোকে দৈন্যহে প্ৰকাশ কৰি দেখুৱায়। তেনে লোকে সচাৰচৰ কয়—ৰাজনৈতিক নেতাৰ বোলে হাতী পোৱালিৰ গাৰ দৰে বেংক বেলেঞ্চ বাঢ়ে। ভকুৱা বৰ্ষৰ গজালিৰ দৰে অট্টালিকাবোৰ আকাশলংঘীকৈ গঢ়ে। ধন-সম্পদৰ পাহাৰ বাঢ়ি বিস্তাৰিত হয় চৌদিশ।

প্ৰশ্নাতীতভাৱে সেইটোতো নেতা-দালালৰ অকল দোষ নহয়। ৰাজনৈতিক প্ৰেক্ষাপটত সেইবোৰ বিশেষ ধৰ্তব্যও নহয়। সেয়া যেন তেওঁলোকৰ এক অধিকাৰ। কাৰণ তেওঁলোকেই ৰজা, তেওঁলোকেই প্ৰজা, তেওঁলোকেই জনতাৰ চাকৰ। জনতাৰ একনিষ্ঠ সেৱক। প্ৰজাৰঞ্জক। তেওঁলোকে চৰকাৰ, প্ৰভু আৰু নিৰঞ্জন-নিৰাকাৰ। সকলো সেৱকৰ ওপৰতে নিৰ্ভৰ।

ৰাজনৈতিক নেতাবোৰে কাম জানো নকৰে ৰাইজৰ। কল্যাণকামী ৰাষ্ট্ৰত সকলো ৰজাইতো প্ৰজাৰঞ্জক! শান্তি-সম্প্ৰীতি, উন্নতি-প্ৰগতি গঢ়া ৰজাৰেই কাম। দিন-ৰাতি একাকাৰ কৰি তেনে ৰজাই কৰি যাই কাম, কৰে কঠোৰ শ্ৰম; কিন্তু চকু চৰহা লোকৰ টেলেকা চকু নেতা-নেতৃত্বৰ কামৰ ওপৰত। ঈগল চৰাইৰ দৰে তীব্ৰ-তীক্ষ্ণ দৃষ্টিও তাতেই। ভুল ত্ৰুটি বিচাৰে, মুৰ্গীৰ দৰে খোঁচৰে, আঁচনি অনুষ্ঠানৰ কঠোৰ সমালোচনা কৰি নেতিবাচক দিশবোৰহে নমুনা কৰে প্ৰচাৰ লেখকে। শানত দিয়া তৰোৱাল হেন বুদ্ধিজীৱীৰ কলমটো তীক্ষ্ণ ধাৰযুক্ত কৰি শিৰ কাটি যোৱাকৈ সমালোচনাত মত্ত হয়।

তথাপিতো নেতাবোৰে ভাবে তেওঁলোক মহান। জনতাৰ সেৱা-শুশ্ৰূষা, সুখ-শান্তি আৰু উন্নতিৰ বাহিৰে নাই আন চিন্তা। নিজৰ দায়িত্ব-কৰ্তব্য পালন কৰি নেতা-নেতৃত্ব আগুৱাই যায় অবিৰাম। তেওঁলোকৰ চিন্তা-ভাৱনাত জনতাই ভগৱান। মানুহে দেৱ, মানুহে সেৱ, মানুহ বিনে নাই কেৱ। মানুহৰ হাতত যে আছে এপাট ব্ৰহ্মাস্ত্ৰ। ভোট দিয়া-নিদিয়া, ইচ্ছা-অনিচ্ছা তেওঁলোকৰ হাতত। সেই কাৰণে হ'বলা নেতাবোৰে প্ৰথমতে মানুহৰ বাগিচাত মালীৰ কাম কৰে। তেওঁলোকৰ ৰক্তস্ৰোতত মৰম-চেনেহৰ ধল বাগৰে। মানুহৰ প্ৰতি অনুগ্ৰহ-অনুকম্পা বাঢ়ে নিৰ্বাচনৰ ঠিক আগে আগে। জনতাৰ ফুলনিতে অকল নহয় ৰাজনৈতিক নেতাৰ দেহৰ কোঁহে কোঁহে কনকচম্পা ফুল ফুলে যেতিয়া ভোটাৰৰ ঘৰে ঘৰে গৈ ভোট ভিক্ষা কৰে।

আপাততঃ নেতাৰ ভাব-ভাষাৰ পৰিৱৰ্তন লক্ষ্য কৰা হয়, মাত-কথাত তেওঁলোক সহজ-সৰল সৰু ল'ৰা-ছোৱালীৰ ৰূপ লয়। চতুৰ আৰু কৌশলী নেতাৰ মৌ বৰষা মিঠা মাতত হোজা-ভোলা ভোটাৰ সহজতে ভোল যায়। দুখীয়াৰ দুৱাৰে টুকুৰীয়াই ফুৰাৰ পৰত নিৰ্বাচনী প্ৰাৰ্থীৰ সুৰত সুমধুৰ স্বৰ-লালিত্যই যাদুকৰী দৰবৰ দৰে কাম কৰে। তেওঁলোকে স্বাভাৱিকতে ক'বলৈ হেলা নকৰে—'আমি ৰক্ষা কৰো দেশৰ জনতাক। অন্ন-বস্ত্ৰ-বাসস্থান দি পূজা কৰো প্ৰাণৰ প্ৰজাক। শত্ৰুৰ পৰা ৰক্ষা কৰো, প্ৰতিৰক্ষাৰ শলখা গঢ়ো, গড় বান্ধো আমি শতৰুৰ সীমাত।'

আৰু কিছুদূৰ আগবাঢ়ি গৈ নেতাই ক'বলৈ ভাল পাই— 'জনতাৰ দুখ-দুৰ্দশা নহয় আমাৰ পছন্দ। অভাৱ অসুবিধা সহ্য নহয়। আমাৰ কঁহুৱা কোমল কলিজা ভাঙি-ছিঙি ছুৰমাৰ হয় তেতিয়া, যেতিয়া বন্যাৰ্তৰ করুণ কান্দোন আৰু অসহায় চাৱনি আমি কৰো লক্ষ্য গৰু-মানুহ বানত ভাহি উটি যোৱাৰ দৃশ্য আমাৰ সহ্যৰ বাহিৰলৈ গুচি যায়; খাদ্য পানীৰ হাহাকাৰে আমাৰ মনবোৰ দুখায়।

কিনো কৰিম! অৰশ্যে উপায়ো আমাৰ হাতত নাই; বিধিৰ বিধান খণ্ডন নাযায়। সনাতন সত্য হ'ল মানুহৰ ভাগ্য-বিধাতা। বিধাতাই বিধি লিখি মানুহৰ কপালত যি লিপে সি কেতিয়াও মচ নাযায়; শিলৰ ৰেখাৰ দৰে মানুহৰ জীৱন কাল ছাঁ হৈ থাকি যায়।

কথাবোৰ বুজকচোন! বান-গৰাখহনীয়া, প্ৰাকৃতিক দুৰ্যোগ ইত্যাদিত সহায়-সহযোগ কৰাৰ বাবে সময় সুযোগ নোপোৱা ৰাজনৈতিক নেতাই নিৰ্বাচনত, ভোট ভিক্ষা কৰিব লগা হোৱাত সাউৎকৰে হৈ পৰে মানৱৰ অন্নদাতা। হিতাধিকাৰীৰ সৃষ্টিৰে, প্ৰতিশ্ৰুতিৰ বন্যাৰে হয় দুৰ্ভগীয়াৰ ভাগ্য দ্ৰষ্টা। এনেকুৱা সময়তে নেতাবোৰে গৰিবৰ উৰুখা পঁজাত গৈ বহে, খাই আৰু প্ৰয়োজনৰ তাগিদাত ৰাত্ৰি যাপন কৰি মহানতা দেখুৱায়।

তেনেকুৱা নেতা-নেতৃত্বই বগা সাজ পৰিধান কৰি (ধৰ্ম নিৰপেক্ষতাৰ বসন পিন্ধি লৈ) মহামানৱ মহাত্মাক সেৱা কৰে শতবাৰ। হঠাতে হ'ব খোজে তেওঁবোৰে দলিত পিছপৰা শ্ৰেণীৰ ত্ৰাণকৰ্তা ড° ভীমৰাও আম্বেদকাৰ।

এনেকুৱা কথা-কাণ্ডবোৰ দেখি শুনি বহুতে ক'ব খোজে, ৰাজনৈতিক নেতাবোৰ হেনো বিখ্যাত অভিনেতা। কথা-বতৰা, কলা-কৌশল আৰু সংলাপ প্ৰক্ষেপ কৰাত দেখুৱাই বেচ সুদক্ষতা। অভিনয়ত নিপুণ প্ৰাৰ্থীয়ে হঁহাৰ লগত হাঁহে, কন্দাৰ লগত কান্দে। জনতাৰ দুখত দুখিত নেতাৰ শোক বিলাপত কেতিয়াবা গছৰ পাতো সৰে।

নিৰ্বাচন বলিয়া ভোটাৰৰ আগত ৰাজনৈতিক নেতাই প্ৰায়ে কোৱা শুনো—'জনতাৰ ঐক্য-সংহতি আৰু সেৱাৰ অৰ্থে আমি পাহাৰ-ভৈয়াম, বৰাক-ব্ৰহ্মপুত্ৰ একাকাৰ কৰো। জাতি-মাটি-ভেটি ৰক্ষাৰ বাবে কাম কৰিও কদাচিৎ নাভাগৰো। বছৰ বছৰ মানৱ সেৱা কৰি আমাৰ মনত দেশপ্ৰেমৰ ঘনত্ব বাঢ়ে। ৰাজনীতি, অৰ্থনীতি, সমাজ নীতিৰ জ্ঞান-গৰিমা বৃদ্ধি হয় প্ৰতি বছৰে।'

জনপ্ৰিয়তা হ'ল নেতাৰ প্ৰকৃত মূলধন। ধনবল, বাহুবল এইবোৰ হ'ল অতিৰিক্ত সম্পদ। এইবোৰ থকা নেতাবোৰ স্বাভাৱিকতে ঈশ্বৰৰো মৰমিয়াল সন্তান। জনতাৰ সেৱক, ঈশ্বৰৰ সন্তান, সেই হেতুকে হ'বলা তেওঁলোক সাধাৰণ জনতাৰো সাক্ষাৎ ভগৱান।

কথাবোৰ কিন্তু মিছাও নহয়। যাগ-যজ্ঞ, পূজা-পাতল, ধূপ-ধূনাৰে নেতাবোৰে ৰাজহুৱা আৰতি কৰে; ৰাহু-কেতু, গ্ৰহ-নক্ষত্ৰক মৰ্ত্যৰ পৰা আহ্বান কৰে। তেওঁলোকেই স্বৰ্গৰ পৰা দেৱৰ দেৱতাক মৰতলৈ নমাই আনিব বিচাৰে। নদ-নদী, ভূমি পূঁজাত উৎসৱ মুখৰ পৰিৱেশ; অজ্ঞ জনতাৰো জানিবা সেয়াই আৱেশ।

এইবোৰকে দেখি-শুনি কিছুমান কাঠচিতীয়াই নেতা-নেতৃত্বক ভণ্ড তপস্বী বুলি ক'বলৈ কুণ্ঠাবোধ নকৰে। নেতাৰ তেনেকুৱা গোড়া-অন্ধবিশ্বাসী স্বৰূপ দেখি সচেতন-সমালোচকে সমালোচনাৰ তীক্ষ্ণ তীৰ মাৰে। নেতাসেৱক ভুৱা ভকত, বিড়াল-তপস্বী আৰু ভণ্ড বুলি ক'বলৈ সততে ভয় নকৰে।

সাম্প্ৰতিক কালত অৰ্থনৈতিক সাম্ৰাজ্যবাদ জানিব লাগিব পুঁজিবাদৰে আশীৰ্বাদ। পুঁজিবাদী অৰ্থনীতিৰ নিৰৱচ্ছিন্ন গোলাম সেই ৰাজনৈতিক নেতাবোৰ যিয়ে নিৰ্বাচনত খৰচ কৰিব পাৰে হেজাৰ হেজাৰ কৰোৰ তেওঁলোকেই বণিয়া-বেপাৰী, উদ্যোগপতি অৰ্বুদপতিক ঠুকি থাকিব লাগে নিতৌ ছালাম। খুব সম্ভৱ নেতাবোৰৰ সেয়াই মুখ্য কাম।

মনত প্ৰশ্ন জাগে—তাতেনো কি হ'ল? কাৰ কি ক্ষতি হ'ল? দেশখন ৰসাতলে গ'ল?

সত্য প্ৰকাশ কৰিবলৈ হ'লে 'কৰ্পোৰেট' গোষ্ঠীৰ কৃপাতে চলিছে দেশ। বহুজাতিক বণিয়াই নিজ নিজ সুবিধাৰ্থে ৰচনা কৰি যাব আইন-কানুন আৰু নীতি-নিৰ্দেশ। তেওঁলোকৰ আঙুলিৰ ঠাৰে-চিয়াঁৰে চলিব এতিয়া দেশ।

তৎসত্ত্বেও নেতাবোৰে সগৌৰৱে কয়— 'আমাৰ দেহত আছে বীৰ লাচিতৰ ৰক্ত, শক্তি আৰু বীৰত্ব। আমিয়ে আহোম ছ্যুকাফা, আমিয়ে আকবৰ; আমিয়ে অশোক, নৰনাৰায়ণ আৰু ভাস্কৰ। আমি হৈছো পৱন পুত্ৰ হনুমান, আমি নেতাবোৰেই প্ৰভু ৰাম আৰু ৰামভক্ত লক্ষ্মণ। কথাবোৰ সুস্থ আৰু শান্ত মগজুৰে মানি ল'ব পাৰিনে বাৰু?

ফোন : ৮৮২২১৮৬৭৯

## কল'ৰাডোত বন্দুকধাৰীৰ আক্ৰমণত নিহত কমেও ১০ জন



**নিউজ ব্যুৰ', কল'ৰাডো, ২৩ মাৰ্চ ঃ** আমেৰিকাৰ কল'ৰাডোৰ ব'ল্ডাৰ অঞ্চলত থকা কী ছুপাৰ্ছ নামৰ এখন বিপণীত বন্দুকধাৰীয়ে যোৱা নিশা চলোৱা এক আক্ৰমণত এজন আৰক্ষী বিষয়াসহ কমেও ১০ জন লোকৰ মৃত্যু হয়। এই ঘটনাত জড়িত থকাৰ সন্দেহত আৰক্ষীয়ে এজন লোকক গ্ৰেপ্তাৰ কৰিছে। কি উদ্দেশ্যেৰে ব্যক্তিজনে এই আক্ৰমণ সংঘটিত কৰিছিল সেই তথ্য এতিয়ালৈকে জানিব পৰা হোৱা নাই। কল'ৰাডোৰ আৱাসিক অঞ্চলত থকা কী ছুপাৰ্ছ নামৰ বিপণীখনত হঠাতে এজন ব্যক্তিয়ে প্ৰৱেশ কৰি জধে-মধে গুলিবৰ্ষণ কৰিছিল। এই আক্ৰমণত ঘটনাস্থলীতে ১০ জন লোকৰ মৃত্যু হয়। লগে লগে ঘটনাস্থলীত আৰক্ষীয়ে উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণৰ ব্যৱস্থা লোৱাৰ লগতে এজন লোকক গ্ৰেপ্তাৰ কৰে। ধৃত ব্যক্তিজনে আহত বুলি আৰক্ষীয়ে জানিবলৈ দিয়ে।

## শশী থাৰুৰৰ দৰে ইংৰাজী শিকাব ম'বাইল এপে, গোচৰ তৰিব কংগ্ৰেছী নেতাই



**নিউজ ব্যুৰ', তিৰুঅনন্তপুৰম, ২৩ মাৰ্চ ঃ** কংগ্ৰেছৰ তিৰুঅনন্তপুৰমৰ সাংসদ শশী থাৰুৰ ইংৰাজী বিশেষজ্ঞ হিচাপে পৰিচিত। বিশেষকৈ ইংৰাজীত বাৰ্তালাপৰ ক্ষেত্ৰত কংগ্ৰেছৰ এইজন সাংসদ যথেষ্ট দক্ষ। থাৰুৰৰ দৰে ইংৰাজীত দক্ষ হ'বলৈ ইচ্ছুক ব্যক্তিক কথিত ইংৰাজীৰ শিক্ষা প্ৰদান কৰিবলৈ এক বিজ্ঞাপন প্ৰকাশ কৰিলে এটা ম'বাইল এপে। সামাজিক মাধ্যমৰ জৰিয়তে এই ম'বাইল এপটোৱে দাবী কৰা মতে, তেওঁলোকে শশী থাৰুৰৰ দৰে কথিত ইংৰাজীৰ শিক্ষা ম'বাইলত প্ৰদান কৰিব। ম'বাইল এপটোৱে থাৰুৰৰ নাম আৰু ফটোও ব্যৱহাৰ কৰিছে। ব্লেকবৰ্'ড ৰেডিঅ' (বি বি আৰ) নামৰ এপৰ এই বিজ্ঞাপনত তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰিলে থাৰুৰে। কংগ্ৰেছৰ জ্যেষ্ঠ নেতাজনে টুইটাৰত কয়, 'মই স্পষ্টভাৱে কয় যে এই এপৰ স'তে মোৰ কোনো সম্পৰ্ক নাই। মই মোৰ নাম আৰু ফটোক এইদৰে বাণিজ্যিক উদ্দেশ্যেৰে অপব্যৱহাৰ কৰাৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰিম।'

## পৰিৱৰ্তন আহিলে পশ্চিমবংগলৈ যাব পাৰিম নে ঃ বিজেপিক প্ৰশ্ন তছলিমাৰ



**নিউজ ব্যুৰ', কলকাতা, ২৩ মাৰ্চ ঃ** বিজেপিয়ে প্ৰকৃতাৰ্থত পৰিৱৰ্তন আনিবলৈ সক্ষম হ'লে পশ্চিমবংগলৈ ফুৰিবলৈ যাব পাৰিব নে বুলি প্ৰশ্ন উত্থাপন কৰিলে স্বনিৰ্বাসিত বাংলাদেশী লেখিকা তছলিমা নাছৰিনে। টুইট কৰি বিতৰ্কিত লেখিকাগৰাকীয়ে কয়, '২০০৭বৰ্ষত পশ্চিমবংগৰ পৰা চি পি এমে মোক পশ্চিমবংগৰ পৰা বাহিৰ কৰি দিছিল। ২০০৯ৰ পৰা তৃণমূল কংগ্ৰেছে মোক পশ্চিমবংগত প্ৰৱেশ কৰিব দিয়া নাই। এইবাৰ যদি বিজেপিয়ে প্ৰকৃতাৰ্থত পৰিৱৰ্তন আনিবলৈ সক্ষম হয় তেন্তে মই বাংলাত ঘূৰা-ফুৰা কৰিব পাৰিম নে? কেৱল কথাতো ভাবিছোহে।' উল্লেখ্য যে ২০০৭ৰ পৰা তছলিমাই পশ্চিমবংগৰ পৰা আঁতৰি থাকিবলৈ বাধ্য হৈছিল। সেই সময়ত এখন গ্ৰন্থ ৰচনা কৰি মৌলবাদীৰ ৰোষৰ সন্মুখীন হৈছিল তছলিমা। পৰিণতিত তদানীন্তন বাম মৰ্চা চৰকাৰে তছলিমাক পশ্চিমবংগৰ পৰা বিতাড়ন কৰিছিল। ইয়াৰ পাছত ৰাজ্যখনত চৰকাৰ সলনি হ'লেও বিতৰ্কিত লেখিকাগৰাকীয়ে পশ্চিমবংগত প্ৰৱেশৰ অনুমতি লাভ কৰা নাছিল।



## ২১ বছৰ বয়সতে দিল্লীত কৰিব পাৰিব সুৰাপান

**নিউজ ব্যুৰ' নতুন দিল্লী, ২৩ মাৰ্চ ঃ** সুৰাপানৰ সৰ্বনিম্ন বয়স হ্ৰাস কৰিলে দিল্লী চৰকাৰে। দেশৰ ৰাজধানী চহৰখনত সুৰাপানৰ ক্ষেত্ৰত ইমানদিনে সৰ্বনিম্ন বয়স আছিল ২৫ বছৰ। কিন্তু একেবাৰতে চাৰি বছৰ হ্ৰাস কৰি এই সীমা ২১ বছৰ কৰা হ'ল। লগতে সুৰা বিক্ৰীৰ জৰিয়তে আয় বৃদ্ধিৰ লক্ষ্যৰে একাধিক নতুন পদক্ষেপ গ্ৰহণৰ কথা আজি ঘোষণা কৰিলে দিল্লীৰ উপ-মুখ্যমন্ত্ৰী মনীষ ছিছ'ডিয়াই। অৱশ্যে দিল্লীত বৰ্তমানে যিমানসংখ্যক সুৰাৰ বিপণী আছে, সংখ্যা সিমানতে সীমাবদ্ধ ৰখা হ'ব বুলিও উপ-মুখ্যমন্ত্ৰীজনে জানিবলৈ দিয়ে। উল্লেখ্য যে দেশৰ প্ৰায়বোৰ ৰাজ্যতে সুৰাপানৰ ন্যূনতম বয়স ২১ বছৰ আছিল যদিও দিল্লীত এই সীমা আছিল ২৫ বছৰ।

**কে'বাখনো ৰাজ্যত কৰ'নাৰ সংক্ৰমণ পুনৰ বৃদ্ধি ঃ তলাবন্ধৰ উৰা বাতৰিত শংকিত দেশৰ শ্ৰমজীৱী**

# তলাবন্ধৰ শংকা ঃ দুগুণ ভাড়া ভৰি ছুৰট ত্যাগ প্ৰৱাসী শ্ৰমিকৰ

**নিউজ ব্যুৰ' ছুৰট, ২৩ মাৰ্চ ঃ** গুজৰাটৰ ছুৰট চহৰত থকা প্ৰৱাসী শ্ৰমিকসকলে কৰ'নাৰ সংক্ৰমণ বৃদ্ধিৰ ফলত পুনৰ তলাবন্ধ হ'ব বুলি শংকা প্ৰকাশৰে চহৰ ত্যাগ কৰিবলৈ তৎপৰতা প্ৰদৰ্শন কৰিছে। কৰ'নাৰ সংক্ৰমণ বাঢ়িছে আৰু অচিৰে পুনৰ তলাবন্ধ হ'ব বুলি উৰা বাতৰি বিয়পি পৰাত ছুৰটৰ প্ৰৱাসী শ্ৰমিকসকলে দুগুণ ভাড়া আদায় দি নিজৰ গৃহ ৰাজ্যলৈ উভতি যাবলৈ সম্প্ৰতি হেতা-ওপৰা লগাইছে। মহানগৰ প্ৰশাসনে ইতিমধ্যে তলাবন্ধৰ কোনো সিদ্ধান্ত লোৱা নাই আৰু এয়া এক উৰা বাতৰি



বুলি স্পষ্টীকৰণ দিয়াৰ পাছতো একাংশ প্ৰৱাসী শ্ৰমিকে তলাবন্ধৰ শংকাত ভুগি তৎকালীনভাৱে ছুৰট ত্যাগ কৰিবলৈ যো-জা চলাইছে। উল্লেখ্য যে গুজৰাটৰ এইখন চহৰত বস্ত্ৰ আৰু অলংকাৰ উদ্যোগত হেজাৰ হেজাৰ প্ৰৱাসী শ্ৰমিক নিয়োজিত হৈ আহিছে। বিগত তলাবন্ধত এইসকল শ্ৰমিকে নিজ নিজ ৰাজ্যলৈ উভতি গৈছিল যদিও তলাবন্ধ প্ৰত্যাহাৰৰ পাছত লাহে লাহে ছুৰটলৈ প্ৰত্যাৱৰ্তন কৰিছিল। কিন্তু শেহতীয়াভাৱে কৰ'নাৰ সংক্ৰমণ পুনৰ দেশৰ কে'বাখনো ৰাজ্যত বৃদ্ধি পোৱাত শ্ৰমিকসকল শংকিত হৈ উঠে আৰু তেওঁলোকে গৃহৰাজ্যলৈ উভতি যাবলৈ সাজু হৈছে। ইতিমধ্যে একাংশ শ্ৰমিকে ছুৰট ত্যাগ কৰিছে। যথেষ্টসংখ্যক শ্ৰমিকে একেলগে ছুৰট ত্যাগ কৰিবলৈ সাজু হোৱাত পৰিবহণৰ সমস্যাত ভুগিছে আৰু একাংশ পৰিবহণ ব্যৱসায়ীয়ে দুগুণ ভাড়া আদায় লৈ শ্ৰমিকসকলক ঘৰলৈ যোৱাৰ ব্যৱস্থা কৰি দিছে।

## দেশত ২৪ ঘণ্টাত কৰ'নাত সংক্ৰমিত ৪০,৭১৫, মৃত্যু ১৯৯ জনৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৩ মাৰ্চ ঃ** দেশত দৈনিক কৰ'নাৰ সংক্ৰমণে মঙলবাৰেও ৪০ হেজাৰৰ সীমা অতিক্ৰম কৰে। সোমবাৰৰ তুলনাত আজি আক্ৰান্তৰ সংখ্যা প্ৰায় ছহেজাৰ হ্ৰাস পালেও কৰ'নাক লৈ উদ্বেগ অব্যাহত আছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ে প্ৰকাশ কৰা তথ্য অনুসৰি যোৱা ২৪ ঘণ্টাত দেশত ৪০,৭১৫ জন ক'ভিড-১৯ত সংক্ৰমিত হৈছিল আৰু এই সময়ছোৱাত ১৯৯ জনৰ মৃত্যু হয়। এতিয়ালৈকে ভাৰতত ক'ভিডত আক্ৰান্তৰ সংখ্যাই ১,১৬,৮৬,৭৯৬ অতিক্ৰম কৰিলে আৰু দেশজুৰি বৰ্তমানলৈকে ১,৬০,১৬৬ জন লোকে ক'ভিডত প্ৰাণ হেৰুৱালে। ভাৰতত ক'ভিড আক্ৰান্তৰ মৃত্যুৰ হাৰ হৈছে ১.৩৭ শতাংশ। দেশৰ ভিতৰতে সম্প্ৰতি মহাৰাষ্ট্ৰত সৰ্বাধিক ক'ভিড আক্ৰান্ত চিনাক্ত হৈছে। যোৱা ২৪ ঘণ্টাত ৰাজ্যখনত নতুনকৈ ২৪,৬৪৫ জন লোক ক'ভিড-১৯ত সংক্ৰমিত হয়। কেৰালাত ক'ভিডৰ সংক্ৰমণ কিছু হ্ৰাস পাইছে আৰু বৰ্তমানে ৰাজ্যখনত দৈনিক সংক্ৰমণ ডেৰ হেজাৰতকৈ অৱনমিত হৈছে। কৰ্ণাটক, তামিলনাডু, চত্তিছগড়, গুজৰাট, মধ্য প্ৰদেশত দৈনিক আক্ৰান্তৰ সংখ্যা ডেৰ হেজাৰৰ আশে-পাশে আছে। ইফালে, পঞ্জাৱত দৈনিক গড়ে দুহেজাৰৰ অধিক লোক কৰ'নাত আক্ৰান্ত হৈছে। হাৰিয়ানা আৰু দিল্লীতো দৈনিক গড়ে ৯০০ লোক কৰ'নাত আক্ৰান্ত হৈছে। দেশত বৰ্তমানে তিনি লাখ ৪৫ হেজাৰ সক্ৰিয় ক'ভিড আক্ৰান্ত আছে।

## সংক্ৰমণ বৃদ্ধি, যুৱ প্ৰজন্মকো কৰ'নাৰ টিকা প্ৰদানৰ দাবী পঞ্জাৱৰ মুখ্যমন্ত্ৰীৰ



**নিউজ ব্যুৰ', চণ্ডীগড়, ২৩ মাৰ্চ ঃ** পঞ্জাৱৰ মুখ্যমন্ত্ৰী কেপ্টেইন অমৰিন্দৰ সিঙে দেশৰ যুৱ প্ৰজন্মক কৰ'নাৰ প্ৰতিষেধক যথাশীঘ্ৰে প্ৰদান কৰিবলৈ দাবী জনালে কেন্দ্ৰীয় চৰকাৰক। মুখ্যমন্ত্ৰীজনে কয় যে ব্ৰিটেইনত ধৰা পৰা ক'ভিডৰ নতুন প্ৰজাতিয়ে ভাৰতৰ যুৱ প্ৰজন্মক বিশেষভাৱে প্ৰভাৱিত কৰিছে। কৰ'নাৰ ব্ৰিটিছ প্ৰজাতিৰ সংক্ৰমণ এতিয়ালৈকে ৮১ শতাংশলৈ ধৰা পেলোৱা হৈছে। দৰাচলতে পঞ্জাৱৰ পৰীক্ষণৰ বাবে প্ৰেৰণ কৰা ৪০১ নমুনাৰ ৮১ শতাংশত কৰ'নাৰ ব্ৰিটিছ ষ্ট্ৰেইনৰ সংক্ৰমণ চিনাক্ত কৰা হৈছে। পঞ্জাৱৰ মুখ্যমন্ত্ৰীজনে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক অনুৰোধ জনাই কয় যে ৬০ৰ অনূৰ্ধ্ব লোকসকলৰ টিকাকৰণ প্ৰক্ৰিয়া দেশত শীঘ্ৰে আৰম্ভ কৰা উচিত। উল্লেখ্য যে বৰ্তমানে দেশত ৬০ বছৰৰ ঊৰ্ধ্বৰ লোকসকলক কৰ'নাৰ প্ৰতিষেধক প্ৰদান কৰা হৈছে। তদুপৰি জটিল ৰোগত আক্ৰান্ত ৪৫ বৰ্ষৰ ঊৰ্ধ্বৰ লোকৰো টিকাকৰণ কৰা হৈছে।

## সন্তান প্ৰসৱৰ পাছতে কৰ'নাত মৃত্যু মাতৃৰ

**নিউজ ব্যুৰ' ছুৰট, ২৩ মাৰ্চ ঃ** ছুৰটৰ এখন অসামৰিক চিকিৎসালয়ৰ ক'ভিড ৱাৰ্ডত চিকিৎসক-কৰ্মীৰ অৱহেলাৰ গুৰুতৰ অভিযোগ উত্থাপিত হ'ল। ৱাৰ্ডত চিকিৎসাধীন এগৰাকী মহিলা ক'ভিড ৰোগীয়ে এটোপাল পানীৰ বাবে হাহাকাৰ কৰাৰ সময়ত উক্ত কোঠাত হাজিৰ নহ'ল কোনো কৰ্মচাৰী। মহিলাগৰাকীয়ে ভিডিঅ' কল কৰি তেওঁৰ দেওৰেকক সহায়ৰ বাবে অনুৰোধ জনায় আৰু



পৰিয়ালৰ লোকে হাস্পতালৰ চিকিৎসকৰ লগতে কৰ্মচাৰীক ফোনযোগে যোগাযোগ কৰি ঘটনাৰ বিষয়ে অৱগত কৰিছিল। কিন্তু ইয়াৰ পিছদিনা ২০ মাৰ্চত চিকিৎসকে মহিলাগৰাকীক মৃত ঘোষিত কৰে। উল্লেখ্য যে পুনম বেন নামৰ মহিলাগৰাকীয়ে যোৱা ১৮ মাৰ্চত চিকিৎসালয়খনত এটি কন্যা সন্তান জন্ম দিছিল। প্ৰসৱৰ পূৰ্বে কৰা পৰীক্ষাত পুনমৰ ক'ভিডৰ ফলাফল 'নিগেটিভ' আছিল যদিও পৰৱৰ্তী পৰীক্ষণত 'পজিটিভ' আহে। লগে লগে তেওঁক চিকিৎসকে ক'ভিড ৱাৰ্ডলৈ স্থানান্তৰিত কৰিছিল। পুনমৰ পৰিয়ালৰ লোকে চিকিৎসকৰ অৱহেলাত তেওঁৰ মৃত্যু হ'ল বুলি অভিযোগ কৰিছে।

## কোৱাৰেণ্টাইনত বিমানৰে ভ্ৰমণ, বিষয়াক সাক্ষাৎ, অতিথিশালালৈও গৈছিল দেশমুখ ঃ প্ৰমাণ দিলে ফড়নবিচে



**নিউজ ব্যুৰ', মুম্বাই, ২৩ মাৰ্চ ঃ** মহাৰাষ্ট্ৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী দেবেন্দ্ৰ ফড়নবিচে আজি এখন সংবাদমেলত গুণ্ডাকৰক লৈ উদ্ধৱ থাকৰেৰ চৰকাৰক কঠোৰভাৱে সমালোচনা কৰিলে। উদ্যোগপতি মুকেশ আম্বানীৰ বাসগৃহৰ ওচৰত বিস্ফোৰক ভৰ্তি বাহন ৰখাৰ ঘটনাৰ সন্দৰ্ভত যথেষ্ট চাঞ্চল্যকৰ তথ্য পোহৰলৈ আহিল বুলি দাবী কৰি ফড়নবিচে মহাৰাষ্ট্ৰৰ গৃহমন্ত্ৰী অনিল দেশমুখৰ বিৰুদ্ধে উত্থাপিত এশ কোটিটকীয়া গুণ্ডাকৰ সংগ্ৰহৰ সন্দৰ্ভত ৰাজ্য চৰকাৰখনক আক্ৰমণৰ লক্ষ্য হিচাপে ল'লে। গৃহমন্ত্ৰী দেশমুখক ৰক্ষণাবেক্ষণ প্ৰদান কৰা এন চি পিৰ মুৰব্বী শাৰদ পাৱাৰকো ফড়নবিচে আজি প্ৰশ্ন কৰিলে। ফড়নবিচে সংবাদমেলত কয় যে তেওঁ আজি দিল্লীলৈ যাব আৰু গৃহ সচিবক এই ঘটনাৰ চি বি আইৰ তদন্ত চলাবলৈ দাবী উত্থাপন কৰিব। উল্লেখ্য যে কালি এখন সংবাদমেলত পাৱাৰে কেতবোৰ নথিপত্ৰ প্ৰদৰ্শন কৰি দেশমুখ ফেব্ৰুৱাৰীত কৰ'নাত আক্ৰান্ত হৈ প্ৰথমে চিকিৎসালয়ত আৰু পাছত বাসগৃহত অকলশৰীয়াকৈ বাস কৰিছিল বুলি দাবী জনাইছিল। ফেব্ৰুৱাৰীত দেশমুখে কোনো ব্যক্তিক সাক্ষাৎ কৰা নাছিল বুলিও এন চি পিৰ মুৰব্বীয়ে দাবী কৰিছিল। আজি পাৱাৰৰ এই দাবী মিথ্যা বুলি অভিহিত কৰি ফড়নবিচে একাধিক নথিপত্ৰ প্ৰদৰ্শন কৰি কয়, 'এয়া কেনে ধৰণৰ কোৱাৰেণ্টাইন? কোৱাৰেণ্টাইনত থাকি এজন ব্যক্তিয়ে বিমানৰে ভ্ৰমণ কৰিছিল, বিষয়াক সাক্ষাৎ কৰিছিল আৰু অতিথিশালালৈ গৈছিল। ১৬ৰ পৰা ২৭ ফেব্ৰুৱাৰীলৈ দেশমুখ ঘৰত অকলে থকা নাছিল আৰু ইয়াৰ প্ৰমাণ মোৰ হাতত আছে। এই সকলো তথ্যপাতি মই তদন্তকাৰী সংস্থাক দিম।'



## বিস্ফোৰক ভৰ্তি গাড়ী কাণ্ড ঃ আৰক্ষী বিষয়াৰ গুপ্ত ডায়েৰীত ধন লেনদেনৰ প্ৰমাণ লাভ

**নিউজ ব্যুৰ', মুম্বাই, ২৩ মাৰ্চ ঃ দেশৰ বিশিষ্ট উদ্যোগপতি মুকেশ আম্বানীৰ মুম্বাইস্থিত বাসগৃহ এণ্টিলিয়াৰ সমীপত কিছুদিন পূৰ্বে উদ্ধাৰ হোৱা বিস্ফোৰক ভৰ্তি গাড়ীৰ ঘটনাত ধৃত মুম্বাই আৰক্ষীৰ বিষয়া শচীন ভাজেৰ সন্দৰ্ভত চাঞ্চল্যকৰ তথ্য লাভ কৰিলে ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থা (এন আই এ)ই। এন আই এৰ দলে ভাজেৰ এখন গোপন ডায়েৰী চি আই ইউৰ কাৰ্যালয়ৰ পৰা উদ্ধাৰ কৰিলে। অতি চতুৰ ভাজেয়ে এই ডায়েৰীত তেওঁৰ গোপন ধনৰ লেনদেনৰ তথ্যপাতি লিখি ৰাখিছিল। নগদ ধনৰ লেনদেনৰ বহু তথ্য গুপ্ত ডায়েৰীত উল্লেখ থকা বুলি এন আই এৰ সূত্ৰই ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰিছে। এন আই এয়ে কল'বাৰ পৰা ধৃত কনিষ্টবল বিনায়ক সিন্ধেৰ ফ্লেটৰ পৰা এটা প্ৰিণ্টাৰো জব্দ কৰে। এন আই এয়ে সন্দেহ কৰা মতে, এই প্ৰিণ্টাৰৰ জৰিয়তে স্ক'ৰ্পিঅ' গাড়ীত লাভ কৰা ভাবুকি পত্ৰখন ছপা কৰা হৈছিল।**

## ২০১৯ৰ মহাত্মা গান্ধী শান্তি বঁটা প্ৰয়াত চুলতান বিন ছয়ীদলৈ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৩ মাৰ্চ ঃ** ২০১৯ বৰ্ষৰ মহাত্মা গান্ধী শান্তি বঁটা আগবঢ়োৱা হ'ল ওমানৰ প্ৰয়াত সম্ৰাট চুলতান কাবুছ বিন ছয়ীদ আল ছয়ীদলৈ। গান্ধীজীয়ে গ্ৰহণ কৰা অহিংসাৰ পথেৰে দেশৰ সামাজিক, আৰ্থিক আৰু ৰাজনৈতিক সংস্কাৰ সাধন কৰিছিল ওমানৰ এইজন প্ৰয়াত শাসকে। এই কীৰ্তিক সন্মান প্ৰদৰ্শন কৰিবলৈ ভাৰত চৰকাৰে বিন ছয়ীদক মৰণোত্তৰভাৱে মহাত্মা গান্ধী শান্তি বঁটা প্ৰদানৰ সিদ্ধান্ত লয়। পূৰ্বে নেলছন মেণ্ডেলাৰ দৰে কিংবদন্তি পুৰুষে এই সন্মান লাভ কৰিছিল।

## হেঁচাত পৰি ম্যানমাৰৰ সেনাই মুক্তি দিলে সাংবাদিকক



**নিউজ ব্যুৰ', য়াংগুন, ২৩ মাৰ্চ ঃ** অশান্ত ম্যানমাৰত বিক্ষোভকাৰীক দমন কৰাৰ লগতে সামৰিক শাসকে একাধিক সাংবাদিককো গ্ৰেপ্তাৰ কৰিছিল। অৱশেষত আন্তৰ্জাতিক হেঁচাৰ সন্মুখীন হৈ বাৰ্মিজ আৰক্ষীয়ে মুকলি কৰি দিলে বি বি চিৰ এজন সাংবাদিকক। যোৱা শুকুৰবাৰে ম্যানমাৰৰ ৰাজধানী নাইপিদাউত এখন আদালতৰ সন্মুখত বাতৰি পৰিৱেশন কৰাৰ সময়তে বি বি চিৰ সাংবাদিক আউং থুৰাক এখন বগা গাড়ীৰে অহা কেইজনমান লোকে অপহৰণ কৰি নিছিল। পাছত জানিব পৰা মতে, বাৰ্মিজ সেনাৰ নিৰ্দেশতে সাংবাদিকজনক অপহৰণ কৰা হৈছিল। সাংবাদিকজনক মুক্তি দিবলৈ ব্ৰিটেইনসহ একাধিক দেশে হেঁচা প্ৰয়োগ কৰে আৰু অৱশেষত সোমবাৰে নিশা থুৰাক বাৰ্মিজ সেনাই মুক্তি দিয়ে। প্ৰকাশিত বাতৰি অনুসৰি সামৰিক অভ্যুত্থানৰ পাছৰে পৰা এতিয়ালৈকে বাৰ্মিজ সেনাই ৪০ জন সাংবাদিকক বাতৰি পৰিৱেশনৰ অভিযোগত গ্ৰেপ্তাৰ কৰিছে।



## কক্সবাজাৰত ৰোহিংগ্যা শৰণাৰ্থী শিবিৰত অগ্নিকাণ্ডত কমেও আঠজনৰ মৃত্যু

**নিউজ ব্যুৰ', কক্সবাজাৰ, ২৩ মাৰ্চ ঃ** ভয়াৱহ অগ্নিকাণ্ডত ভস্মীভূত হ'ল বাংলাদেশৰ ৰোহিংগ্যা শৰণাৰ্থীৰ শিবিৰ। কক্সবাজাৰৰ উখীয়া উপজিলাৰ বালুখালিত আঠ নম্বৰ ৰোহিংগ্যা শৰণাৰ্থী শিবিৰত সোমবাৰে সন্ধিয়া অগ্নিকাণ্ডৰ সূত্ৰপাত ঘটিছিল। বিশ্বৰ সৰ্ববৃহৎ শৰণাৰ্থীৰ শিবিৰ হিচাপে পৰিচিত কক্সবাজাৰৰ এই শিবিৰত থকা কমেও চাৰে ন হেজাৰৰ ঘৰ অগ্নিকাণ্ডত ভস্মীভূত হয়। এই অগ্নিকাণ্ডৰ ফলত প্ৰায় ৫০ হেজাৰ শৰণাৰ্থীয়ে উক্ত অঞ্চল ত্যাগ কৰিবলৈ বাধ্য হ'ল। অগ্নিকাণ্ডত এতিয়ালৈকে আঠজন লোকৰ মৃত্যু হোৱা বুলি জানিব পৰা গৈছে। তদুপৰি ঠেলা-হেঁচাৰ ফলত কমেও ৫০ জন লোক গুৰুতৰভাৱে আহত হৈছে। বাংলাদেশৰ কক্সবাজাৰত বিশাল অঞ্চলত ৩৪ টা শিবিৰ আছে আৰু ইয়াত ম্যানমাৰৰ পৰা বিতাড়িত শৰণাৰ্থীয়ে বসবাস কৰি আহিছে। প্ৰায় পাঁচঘণ্টা ধৰি অগ্নিনিৰ্বাপক বাহিনীয়ে চলোৱা অভিযানৰ পাছত অগ্নিকাণ্ড নিয়ন্ত্ৰণলৈ আহে। গেছ চিলিণ্ডাৰৰ বিস্ফোৰণৰ ফলত এই ঘটনা সংঘটিত হয় বুলি ধাৰণা কৰা হৈছে।

## মৰ্চাত সংঘাত ঃ পৰস্পৰৰ বিৰুদ্ধে একাধিক সমষ্টিত প্ৰাৰ্থী প্ৰক্ষেপ কংগ্ৰেছ-বাম মৰ্চাৰ

**নিউজ ব্যুৰ', কলকাতা, ২৩ মাৰ্চ ঃ** অহা শনিবাৰে পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত সংযুক্ত মৰ্চাৰ মাজত দেখা দিলে সংঘাতে। বিশেষকৈ কংগ্ৰেছৰ সভাপতি অধীৰ চৌধুৰীৰ সমষ্টিত বাম মৰ্চাৰ স'তে কংগ্ৰেছৰ সংঘাত বৃদ্ধি পালে। একাধিক সমষ্টিত মৰ্চা গঠনৰ পাছতো পৰস্পৰৰ বিৰুদ্ধে কংগ্ৰেছ আৰু বাম মৰ্চাই প্ৰাৰ্থী প্ৰক্ষেপ কৰা ঘটনাই ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। মুৰ্চিদাবাদৰ চমচেৰগঞ্জত চি পি এমৰ প্ৰাৰ্থী হৈছে মুদাচ্চৰ হুছেইন। এই সমষ্টিত কংগ্ৰেছে ৰেজাউল হকক প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰিব। উল্লেখ্য যে যোৱাবাৰৰ নিৰ্বাচনত চি পি এমৰ বিৰুদ্ধে কংগ্ৰেছে প্ৰাৰ্থী প্ৰক্ষেপ কৰাৰ ফলত তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থী



আমিৰুল ইছলাম বিজয়ী হৈছিল। এই ভুলৰ শিক্ষা নলৈ কংগ্ৰেছে এইবাৰো চি পি এমৰ বিৰুদ্ধে সমষ্টিটোত দলীয় প্ৰাৰ্থী প্ৰক্ষেপ কৰিলে। নউদা সমষ্টিত কংগ্ৰেছে প্ৰক্ষেপ কৰা প্ৰাৰ্থীৰ বিৰুদ্ধে দলীয় প্ৰাৰ্থিত্ব প্ৰদান কৰিলে চি পি এমে। চি পি এমে ঘোষণা কৰা মতে, কংগ্ৰেছৰ প্ৰাৰ্থীজন তেওঁলোকৰ পছন্দ নহয় বাবে নিজ দলৰ প্ৰাৰ্থীৰ নাম নউদাত ঘোষণা কৰিবলৈ বাধ্য হ'ল। পুৰুলিয়া জিলাতো বাম মৰ্চাৰ অংশীদাৰ ফ'ৰৱাৰ্ড ব্লকৰ স'তে কংগ্ৰেছৰ প্ৰাৰ্থিত্বকেন্দ্ৰিক দ্বন্দ্ব সৃষ্টি হৈছে। এই জিলাত চাৰি সমষ্টিত কংগ্ৰেছে প্ৰাৰ্থী প্ৰক্ষেপ কৰিছে। জয়পুৰ আৰু বলৰামপুৰ সমষ্টিত প্ৰাৰ্থী প্ৰক্ষেপক লৈ কংগ্ৰেছৰ স'তে ফ'ৰৱাৰ্ড ব্লকৰ সংঘাত সৃষ্টি হৈছে। দীৰ্ঘ বছৰ ধৰি এই দুই সমষ্টিত ফ'ৰৱাৰ্ড ব্লকে প্ৰাৰ্থী প্ৰক্ষেপ কৰি আহিছে। এইবাৰ ফ'ৰৱাৰ্ড ব্লকে দুই সমষ্টিত বাম মৰ্চাৰ কোনো প্ৰাৰ্থী নাই বুলি ঘোষণা কৰি ভোটদাতাসকলক 'ন'টা'ত ভোট দিবলৈ আহ্বান জনাইছে। উল্লেখ্য যে ২০১৬ৰ বিধানসভা নিৰ্বাচনতো মৰ্চা গঠনৰ পাছতো ২৪ সমষ্টিত পৰস্পৰৰ বিৰুদ্ধে প্ৰাৰ্থী প্ৰক্ষেপ কৰিছিল বাম মৰ্চা আৰু কংগ্ৰেছে। এইবাৰো ইয়াৰ ব্যতিক্ৰম নহ'ল।

## নন্দীগ্ৰামৰ 'ছহিদ'ৰ পত্নীৰ মমতাক প্ৰশ্ন 'মোৰ স্বামীৰ নাম মনত আছে নে?'



**নিউজ ব্যুৰ', নন্দীগ্ৰাম, ২৩ মাৰ্চ ঃ** পশ্চিমবংগৰ বিধানসভাৰ নিৰ্বাচনত এইবাৰ নন্দীগ্ৰাম সমষ্টিত বিজেপিৰ শুভেন্দু অধিকাৰী আৰু তৃণমূল কংগ্ৰেছৰ মমতা বেনাৰ্জীয়ে পৰস্পৰৰ বিৰুদ্ধে থিয় দিছে। উল্লেখ্য যে ২০০৭ত নন্দীগ্ৰামত হোৱা ভূমি সুৰক্ষা আন্দোলনৰ পৰিণতিত পশ্চিমবংগৰ ৰাজনীতিত মমতাৰ উত্থান ঘটিছিল। নন্দীগ্ৰামত হোৱা আন্দোলনত কে'বাজনো লোক ছহিদ হৈছিল। এইসকলৰ মাজৰ দুজন ছহিদৰ নাম হৈছে ভৰত মণ্ডল আৰু পুষ্পেন্দ্ৰ মণ্ডল। সোণাচুৰা নিবাসী ছহিদ ভৰত মণ্ডলৰ পত্নী ৰিংকু মণ্ডলে পশ্চিমবংগৰ মুখ্যমন্ত্ৰী তথা তৃণমূল কংগ্ৰেছ নেত্ৰী মমতা বেনাৰ্জীক নন্দীগ্ৰামৰ ছহিদৰ নাম লৈ ৰাজনীতি নকৰিবলৈ অনুৰোধ জনাই সংবাদ মাধ্যমৰ আগত কয়, '২০০৭ বৰ্ষৰ পৰা এতিয়ালৈকে মমতা বেনাৰ্জীক আমি এবাৰহে লগ পাইছো। হয়, শুভেন্দু অধিকাৰীয়ে আমাক দুখ, সমস্যাৰ সময়ত কাষত থিয় দি আহিছে। অধিকাৰীয়ে প্ৰতি বছৰে দুৰ্গা পূজাত আমাক সাজ-পোছাক উপহাৰ দিয়ে। আমি শুভেন্দু অধিকাৰীৰ সমৰ্থনত আছো। কোনো ৰাজনৈতিক দলৰ স'তে আমি জড়িত নহয়। আমাক সহায়-সমৰ্থন কৰা ব্যক্তিক আমিও সমৰ্থন জনাওঁ। যিসকল ছহিদৰ নাম লৈ মমতা বেনাৰ্জীয়ে ক্ষমতা দখল কৰিছিল, সেইগৰাকী মমতাই মোৰ স্বামীৰ নাম কি জানেনে? ছহিদক লৈ তেওঁ ৰাজনীতি কৰা অনুচিত।'



## এ আই এ ডি এম কে প্ৰাৰ্থীয়ে ৰাজহুৱা স্থানত কাপোৰ ধুই ক'লে 'নিৰ্বাচনত জিকিলে ৱাশ্বিং মেচিন উপহাৰ দিম'

**নিউজ ব্যুৰ', নাগাপট্টিনম, ২৩ মাৰ্চ ঃ** তামিলনাডুৰ বিধানসভাৰ নিৰ্বাচনত ভোটদাতাক আকৰ্ষিত কৰিবলৈ প্ৰাৰ্থীসকলে ভিন্ন কৌশল অৱলম্বন কৰিছে। কোনো প্ৰাৰ্থীয়ে যদি ৰব'টৰ জৰিয়তে প্ৰচাৰ চলাইছে, তেন্তে আন কোনোৱে কপালত নিৰ্বাচনী প্ৰতীক অংকন কৰি লৈছে। এ আই এ ডি এম কেৰ প্ৰাৰ্থী থংগা কাথিৰবনে ৰাজহুৱা স্থানত কাপোৰ ধুই ভোটদাতাৰ দৃষ্টি আকৰ্ষণৰ চেষ্টা চলালে। এইদৰে ৰাজহুৱা স্থানত কাপোৰ ধুই প্ৰাৰ্থীজনে ভোটদাতাসকলক প্ৰতিশ্ৰুতি দি কয় যে যদিও তেওঁ বিজয়ী হয় তেন্তে সমষ্টিবাসীক ৱাশ্বিং মেচিন উপহাৰ দিব। উল্লেখ্য যে তামিলনাডুৰ নিৰ্বাচনত উপহাৰ সামগ্ৰী বিতৰণৰ এক পৰম্পৰা বহু পূৰ্বৰে পৰা প্ৰচলিত হৈ আহিছে।

## মঙলদৈত নিৰ্বাচনী হিংসা

# টিভি টক শ্ব’ত আহত শিশুসহ পুৰুষ-মহিলা




অগ্ৰদূত বাৰ্তা

**মঙলদৈ, ২৩ মাৰ্চ ঃ** কাইলৈ প্ৰধানমন্ত্ৰী দৰং জিলাৰ ছিপাঝাৰলৈ অহাৰ প্ৰাক্‌ক্ষণত আজি সন্ধিয়া মঙলদৈৰ বিষ্ণু মন্দিৰত আয়োজিত এটা বৈদ্যুতিন মাধ্যম (ডিৱাই ৩৬৫)ৰ এখন মুকলি টক শ্ব’ত হোৱা হিংসাত্মক পৰিস্থিতিত কে’বাজনো লোক গুৰুতৰভাৱে আহত হৈ চিকিৎসাধীন হ’ব লগা হয়। টক শ্ব’ত কংগ্ৰেছৰ সমৰ্থক একাংশই নিজা মন্তব্য আগবঢ়োৱাৰ সময়তে একাংশ বিজেপি কৰ্মী উত্তেজিত হৈ পৰে। ফলত মঙলদৈৰ এক নম্বৰ ৱাৰ্ডৰ কংগ্ৰেছৰ বুথ সভাপতি ভগীৰথ ছেত্ৰী, ১০ নম্বৰ ৱাৰ্ডৰ মহিলা মণ্ডল কংগ্ৰেছৰ সভাপতি হীৰামণি দাসৰ লগতে মাতৃৰ স’তে অহা ছয় বছৰীয়া শিশু আফ্ৰিন বেগম আহত হয়। পাছত আহত কেইজনৰ চিকিৎসাৰ ব্যৱস্থা কৰা হয়। ইতিমধ্যে আৰক্ষীয়ে সমগ্ৰ পৰিস্থিতি নিয়ন্ত্ৰণলৈ আনিবলৈ চেষ্টা অব্যাহত ৰাখিছে যদিও উত্তেজনা অব্যাহত আছে। ইপিনে, কংগ্ৰেছ প্ৰাৰ্থী বসন্ত দাসে এই ঘটনা বিজেপিৰ হতাশাৰ ফল বুলি মন্তব্য কৰিছে।

# ভৱানীপুৰত এআইইউডিএফৰ প্ৰাৰ্থীৰ নিৰ্বাচনী কাৰ্যালয় মুকলি

অগ্ৰদূত বাৰ্তা

**ভৱানীপুৰ, ২৩ মাৰ্চ ঃ** আজি ভৱানীপুৰ বিধানসভা সমষ্টিৰ দাতিৰবড়ী পঞ্চায়তৰ অন্তৰ্গত ধুমাৰকুৰ বজাৰত এআইইউডিএফৰ প্ৰাৰ্থী ফণীধৰ




তালুকদাৰে এটা নিৰ্বাচনী কাৰ্যালয় মুকলি কৰে। কাৰ্যালয় মুকলি অনুষ্ঠানত উপস্থিত থাকে মমতাজ বেগম, ফখৰউদ্দিন আহমেদ, ৰাচিনা সৰকাৰ, হকিবৰ ৰহমান, চন্দিকা বৈশ আদি। সমাজকৰ্মী মুছলিমুদ্দিন আহমেদৰ সভাপতিত্বত অনুষ্ঠিত সভাত মহাজোঁট সমৰ্থিত এআইইউডিএফ প্ৰাৰ্থীজনে তেওঁৰ বিজয় নিশ্চিত বুলি কয়। প্ৰাৰ্থীজনে কয় যে দুবাৰৰ বিধায়ক আবুল কালামে সমষ্টিটোৰ বিশেষ উন্নয়ন কৰিব নোৱাৰিলে। তেওঁ ধুমাৰকুৰৰ লগতে কাটলা পথাৰ, খৰমা বজাৰতো নিৰ্বাচনী কাৰ্যালয় মুকলি কৰে।

# হাজোত ছয় লাখ ২০ হেজাৰ টকা জব্দ



অগ্ৰদূত বাৰ্তা

**হাজো, ২৩ মাৰ্চ ঃ** নিৰ্বাচনৰ প্ৰাক্‌মুহূৰ্তত হাজোত আজি বিয়লি চাৰি বজাত এ এছ-০১ ইএছ-২৭১৪ নম্বৰৰ এখন বিলাসী বাহনত ছয় লাখ ২০ হেজাৰ টকা এছ এছ টী আৰু আৰক্ষীয়ে জব্দ কৰে। মুকালমুৱাৰ চামচুল আলী নামৰ লোকজনে গুৱাহাটীৰ পৰা মুকালমুৱালৈ ধনখিনি নিয়াৰ সময়তে জব্দ কা হয়।

# সৰ্থেবাৰীত বাসগৃহ ভস্মীভূত

অগ্ৰদূত বাৰ্তা

**সৰ্থেবাৰী, ২৩ মাৰ্চ ঃ** কাঁহ শিল্প নগৰী সৰ্থেবাৰীৰ যোগীৰবড়ী চুপাত যোৱা নিশা ৮-৪০ মান বজাত সংঘটিত এক অগ্নিকাণ্ডত এটি পৰিয়ালৰ তিনিটা কোঠাৰ এটা ঘৰ সম্পূৰ্ণৰূপে ভস্মীভূত হয়। নগৰখনৰ যোগীৰবড়ী চুপাৰ প্ৰয়াত বনমালী বৰ্মনৰ পত্নী সৰলা বৰ্মনৰ ঘৰত অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। অগ্নিকাণ্ডত সৰলা বৰ্মনৰ তিনিটা কোঠা থকা গৃহটি ভয়ংকৰ অগ্নিকাণ্ডত জাহ যায়। অগ্নিকাণ্ডৰ ফলত ৰান্ধনী ঘৰত থকা গেছভৰ্তি চিলিণ্ডাৰো বিস্ফোৰণ হয়। অগ্নিকাণ্ডৰ কাৰণ জানিব পৰা হোৱা নাই। পাছত অগ্নিনিৰ্বাপক বাহিনীয়ে জুই নিৰ্বাপিত কৰে। ক্ষয়-ক্ষতিৰ পৰিমাণো জানিব পৰা হোৱা নাই।

# গোৱালপাৰাৰ শ্ৰীশ্ৰী শ্যামৰায় সত্ৰ-শংকৰ মঠত নিশা দুৰ্বৃত্তৰ তাণ্ডৱ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২৩ মাৰ্চ ঃ** যোৱা নিশা দুষ্কৃতিকাৰীয়ে তাণ্ডৱ চলাই গোৱালপাৰা চহৰস্থিত শ্ৰীশ্ৰী শ্যামৰায় সত্ৰ আৰু শংকৰ মঠত গুৰু আসনৰ লগতে সত্ৰ আৰু শংকৰ মঠৰ সামগ্ৰী লণ্ডভণ্ড কৰাৰ ঘটনাক কেন্দ্ৰ কৰি চহৰখনত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। শ্ৰীশ্ৰী শ্যামৰায় সত্ৰত থকা গুৰুজনাৰ অস্থি দুৰ্বৃত্তৰ দলে লৈ যোৱা বুলি সন্দেহ প্ৰকাশ কৰা হৈছে। আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ ক্ষয়ক্ষতিৰ বুজ লোৱাৰ লগতে দুৰ্বৃত্তৰ বিৰুদ্ধে তদন্ত অব্যাহত ৰাখিছে যদিও এই বাতৰি যুগুতোৱা লৈকে কোনো ধৰণৰ শুংসূত্ৰ উলিয়াবলৈ সক্ষম হোৱা নাই।

# হাজোত অজাপৰ ১১টাকৈ মুখ্য কাৰ্যালয় মুকলি



অগ্ৰদূত বাৰ্তা

**হাজো, ২৩ মাৰ্চ ঃ** সমাগত বিধানসভা নিৰ্বাচনক লৈ ৰাজ্যজুৰি নিৰ্বাচনী ৰণডংকা তুংগত উঠিছে যদিও তৃতীয় পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ’বলগীয়া হাজো বিধানসভা সমষ্টিত সমাগত নিৰ্বাচনক লৈ সমষ্টিবাসী ভোটাৰ ৰাইজৰ মাজত পৰিলক্ষিত হোৱা নাই উৎসাহ-উদ্দীপনা। কিন্তু তাৰ পাছতো অজাপৰ নিৰ্বাচনী প্ৰচাৰ চলাইছে প্ৰাৰ্থী দুলু আহমেদে। আজি অজাপই একেদিনাই সমষ্টিটোৰ ১১খন পঞ্চায়তত মুকলি কৰে ১১টাকৈ মুখ্য নিৰ্বাচনী কাৰ্যালয়। অজাপৰ প্ৰাৰ্থী দুলু আহমেদে আজি আঞ্চলিক দলটোৰ একাংশ দলীয় নেতা-কৰ্মীৰ উপস্থিতিত সমষ্টিৰে ছহিদ সত্যনাথ পঞ্চায়তৰ শিমলুতল চ’ক বজাৰ, বাৰাংহাটী, লাচি-বালিসত্ৰ, ধুহিবালা, কয়া-বৰপুল্লা, বৰষৈ, মনাহকুছি, কুলহাটী, হাজো, শনিয়াদী আৰু বৰ্ণিত নিৰ্বাচনী কাৰ্যালয় উদ্বোধন কৰে। নিৰ্বাচনী কাৰ্যালয় মুকলি কৰি অজাপৰ হাজোৰ প্ৰাৰ্থী আহমেদে কয় যে হাজোত অজাপৰ প্ৰাৰ্থীয়ে ২০ৰ পৰা ২৫ হেজাৰ ভোটৰ ব্যৱধানত জয়ী হোৱাটো নিশ্চিত হৈ পৰিছে। নিৰ্বাচনত বিজেপিৰ প্ৰাৰ্থী সুমন হৰিপ্ৰিয়াৰ মাজতে মূল যুঁজ হ’ব বুলিও মন্তব্য কৰে।

# বিজেপিৰ আই টি চেলৰ যুৱকো নিবনুৱা হৈ ৰ’ল

## পঞ্চায়ত প্ৰতিনিধিৰে মঙলদৈৰ কংগ্ৰেছ প্ৰাৰ্থী বসন্ত দাসৰ প্ৰচাৰ অভিযান




অগ্ৰদূত বাৰ্তা

**মঙলদৈ, ২৩ মাৰ্চ ঃ** ক্ৰমাৎ নিৰ্বাচনী প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে মঙলদৈ সমষ্টি। সমষ্টিটোৰ দুই প্ৰাৰ্থী ক্ৰমে মিত্ৰজোঁট বিজেপিৰ গুৰুজ্যোতি দাস আৰু মহাজোঁট কংগ্ৰেছৰ প্ৰাক্তন মন্ত্ৰী বসন্ত দাসৰ নিৰ্বাচনী যুঁজখন ক্ৰমাৎ আকৰ্ষণীয় হৈ পৰিছে। দুয়োটা জোঁটৰ প্ৰাৰ্থী দুজনে চলাইছে দিনে-নিশাই নিৰ্বাচনী প্ৰচাৰ। আজি কংগ্ৰেছ প্ৰাৰ্থীজনে পশ্চিম মঙলদৈৰ পাছত পূব মঙলদৈ চৰ অঞ্চলত প্ৰচাৰ চলায়। ধুলা গাঁও পঞ্চায়তৰ মাগুৰমাৰী চৰত কে’বাখনো নিৰ্বাচনী সভাত প্ৰচাৰ চলাই বিজেপিক ক্ষুৰধাৰ সমালোচনা কৰি কয়, ‘বিজেপিয়ে আচ্ছে দিন আৰু পৰিৱৰ্তনৰ অলীক সপোন দেখুৱালে যদিও সেইদিন জনসাধাৰাণ দেখা নাপালে। প্ৰতি বছৰে লাখ লাখ নিবনুৱাক চাকৰি দিয়াৰ প্ৰতিশ্ৰুতি অসাৰ হ’ল। আনকি এইবোৰ প্ৰতিশ্ৰুতি সামাজিক মাধ্যমত প্ৰচাৰ কৰি থকা বিজেপিৰ আই টি চেলৰ কাৰ্যকৰ্তাসকলৰো অৱস্থা এতিয়া দুখ লগা। কাৰণ সেই যুৱকসকলেও নাপালে কোনো কৰ্মসংস্থাপন। এতিয়াও তেওঁলোকে মাক-দেউতাকৰ পৰা টকা খুজি ম’বাইল ৰিচাৰ্জ কৰি থাকিবলগীয়া হৈছে। দুৰ্গম চৰ অঞ্চলৰ সংখ্যালঘু লোকৰ উপস্থিতিত কংগ্ৰেছ প্ৰাৰ্থীজনে নিজৰ প্ৰকাশিত গোহাৰিত ২৫টা অংগীকাৰ প্ৰকাশ কৰি বাম অঞ্চলৰ দৰে চৰাঞ্চলকো সমবিকাশ আৰু সম উন্নয়ন কৰিবলৈ কংগ্ৰেছে কৃপণালি নকৰে বুলি কয়। প্ৰসংগক্ৰমে তেওঁ সমষ্টিটোত কে’বাটাও নতুন কাম কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। সভাসমূহত বিজেপি আৰু এআইইউডিএফৰ শতাধিক লোকে কংগ্ৰেছত যোগদান কৰে। এই সভাত সমষ্টিটোৰ তিনি জিলা পৰিষদৰ প্ৰতিনিধিকেইগৰাকীয়েও বিজেপি চৰকাৰৰ বিৰুদ্ধে সৰৱ হৈ পৰে।

# মহাজোঁটবন্ধনৰ প্ৰাৰ্থীক সমৰ্থন সংখ্যালঘু সংগ্ৰাম পৰিষদৰ




অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২৩ মাৰ্চ ঃ** গোৱালপাৰা জিলাৰ চাৰিওটা সমষ্টিত মহাজোঁটবন্ধনৰ প্ৰাৰ্থীক সমৰ্থন দিয়াৰ কথা ঘোষণা কৰিছে অসম সংখ্যালঘু সংগ্ৰাম পৰিষদে। আজি গোৱালপাৰা জিলা সাংবাদিক সন্থাৰ কাৰ্যালয়ত এক সংবাদমেল সম্বোধন কৰি সংগঠনটোৰ জিলা সভাপতি হানিফ আলীয়ে এই ঘোষণা কৰে। সংগঠনটোৰ কেন্দ্ৰীয় কমিটীৰ নিৰ্দেশনা অনুসৰিয়েই গোৱালপাৰাত এ কে ৰছিদ আলম আৰু পশ্চিম গোৱালপাৰাত আব্দুৰ ৰছিদ মণ্ডলক পূৰ্ণ সমৰ্থন জনাই বিজয়ী কৰাৰ বাবে দৃঢ় সংকল্প লোৱা বুলি সংবাদমেলত ঘোষণা কৰে আলীয়ে। ইপিনে, জলেশ্বৰ সমষ্টিত বন্ধুত্বপূৰ্ণ যুঁজত অৱতীৰ্ণ হোৱা মহাজোঁটবন্ধনৰ প্ৰাৰ্থীদ্বয়ৰ ভিতৰত উপযুক্ত প্ৰাৰ্থীক জয়যুক্ত কৰিবলৈ সিদ্ধান্ত লোৱাৰ কথা সদৰী কৰে সংগঠনটোৰ জিলা সভাপতিজনে। সংবাদমেলত সংগঠনটোৰ কেন্দ্ৰীয় কাৰ্যকৰী সভাপতি মোকাদ্দেছ আলী মণ্ডলে কয় যে যোৱা ২০ মাৰ্চত বৰপেটাৰোডস্থিত ইছলামিক ক্লাব এণ্ড লাইব্ৰেৰীত অসম সংখ্যালঘু সংগ্ৰাম পৰিষদৰ কৰ্ণধাৰ কমিটীৰ এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। উক্ত সভাত কংগ্ৰেছ নেতৃত্বাধীন মহাজোঁটবন্ধনৰ প্ৰাৰ্থীসকলক সমৰ্থন জনাবলৈ সিদ্ধান্ত লোৱা হয়। সেইমৰ্মে বন্ধুত্বপূৰ্ণ যুঁজত অৱতীৰ্ণ হোৱা পাঁচটাকৈ সমষ্টি যথাক্ৰমে দলগাঁও, সৰুক্ষেত্ৰী, চেঙা, বাঘবৰ আৰু জলেশ্বৰ বিধানসভা সমষ্টিত জয়ী হোৱাৰ সম্ভাৱনাময় প্ৰাৰ্থীক সমৰ্থন দিয়াৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট জিলা কমিটীসমূহক নিৰ্দেশ দিয়া হয়। ইয়াৰ উপৰি নাওবৈচা সমষ্টিত বিজেপিৰ মিত্ৰজোঁটক পৰাভূত কৰিব পৰা প্ৰাৰ্থীক সমৰ্থন জনাবলৈ লখিমপুৰ জিলা কমিটীক নিৰ্দেশনা দিয়া হৈছে। একেদৰে বি টি আৰ অঞ্চলত হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন বি পি এফৰ প্ৰাৰ্থীসকলক সমৰ্থন দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰি পৰিষদৰ কোকৰাঝাৰ, চিৰাং, বাগ্‌সা আৰু ওদালগুৰি জিলা কমিটীক নিৰ্দেশনা দিয়া বুলি সংবাদমেলত সদৰী কৰে মণ্ডলে। বিজেপি আৰু ইয়াৰ মিত্ৰজোঁটক পৰাজিত কৰাৰ লক্ষ্যৰেই সংগঠনটোৰে এই সিদ্ধান্ত লোৱা বুলি মণ্ডলে ঘোষণা কৰে। সংবাদমেলত সংগঠনটোৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক ৰমজান আলীকে ধৰি জিলা কমিটীৰ কে’বাগৰাকী বিষয়ববীয়া উপস্থিত থাকে।

## দৰংগাজুলি ব্লক বিপিএফৰ নিৰ্বাচনী কাৰ্যালয় মুকলি

# তামুলপুৰ সমষ্টিত বিপিএফৰ জয় নিশ্চিত ঃ নাৰ্জাৰী

অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ২৩ মাৰ্চ ঃ** তামুলপুৰ সমষ্টিত এইবাৰো বিপিএফৰ জয় নিশ্চিত, কেৱল আনুষ্ঠানিকতাহে বাকী। এই মন্তব্য বিটিআৰৰ দৰংগাজুলি পৰিষদীয় সমষ্টিৰ এমচিএলএ তথা বিটিচিৰ প্ৰাক্তন কাৰ্যবাহী সদস্য বিজিৎ গৌৰা নাৰ্জাৰীৰ। তামুলপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত দৰংগাজুলি পৰিষদীয় সমষ্টিৰ কুমাৰীকাটা বজাৰত আজি দৰংগাজুলি ব্লক বিপিএফৰ এটি নিৰ্বাচনী কাৰ্যালয় মুকলি কৰি তেওঁ এইদৰে কয়। কাৰ্যালয় মুকলি কৰি দৰংগাজুলি পৰিষদীয় সমষ্টিৰ এমচিএলএ নাৰ্জাৰীয়ে কয়, ‘এইবাৰ নিৰ্বাচনত তামুলপুৰ বিধানসভা সমষ্টিত বিপিএফৰ প্ৰাৰ্থী ৰংজা খুংগুৰ বসুমতাৰী লক্ষাধিক ভোটৰ ব্যৱধানত জয়লাভ কৰি তামুলপুৰ সমষ্টিত অভিলেখ গঢ়িব।’ তেওঁ পুনৰ কয়, ‘বিগত বিটিচি নিৰ্বাচনত মোক হৰুৱাবলৈ মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, পীযুষ হাজৰিকাকে ধৰি বিজেপিৰ বহু নেতাই প্ৰচাৰ চলাইছিল; কিন্তু হৰুৱাবলৈ সক্ষম নহ’ল। বৰঞ্চ দৰংগাজুলিত বিপিএফ ভেটি আগতকৈ আৰু অধিক শক্তিশালীহে হ’ল।’ এইবাৰ নিৰ্বাচনত বিপিএফৰ প্ৰাৰ্থীজন দৰংগাজুলি পৰিষদীয় সমষ্টিৰ পৰা কমেও ৩০ হেজাৰ ভোট লাভ কৰিব বুলি তেওঁ দাবী কৰে। সেয়ে অন্য চিন্তা বাদ দি উন্নয়নৰ স্বাৰ্থত বিপিএফৰ প্ৰতীক নাঙলৰ চিনত ভোট দিবলৈ তেওঁ আহ্বান জনায়। দৰংগাজুলি ব্লক বিপিএফৰ নিৰ্বাচন পৰিচালনা সমিতিৰ মুখ্য অহ্বায়ক নমল কলিতাই আঁত ধৰা অনুষ্ঠানত বিপিএফৰ প্ৰাৰ্থী ৰংজা খুংগুৰ বসুমতাৰী, নিৰ্বাচন পৰিচালনা সমিতিৰ সভাপতি গিৰিধৰ কলিতা, বিপিএফৰ কেন্দ্ৰীয় মহিলা কোষৰ উপ-সভানেত্ৰী চন্দ্ৰ কলা ব্ৰহ্ম, বিপিএফ নেতা মইনুল হক চৌধুৰী, চিনা কান্ত বসুমতাৰী, খনীন্দ্ৰ নাথ দাস, দীপক চৌধুৰী, ব্লক বিপিএফৰ নেতা কমল উজিৰ, মহেন্দ্ৰ ৰয়, সুজন পাল উপস্থিত থাকে।

# ১৮ খন পথসভা, কাৰ্যালয় উদ্বোধন-যোগদান সভাৰে কংগ্ৰেছ প্ৰাৰ্থীৰ প্ৰচাৰ

## নলবাৰী সমষ্টিত মহাজোঁট প্ৰাৰ্থীৰ নিৰ্বাচনী প্ৰচাৰ

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ২৩ মাৰ্চ ঃ** দ্বিতীয় পৰ্যায়ত অনুষ্ঠিত হ’বলগীয়া নলবাৰী বিধানসভা সমষ্টিৰ নিৰ্বাচনী প্ৰচাৰ তীব্ৰতৰ হৈ পৰিছে। প্ৰচাৰৰ নামত এতিয়া প্ৰতিটো ৰাজনৈতিক দলে বোকা ছটিওৱাত ব্যস্ত হৈ পৰিছে। সমষ্টিটোত ভোটাৰসকলক আকৰ্ষিত কৰাৰ বাবে লৈছে বিভিন্ন পন্থা। ইয়াৰ মাজতে আজি সমষ্টিটোৰ মিত্ৰজোঁটৰ বিজেপি প্ৰাৰ্থী জয়ন্তমল্ল বৰুৱাৰ হৈ দুখনকৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে বিজেপিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক তথা মঙলদৈ লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়াই। চহৰৰ পাৰ্শ্বৱৰ্তী ছয় নম্বৰ বতাহগিলা গাঁও পঞ্চায়তৰ অন্তৰ্গত বালিকৰিয়াৰ বাসুদেৱ দেৱালয় প্ৰাংগণত অনুষ্ঠিত নিৰ্বাচনী প্ৰচাৰ সভাত বিজেপিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদকজনে কংগ্ৰেছক কঠোৰ ভাষাৰে সমালোচনা কৰে। তেওঁ কয় যে কংগ্ৰেছ এতিয়া পাম যোৱা বল। কংগ্ৰেছে এতিয়া গেৰাণ্টী দি ভোটাৰৰ কাষ চাপিবলগীয়া হৈছে। ইপিনে, ইংগিতপূৰ্ণভাৱে তেওঁ কয় যে বিধায়কৰ কাম কৰাৰ সুবিধা কম থাকে। কিন্তু মন্ত্ৰী হ’লে সুবিধা বহুত থাকে। সেয়েহে মন্ত্ৰী হোৱাৰ সুবিধা থকা সমষ্টিটোৰ প্ৰাৰ্থীজনক বিপুল ভোটত ৰাইজক জয় কৰিবলৈ তেওঁ আহ্বান জনায়। আনহাতে, নৱগঠিত আঞ্চলিক ৰাজনৈতিক দল অসম জাতীয় পৰিষদকো কঠোৰ ভাষাৰে সমালোচনা কৰি সাংসদজনে কয় যে সমষ্টিটোৰ অজাপ প্ৰাৰ্থী নগেন ডেকাক ভোট দিয়া মানে বদৰুদ্দিন আজমলক শক্তিশালী কৰা। নিৰ্বাচনী ভাষণত তেওঁ পুনৰ কয় যে এইবাৰ ধৰ্মীয় সংখ্যালঘু লোকে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী জয়ন্তমল্লক অধিক হাৰত ভোট দিব। আনহাতে, নিৰ্বাচনী প্ৰচাৰ সভাত জয়ন্তমল্লয়ো ভাষণ দি কয় যে ২০১৬ত নিৰ্বাচিত বিধায়ক অশোক শৰ্মাৰ দিনত সমষ্টিটোত বহুতো উন্নয়নমূলক কাম সম্পন্ন হৈছে। নলবাৰীত পুনৰ অধিক তীব্ৰ গতিত উন্নয়ন কৰিবলৈ তেওঁক দলে প্ৰক্ষেপ কৰিছে বুলি সদৰী কৰি তেওঁ কয় যে বালিকৰিয়াৰ বাসুদেৱ দেৱালয়ত পৰ্যটনৰ পৰা ১০ লাখ টকা অনুদান আনি দিয়া বুলিও তেওঁ কয়। ইয়াৰ পাছতে বিজেপিয়ে কাজিপাৰা বাসুদেৱ নামঘৰ প্ৰাংগণত আন এখন নিৰ্বাচনী সভা অনুষ্ঠিত কৰে। সভাত বিজেপিৰ ৰাষ্ট্ৰীয় সম্পাদক শইকীয়াই উপস্থিত থকাৰ বিপৰীতে দলীয় প্ৰাৰ্থী জয়ন্তমল্লই দীঘেলীৰ বিষহৰি থান, কৰ্দৈতোলা, তিলানা হৰিমন্দিৰ আৰু দক্ষিণ বেজেৰা কালী মন্দিৰত নিৰ্বাচনী প্ৰচাৰ চলায়। ইফালে, সমষ্টিটোত মহাজোঁটৰ কংগ্ৰেছ প্ৰাৰ্থী প্ৰদ্যুৎ ভূঞাৱো পিছপৰি থকা নাই নিৰ্বাচনী প্ৰচাৰত। প্ৰাৰ্থীজনে আজি সমষ্টিটোত ভালেকেইখন নিৰ্বাচনী পথসভাত অংশগ্ৰহণ কৰে। তেওঁ ১৮ নম্বৰ বালিতাৰা গাঁও পঞ্চায়তৰ বালিতাৰা বুঢ়াগোসাঁই থানত সেৱা আগবঢ়াই পাছত মধুপুৰ, বগৰীতল, নাহেৰবাৰী, হাঁহতলী, বামুণদিয়া, বড়ো চুবুৰি, নগাঁও, পূব বালিতাৰা আদিত পথসভা, কাৰ্যালয় মুকলি আৰু যোগদান কাৰ্যসূচীত অংশগ্ৰহণ কৰে। কংগ্ৰেছ প্ৰাৰ্থীজনে আজিৰ দিনটোত ১৮খনকৈ পথসভা, কাৰ্যালয় মুকলি আৰু যোগদান কাৰ্যসূচীৰে অভিযান চলায়।

# ৰঙিয়া আঞ্চলিক পঞ্চায়তৰ প্ৰাক্তন সভাপতিৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**ৰঙিয়া, ২৩ মাৰ্চ ঃ** ৰঙিয়া আঞ্চলিক পঞ্চায়তৰ প্ৰাক্তন সভাপতি সৰ্বৰহী ব্যক্তি ফিৰোজ আলী (৬২)ৰ আজি ৰঙিয়াৰ এখন চিকিৎসালয়ত মৃত্যু হয়। ৰঙিয়া মহকুমাৰ মৰাণজানা গাঁও পঞ্চায়তৰ অন্তৰ্গত কুমাৰপাতা গাঁৱৰ বাসিন্দা তথা মহকুমাটোৰ বিভিন্ন সামাজিক অনুষ্ঠানৰ স’তে ওতঃপ্ৰোতভাৱে জড়িত আলীয়ে কিছুমাহৰ পৰা মধুমেহ ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছিল। তেওঁ অঞ্চলটোৰ বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ স’তে ওতঃপ্ৰোতভাৱে জড়িত আছিল। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ এজন পুত্ৰ আৰু দুগৰাকী কন্যাক এৰি যায়।

# নগাঁৱত বিহু নাচ, ঢোল-পেঁপা বাদনৰ কৰ্মশালা আৰম্ভ

বিশেষ সংবাদদাতা

**নগাঁও, ২৩ মাৰ্চ ঃ** আজিৰে পৰা নগাঁৱত আৰম্ভ হৈছে বিহুনাচ, ঢোল-পেঁপা বাদনৰ আখৰাৰ কৰ্মশালা। নগএঞা জ্যেষ্ঠ বিহুৱা-বিহুৱতীৰ ব্যৱস্থাপনাত নগাঁও চহৰৰ ৰত্নকান্ত বৰকাকতি উচ্চ মাধ্যমিক বিদ্যালয় খেলপথাৰৰ চেনিমাই ক্ষেত্ৰত এই কৰ্মশালা অনুষ্ঠিত হৈছে। পুৱা অভিনেতা অজিত শৰ্মাই পতাকা উত্তোলনেৰে কৰ্মশালাৰ আৰম্ভ কৰে। বন্তি প্ৰজ্বলন কৰে সাংস্কৃতিক কৰ্মী যতীন্দ্ৰ কুমাৰ দাসে। স্মৃতি তৰ্পণ অনুষ্ঠান মুকলি কৰে হিমাদ্ৰী শইকীয়াই। ইয়াৰ পাছতে ভুৱন দাসৰ পৰিচালনাত কলংপৰীয়া নৃত্য বিদ্যালয়ে বিহুনাচৰ অনুষ্ঠান পৰিৱেশন কৰে। পাছত বিহু নাচ ঢোল-পেঁপাবাদন আখৰাৰ উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত কৰা হয়। জ্যেষ্ঠ ঢুলীয়া ধৰ্মেশ্বৰ হাজৰিকাই আঁত ধৰা অনুষ্ঠানত সদৌ অসম ঢুলীয়া সন্মিলনৰ সভাপতি ধৰ্মেশ্বৰ শইকীয়াই কৰ্মশালা উদ্বোধন কৰি অসমৰ থলুৱা কৃষ্টি-সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে সকলোকে আহ্বান জনায়। বিহু আমাৰ প্ৰাণ বুলি মন্তব্য কৰি সকলোকে সঁচা অৰ্থত বিহু সংস্কৃতিক আগুৱাই নিয়াৰ বাবে আহ্বান জনায়। ইয়াৰ বাবে আমাক লাগিব এদল সাংস্কৃতিক কৰ্মী। অনুষ্ঠানত কণ্ঠশিল্পী কৃষ্ণমণি নাথ, ৰিমলী শৰ্মা বৰা, বিহু সম্ৰাজ্ঞী নিলাক্ষী বুঢ়াগোহাঁই, লোক কৃষ্টি সাধক বিবেক বৰা, প্ৰশিক্ষক কমলজিৎ দত্ত, পম্পী দাসৰ লগতে দিপালী দাস মজুমদাৰ, বৰ্ণালী বেজবৰুৱা আদিয়ে অংশগ্ৰহণ কৰে। কৰ্মশালা এপ্ৰিললৈকে চলিব। কৰ্মশালাত শতাধিক শিশু চেমনীয়াই অংশগ্ৰহণ কৰিছে।

## শ্ৰদ্ধাঞ্জলি

# মৃণাল বৰ্মন

মৃত্যু চিৰন্তন সত্য যদিও তোমাৰ অকাল মৃত্যু আমাৰ বাবে অসহ্যকৰ আৰু বেদনাদায়ক। গুৱাহাটী মহানগৰীৰ জাপৰিগোগ কৃষ্ণ নগৰৰ নিবাসী মৃণাল বৰ্মনৰ (ভাইটী) ১৪ মাৰ্চৰ সন্ধিয়া ৭.১০ বজাত দেহাৱসান ঘটে। মৃত্যুৰ আগলৈকে তেওঁ বিভিন্ন ধৰণে সামাজিক কামত জড়িত আছিল। মৃত্যুৰ সময়ত তেওঁ পত্নী, এগৰাকী কন্যা সন্তানৰ লগতে মা-দেউতা, বাইদেউ, ভিনিদেউ, ভ্ৰাতৃসহ বহু আত্মীয়-স্বজনক এৰি যায়। তেওঁৰ মৃত্যুত অশ্ৰুসিক্ত নয়নেৰে তেওঁৰ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানক প্ৰাৰ্থনা জনাইছো।

হৃদয় ৰঞ্জন বৰ্মন

## সোঁতৰ বিপৰীতে



# বিজেপিয়ে ‘ডি’ ভোটাৰ, এন আৰ চিৰ কথা সুধিলে আজমল আজমল বুলি কয় ঃ কটাক্ষ আজমলৰ



অগ্ৰদূত বাৰ্তা

**গৌৰীপুৰ, ২৩ মাৰ্চ ঃ** ‘এতিয়া মোৰ লগত আছে ছোনীয়া গান্ধী, ৰাহুল গান্ধী, ৰিপুন বৰা, ৰকিবুল হুছেইন আৰু হাগ্ৰামা মহিলাৰী। এতিয়া দিল্লীৰ নৰেন্দ্ৰ মোদী, অমিত শ্বাহে আজমলক ভয় কৰি অসমত নামিবলৈ ধৰিছে।’ এই মন্তব্য এআইইউডিএফৰ মুৰব্বী বদৰুদ্দিন আজমলৰ। আজি গৌৰীপুৰৰ বটেৰ তলত আজি এআইইউডিএফৰ প্ৰাৰ্থী নিজানুৰ ৰহমানৰ সমৰ্থনত আয়োজিত এখন সভাত অংশগ্ৰহণ কৰি তেওঁ এইদৰে মন্তব্য কৰে। তেওঁ পুনৰ কয় যে মূল্যবিদ্ধি, ‘ডি’ ভোটাৰৰ সমস্যা, এন আৰ চি আৰু নিবনুৱা সমস্যাৰ কথা সুধিলে কেৱল আজমল আজমল বুলিহে কয় থাকে। তেওঁ মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে সৰৱ হৈ কয়, ‘অহা ১৫-২০ দিন পাছত হিমন্তৰ মুখত আল্লাই তলা লগাব।’ ইপিনে, মহাজোঁটবন্ধন ৭৪খনতকৈ অধিক আসন লাভ কৰিব বুলিও আজমলে দাবী কৰে। উক্ত সভাত আদিত্য লাংথাচা, ধুবুৰী সমষ্টিৰ মহাজোঁটবন্ধনৰ প্ৰাৰ্থী নজৰুল হক আদি উপস্থিত থাকে।

# চামগুৰি-ৰূপহীহাটত প্ৰত্যাহ্বান জনোৱাত ব্যৰ্থ প্ৰতিপক্ষ

বিশেষ সংবাদদাতা

**নগাঁও, ২৩ মাৰ্চ ঃ** বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ প্ৰাৰ্থীয়ে চামগুৰিত কংগ্ৰেছ প্ৰাৰ্থী ৰকিবুল হুছেইনক আৰু ৰূপহীহাট সমষ্টিত কংগ্ৰেছ প্ৰাৰ্থী নুৰুল হুদাৰ সন্মুখত বিশেষ প্ৰত্যাহ্বান সৃষ্টি কৰাত ব্যৰ্থ হৈছে। উল্লেখ্য যে চামগুৰি সমষ্টিত এইবাৰৰ নিৰ্বাচনত মাত্ৰ চাৰিজন প্ৰাৰ্থী অৱতীৰ্ণ হৈছে। তেওঁলোক হ’ল ক্ৰমে কংগ্ৰেছৰ প্ৰাৰ্থী প্ৰাক্তন মন্ত্ৰী ৰকিবুল হুছেইন, বিজেপিৰ অনিল শইকীয়া, অসম জাতীয় পৰিষদৰ আবিদুৰ ৰহমান আৰু ভাৰতীয় গণ পৰিষদৰ প্ৰাণজিৎ ভৌমিক। সমষ্টিটোত বিগত ২০০১ৰ পৰাই ৰকিবুল হুছেইন বিধায়ক হৈ আছে। এইবাৰ সমষ্টিটোত তেওঁ কংগ্ৰেছ প্ৰাৰ্থীৰূপে পঞ্চমবাৰলৈ প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। সমষ্টিটোত সুদীৰ্ঘ ২০ বছৰে বিধায়ক হৈ থকা সত্ত্বেও চামগুৰি সমষ্টিত হুছেইনৰ বিৰুদ্ধে বিশেষ প্ৰতিষ্ঠানবিৰোধী ঢৌ দৃষ্টিগোচৰ হোৱা নাই। তদুপৰি সমষ্টিটোৰ মুছলিম ভোটাৰৰ সমান্তৰালকৈ হিন্দু ভোটাৰৰ মাজতো তেওঁৰ যথেষ্ট প্ৰভাৱ আছে। হুছেইনৰ বিৰুদ্ধে চামগুৰিত অগপ-বিজেপি মিত্ৰজোঁটে থিয় কৰাইছে সংসদীয় ৰাজনীতিত নৱাগত বিজেপিৰ কলিয়াবৰ জিলা সমিতিৰ সভাপতি অনিল শইকীয়াক। ৰূপহীহাট সমষ্টিৰ বাসিন্দা শইকীয়াৰ চামগুৰি সমষ্টিৰ ভোটাৰৰ মাজত বিশেষ জনপ্ৰিয়তা নাই বুলি ভোটাৰ ৰাইজৰ মাজত চৰ্চা চলিছে। বিগত দিনসমূহত ৰূপহীহাট, চামগুৰি সমষ্টিত গ্ৰামোন্নয়ন বিভাগৰ উপৰি বিভিন্ন চৰকাৰী বিভাগত দপ্‌দপাই থকা শইকীয়াৰ প্ৰতি বিতুষ্ট বহু লোক। আনহাতে, চামগুৰি সমষ্টিৰ মুছলিম ভোটাৰৰ মাজত জনপ্ৰিয়তা নাই শইকীয়াৰ। ইপিনে, হুছেইনৰ সন্মুখত নৱাগত শইকীয়াই এই পৰ্যন্ত প্ৰত্যাহ্বান সৃষ্টি কৰাত সফল হ’ব পৰা নাই। অৱশ্যে সমষ্টিটোত মূল যুঁজ কংগ্ৰেছ প্ৰাৰ্থী হুছেইন আৰু বিজেপিৰ প্ৰাৰ্থী শইকীয়াৰ মাজতে সীমাৱদ্ধ থকাৰ সম্ভাৱনা আছে।

একেদৰে ৰূপহীহাট সমষ্টিতো বিৰোধী পক্ষৰ কোনো শক্তিশালী প্ৰাৰ্থী নথকাত আৰু সংখ্যালঘু অধ্যুষিত সমষ্টিটোত কংগ্ৰেছ নেতৃত্বাধীন মহাজোঁটত এআইইউডিএফ চামিল হোৱাৰ ফলত মহাজোঁটৰ প্ৰাৰ্থী হিচাপে বিধায়ক নুৰুল হুদাক পুনৰ প্ৰাৰ্থিত্ব দিয়াত তেওঁৰ সন্মুখত বিশেষ প্ৰত্যাহ্বান পৰিলক্ষিত হোৱা নাই। উল্লেখ্য যে এইবাৰ সমষ্টিটোৰ পৰা মহাজোঁটৰ প্ৰাৰ্থী হুদাৰ লগতে বিজেপিৰ নাজিৰ হুছেইনে, অসম জাতীয় পৰিষদৰ ডাঃ ছফিকুল ইছলাম, ৰাইজৰ দলৰ প্ৰাৰ্থী নজৰুল ইছলামকে ধৰি মুঠ আঠজন প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। নৱ প্ৰজন্মৰ মাজত বিজেপিৰ প্ৰাৰ্থী নাজিৰ হুছেইনৰ কিছু জনপ্ৰিয়তা আছে যদিও দলটো সংখ্যালঘু জনগণৰ পক্ষে সুবিধাজনক নহয় বুলি সৰ্বত্ৰ চৰ্চিত হোৱাত কংগ্ৰেছ তথা মহাজোঁটৰ প্ৰাৰ্থী হুদাৰ সন্মুখত প্ৰত্যাহ্বান সৃষ্টি কৰাৰ সম্ভাৱনা কম। তদুপৰি দলটোৰ পৰা প্ৰাক্তন মন্ত্ৰী ৰছিদুল হকৰ পুত্ৰ বোৱাৰী ছালমা জেছমিন, বিগত নিৰ্বাচনৰ পৰাজিত প্ৰাৰ্থী জাকাৰিয়া হক চৌধুৰী আৰু নগাঁও জিলা সংখ্যালঘু বৰ্ডৰ অধ্যক্ষ হবিবুৰ ৰহমানেও প্ৰাৰ্থিত্ব বিচাৰিছিল যদিও তেওঁলোক বঞ্চিত হয়। ফলত এওঁলোকৰ চিপৰাং মৰা ৰাজনীতিত বিজেপি প্ৰাৰ্থীজন আক্ৰান্ত হোৱাৰ সম্ভাৱনা আছে। আনহাতে, ৰাইজৰ দলৰ পৰা প্ৰাৰ্থিত্ব নাপাই নিশাটোৰ ভিতৰতে অসম জাতীয় পৰিষদত যোগদান কৰি দলটোৰ পৰা প্ৰাৰ্থিত্ব আগবঢ়োৱা ডাঃ ৰফিকুল ইছলামে কিমান প্ৰত্যাহ্বান সৃষ্টি কৰিব পাৰে, সেয়া লক্ষ্যণীয় হ’ব। অৱশ্যে তিনিখন মৌজাৰে গঠিত সমষ্টিটোৰ জুৰীয়া মৌজাত শেহতীয়াকৈ ডাঃ ইছলামৰ যথেষ্ট প্ৰভাৱ পৰিলক্ষিত হৈছে যদিও আন দুখন মৌজাত তেনে কোনো শক্তিশালী গণভিত্তি নাই।

ইপিনে, ৰাইজৰ দলৰ প্ৰাৰ্থীজনৰ নিৰ্বাচনী প্ৰচাৰ নিস্তেজ হৈ পৰা পৰিলক্ষিত হৈছে। বিশেষকৈ ৰাইজৰ দলৰ পৰা মুঠ ছজন প্ৰাৰ্থিত্ব প্ৰত্যাশী আছিল যদিও অৱশেষত নজৰুল ইছলামে প্ৰাৰ্থিত্ব লাভ কৰাৰ ফলত দলীয় সমৰ্থকসকল কে’বাটাও ভাগত বিভক্ত হৈ পৰে। আনহাতে, ৰাইজৰ দলৰ সভাপতি কাৰাৰুদ্ধ অখিল গগৈৰ চিঠিখনে সংখ্যালঘু লোকৰ তেওঁৰ প্ৰতি থকা আস্থা পূৰ্বতকৈ হ্ৰাস কৰিছে। তেনে পৰিস্থিতিত অসম জাতীয় পৰিষদ আৰু ৰাইজৰ দলৰ প্ৰাৰ্থীয়ে কংগ্ৰেছ প্ৰাৰ্থী হুদাৰ সন্মুখত বিশেষ প্ৰত্যাহ্বান সৃষ্টি কৰাৰ সম্ভাৱনা নাই।

# ডিব্ৰুগড় বিশ্ববিদ্যালয়ত সোণোৱাল-নড্ডা

*তিনি পৃষ্ঠাৰ পৰা* উপস্থিত আছিল মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ লগতে মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। ইয়াকে লৈ ক্ষুব্ধ হৈ পৰিছে বিভিন্ন দল-সংগঠনৰ লগতে ছাত্ৰ-ছাত্ৰীসকল। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আছু গোটৰ উদ্যোগত আজি বিশ্ববিদ্যালয়ৰ জ্যোতি বাটচ'ৰাত ছাত্ৰ-ছাত্ৰীসকলে এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। ক্ষুব্ধ ছাত্ৰ-ছাত্ৰীসকলে ''কা' আমি নামানো', 'বিজেপি চৰকাৰ গ' বেক' ধ্বনিৰে উত্তাল পৰিস্থিতিৰ সৃষ্টি কৰে। তাতে ক্ষান্ত নাথাকি তেওঁলোকে সভাপতি নড্ডা, মুখ্যমন্ত্ৰী সোণোৱাল আৰু মন্ত্ৰী ড° শৰ্মাৰ প্ৰতিকৃতি দাহ কৰে। প্ৰতিবাদস্থলীত আছুৰ দুই কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য ডেভিদ হাজৰিকা আৰু অংকুৰ প্ৰতীম গগৈয়ে বিজেপি সভাপতি নড্ডাৰ এই স্বৈৰাচাৰী মন্তব্যক প্ৰত্যাহ্বান জনাই কয় যে পাঁচ গৰাকী ছহিদৰ প্ৰাণ লোৱা বিজেপি চৰকাৰক এইবাৰ স্বাভিমানী অসমীয়াই ছহিদৰ বুকু ভেদা প্ৰত্যকটো বুলেটৰ উত্তৰ বেলট পেপাৰত দিব। আনহাতে, সভাপতি নড্ডা নালাগে, আন কোনোবা প্ৰভাৱশালী নেতা আহিলেও অসমত কোনো কালেই নাগৰিকত্ব আইন বলৱৎ হ'বলৈ নিদিয়ে বুলিও আছুৱে সকীয়াই দিয়ে। 'পশ্চিমবংগৰ নিৰ্বাচনী সভাত দেশৰ গৃহমন্ত্ৰী অমিত শ্বাহে নাগৰিকত্ব সংশোধনী আইনৰ জৰিয়তে নাগৰিকত্ব লাভ কৰা প্ৰত্যেক শৰণাৰ্থী পৰিয়ালকে মাহত ১০ হেজাৰকৈ টকা দিব বুলি কৰা ঘোষণাই প্ৰমাণ কৰিছে অসমীয়া খিলঞ্জীয়া মানুহৰ আত্মৰক্ষাৰ সংগ্ৰামৰ প্ৰতি যে তেওঁলোকৰ কোনো ভ্ৰূক্ষেপ নাই। ৮৬০ গৰাকী ছহিদৰ কেঁচা তেজৰ ফলত হোৱা অসম চুক্তিক ভৰিৰে মোহাৰি বিজেপি চৰকাৰে যি হিটলাৰী শাসন চলাইছে তাৰ যথোচিত প্ৰত্যুত্তৰ অসমীয়াই দিব।' এইদৰে কয় ছাত্ৰনেতা দুজনে।

# বিজেপিত যোগদান কৰিলে মন্ত্ৰিত্বৰ

*তিনি পৃষ্ঠাৰ পৰা* (নিয়া)ই জেৰা চলোৱা সময়ত কৃষক নেতাজনক কেৱল ৰাজনৈতিক বাক্যবাণেৰে বুজনি দিয়া হৈছিল বুলি অভিযোগ কৰি ২০১৯ৰ ১৮ ডিচেম্বৰৰ পুৱা ন বজাৰ পৰা আৰম্ভ হোৱা মাৰাথন জেৰাত মুছলমানে কেনেকৈ দেশখন খালে, সংশোধিত নাগৰিকত্ব আইনৰ জৰিয়তে কেনেকৈ হিন্দু বাংলাদেশী আনি দেশ বচাব খোজা হৈছে, এই আইন বিৰোধিতা কৰা মানে মুছলমানৰ পক্ষ লোৱা আৰু দেশদ্ৰোহিতা বুলি বুজনি দিয়া হৈছিল বুলি পত্ৰখনত উল্লেখ কৰা হৈছে। পত্ৰখনত গগৈয়ে আৰু লিখিছে যে ২০১৯ৰ ১৭ ডিচেম্বৰত আৰক্ষীয়ে যোৰহাট জেলৰ পৰা গতিয়াই ভুকুৰাই গাড়ীত তুলি তেওঁক বিমানকোঠলৈ নিছিল। সেইদিনকেইটাৰ বৰ্ণনা কৰি গগৈয়ে কয় যে হেলিপেডলৈ গাড়ী সুমুৰাই নিয়াৰ পাছত গাড়ীৰ পৰা নমাৰ লগে লগে কেইজনমান হিন্দীভাষী লোকে পিছফালৰ পৰা তেওঁৰ ডিঙিত চেপি ধৰিছিল। হাত দুখন পিছলৈ নি হেণ্ডকাফ লগাই হেলিকপ্টাৰত বহুৱাই দিয়া হৈছিল। পিছফালে দুয়ো হাত বান্ধি হেলিকপ্টাৰত বহুৱাই লৈ যোৱাৰ পাছত ৰ'দ আৰু গৰমত সমস্ত শৰীৰ তেওঁ ঘামেৰে তিতি গৈছিল বুলি উল্লেখ কৰিছে। গুৱাহাটীৰ 'নিয়া' আদালতত গগৈক থিয় কৰাই নিশা গোপনে আদালতৰ অনুমতি নোলোৱাকৈ বিমানেৰে দিল্লীলৈ লৈ যোৱা হৈছিল বুলি উল্লেখ কৰি ১৮ ডিচেম্বৰৰ পুৱতি নিশা নিয়াৰ মুখ্য কাৰ্যালয়ৰ এক নম্বৰ লক-আপত ভৰাই থোৱা হৈছিল বুলি প্ৰকাশ কৰিছে। উল্লেখ্য যে দিল্লীৰ পৰা গুৱাহাটীলৈ আহিহে কাকতপত্ৰ, সংবাদ মাধ্যমৰ জৰিয়তে তেওঁক মাওবাদীৰ লগত যোগাযোগ ৰক্ষা কৰাৰ অভিযোগত গ্ৰেপ্তাৰ কৰা হৈছে বুলি অৱগত হৈছিল বুলি পত্ৰখনত গগৈয়ে সদৰী কৰে। লগতে জেৰাৰ সময়ত তেওঁক এবাৰো মাওবাদী সম্পৰ্কত প্ৰশ্ন সোধা নাছিল বুলি প্ৰকাশ কৰিছে। তেওঁ পত্ৰখনত উল্লেখ কৰিছে যে প্ৰথমে হিন্দুত্বৰ জ্ঞান প্ৰদানৰ চেষ্টা আৰু তাৰ পাছত পোনে পোনে প্ৰলোভন। 'মই আৰ এছ এছত যোগ দিব লাগে, লগে লগে জামিন প্ৰদান কৰা হ'ব। এই প্ৰস্তাৱৰ যুক্তিতৰ্কৰ পাছত বিজেপিত যোগ দিয়াৰো প্ৰস্তাৱ আহিছিল য'ত খালী আসনত নিৰ্বাচন খেলি মন্ত্ৰীৰ প্ৰলোভনো দিছিল। ' এইদৰে পত্ৰখনত উল্লেখ কৰিছে গগৈয়ে। সমান্তৰালভাৱে গগৈক সংগ্ৰামী জীৱন ত্যাগ কৰা, 'কা' বিৰোধী আন্দোলনৰ বাবে ক্ষমা (জাপানৰ প্ৰধানমন্ত্ৰী কাৰ্যসূচী বাতিলৰ সন্দৰ্ভত) খুজিবলৈ হেঁচা প্ৰয়োগ কৰা হৈছিল বুলি তেওঁ সদৰী কৰি কৃষক মুক্তি এৰি ধৰ্মান্তকৰণৰ বিৰুদ্ধে, অসমৰ মানুহ খ্ৰীষ্টান ধৰ্মলৈ যোৱাৰ বিৰুদ্ধে এনজিঅ'ৰ জৰিয়তে অভিযান চলাবলৈ ২০ কোটি টকাৰ প্ৰস্তাৱ দিয়া হৈছিল বুলি কয়।

ইফালে, আসন্ন নিৰ্বাচনত অখিলে বিজেপিৰ পক্ষ লোৱা বুলি ওলোৱা খবৰ নস্যাৎ কৰি গগৈয়ে কয় যে মাতৃভূমিৰ শপত খাই তেওঁৰ জনতাৰ পক্ষত বুলি দোহাৰে। তেওঁ কোনোদিন বিজেপিৰ পক্ষ নলয় বুলি পত্ৰখনত উল্লেখ কৰি বিজেপিক উৎখাত কৰাটো তেওঁৰ জীৱনৰ অন্যতম এটা লক্ষ্য আৰু শেষ বিচাৰৰ দায়িত্ব ৰাইজৰ হাতত অৰ্পণ কৰা বুলি কয়। শিৱসাগৰবাসীয়ে গগৈক মুক্ত আকাশৰ তললৈ উলিয়াই আনিব বুলি আশা ব্যক্ত কৰি পত্ৰখনত কৃষক নেতাজনে গভীৰ প্ৰত্যাশাৰে ৰৈ থকা বুলি উল্লেখ কৰি শিৱসাগৰত তেওঁৰ বিৰুদ্ধে যি অপপ্ৰচাৰ চলিছে তাৰ বিৰুদ্ধে ৰাইজক সজাগ হ'বলৈ আহ্বান জনায়।

# ২৭ মাৰ্চত কংগ্ৰেছৰ প্ৰথমখন জাহাজ

*তিনি পৃষ্ঠাৰ পৰা* ৰাজনীতি কৰিম আৰু সেই ধৰণে আগবাঢ়ি যাম।' এই মন্তব্য মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। আজি মন্ত্ৰীজনে ৰাজ্যৰ কে'বাটাও স্থানত মিত্ৰজোঁটৰ কে'বাজনো প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰত অংশ লয়। নিৰৱচ্ছিন্নভাৱে নিৰ্বাচনী প্ৰচাৰত অংশ লোৱা মন্ত্ৰীজনে আনকি দোভাগ নিশাও প্ৰচাৰ অভিযান অব্যাহত ৰাখে। এই নিৰ্বাচনী সভাসমূহতে ড° শৰ্মাই কংগ্ৰেছ আৰু এআইইউডিএফক তুলা-ধূনা দিয়ে। ক'ভিডৰ সময়ত কোনো কংগ্ৰেছী লোকে ঘৰৰ বাহিৰলৈ ওলাই অহা নাছিল বুলি মন্তব্য কৰি মন্ত্ৰীজনে কয়, 'কংগ্ৰেছে মানুহৰ বিপদৰ সময়ত নাথাকে, আকৌ আমাক নীতিশিক্ষা দিয়ে!'

তিতাবৰত দলীয় প্ৰাৰ্থী হেমন্ত কলিতা, সাংসদ তপন কুমাৰ গগৈ, কামাখ্যা প্ৰসাদ তাছা, ঠেঙাল কছাৰী স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য কুমুদ কছাৰী আদিক লগত লৈ মন্ত্ৰীজনে এক বিৰাট সমদলত অংশ লয়। ইয়াৰ পাছত তিতাবৰ চাৰিআলিত আয়োজিত জনসভাত ক'ভিডৰ সময়ত কংগ্ৰেছ নেতাসকল ৰাইজৰ কাষত নাছিল বুলি মন্তব্য কৰি ড° শৰ্মাই কয়, 'মই গৌৰৱ গগৈক প্ৰশ্ন কৰিছো যেতিয়া 'লকডাউন' আছিল, আপুনি তিতাবৰলৈ কিমানবাৰ আহিছিল? বিপদত তিতাবৰৰ মানুহক আপুনি কিমানবাৰ লগ দিছিল? আনকি তেওঁৰ পিতৃৰ যেতিয়া বেমাৰ হৈছিল তেতিয়া তেওঁ হাস্পতাললৈ যদি ৪০ বাৰ গৈছে, মই ৮০বাৰ গৈছো। বিপদৰ সময়ত যি লগত নাথাকে, তাত ৰাজনীতি কৰি লাভ নাই। ' বিপদৰ সময়ত একো নকৰি কংগ্ৰেছে এতিয়া বদৰুদ্দিন আজমলক লৈ ৰাজনীতি কৰা বুলি অভিযোগ কৰি ড° শৰ্মাই পুনৰ কয়, 'তৰুণ গগৈদেৱে তিতাবৰৰ বিধায়ক হৈ থাকোতে বদৰুদ্দিনক কৈছিল 'হু ইজ বদৰুদ্দিন আজমল' আৰু ৰিপুন বৰাই এতিয়া কি ক'লে, বদৰুদ্দিন চাহাবক লৈ আমি চৰকাৰ গঠন কৰিম। এই আজমল চাহাবে কি কৈছে, আমাৰ চৰকাৰ হ'লে গোৰ মাৰি সকলো মাদ্ৰাছা খুলি দিম। আৰে, আপোনালোকে কওক মাদ্ৰাছা লাগে নে মেডিকেল লাগে নে ইঞ্জিনীয়াৰিং কলেজ লাগে? মোল্লা লাগে নে ডাক্তৰ লাগে?' আনহাতে, বদৰুদ্দিন আজমলক আক্ৰমণ কৰি মন্ত্ৰীজনে কয়, 'আজমল চাহাবে কৈছে মুছলমান মহিলাই যিমান পাৰে সিমান সন্তান জন্ম দিব লাগে। মই কৈছো, মহিলাসকল সন্তান জন্ম দিয়া মেচিন নেকি? এগৰাকী মহিলাই ১০ মাহ ১০ দিন ধৰি গৰ্ভধাৰণ কৰি সন্তান জন্ম দিয়া কিমান কষ্ট, আজমল চাহাবে নাজানে। জনা হ'লে এই কথা নকয়। আমি আমাৰ সন্তানক ডাক্তৰ ইঞ্জিনীয়াৰ হ'বলৈ দিম। সন্তান জন্ম দিয়া মেচিন হ'বলৈ নিদিওঁ। আমি অসমখন বচাব লাগিব।' ইফালে, চাহ শ্ৰমিকৰ মজুৰিৰ প্ৰসংগত মন্ত্ৰীজনে কয়, 'চাহ শ্ৰমিকসকলক লৈ কংগ্ৰেছে ৰাজনীতি কৰি আছে। কংগ্ৰেছৰ দিনত শ্ৰমিকৰ দৰমহা আছিল ৯৬ টকা। আমি শ্ৰমিকসকলৰ দৰমহা ২১৮ টকা কৰিলো। শ্ৰমিকসকলৰ বেংক একাউণ্ট খুলি দিলো আৰু সাত হেজাৰকৈ টকা দিলো। বাগিচাৰ ৰাস্তা আমি বনাই দিলো। এইবাৰ আমি প্ৰত্যেকজন শ্ৰমিকক এহেজাৰকৈ টকা দিম। এয়া হিচাপ কৰিলে দৈনিক মজুৰি ২৪৮ টকা হ'ব।' পুনৰ বিজেপি নেতৃত্বাধীন চৰকাৰ হ'লে চাহ শ্ৰমিকৰ মজুৰি প্ৰথম কেবিনেটতে ৩৫০ টকা কৰিব বুলিও মন্ত্ৰীজনে ঘোষণা কৰে।

### টীয়কত 'নিমাতী কন্যা'ক ভোট দিবলৈ আহ্বান মন্ত্ৰী ড° শৰ্মাৰ

উল্লেখ্য যে বিগত পঞ্চায়ত নিৰ্বাচনৰ সময়ত টীয়কৰ বিধায়িকা ৰেণুপমা ৰাজখোৱাক 'নিমাতী কন্যা' বুলি কটাক্ষ কৰিছিল মন্ত্ৰী ড° শৰ্মাই; কিন্তু আজি মন্ত্ৰীজনে টীয়ক বিধানসভা সমষ্টিৰ কাকজানত মিত্ৰজোঁটৰ অগপ প্ৰাৰ্থীগৰাকীৰ হৈ প্ৰচাৰত অংশ লৈ তেওঁক ভোট দিবলৈ ৰাইজক আহ্বান জনায়। বিজেপি চৰকাৰ পুনৰ গঠন হ'লে ঐতিহাসিক ঢেঁকীয়াখোৱা বৰনামঘৰ মাধৱদেৱৰ কলাক্ষেত্ৰ সম্পূৰ্ণ কৰাৰ লগতে ললিত চন্দ্ৰ ৰাজখোৱা মিনি ষ্টেডিয়ামলৈ পাঁচ কোটি প্ৰদান আৰু টীয়ক এফআৰইউক এশখন বিছনাযুক্ত চিকিৎসালয়লৈ উন্নীত কৰাৰ আশ্বাস দিয়ে মন্ত্ৰীজনে। টীয়কত স্বয়ম আঁচনিত কেলেংকাৰি হোৱাৰ কথা স্বীকাৰ কৰি মন্ত্ৰীজনে কয়, 'টীয়কত কোনোৱে পালে, কোনোৱে নাপালে। সেইবাবে অহাবাৰ আমি এজিপি-বিজেপিৰ কৰ্মকৰ্তাক লৈ এখন কমিটী গঠন কৰি দিম, যাতে সকলো দুখীয়া মহিলাই লাভ কৰে।' মন্ত্ৰী ড° শৰ্মাই কয় যে এতিয়া বদৰুদ্দিনৰ বোকোচাত উঠা কংগ্ৰেছক ভোট দিয়া মানেই আজমলক শক্তিশালী কৰা আৰু আজমল শক্তিশালী হোৱা মানেই দেশখন বাংলাদেশীক বিক্ৰী কৰি দিয়া। তেওঁ কয়, 'কংগ্ৰেছৰ দিনত ধিং, বৰদোৱাত শুকুৰবাৰে বিদ্যালয়সমূহ বন্ধ আছিল। মই শিক্ষামন্ত্ৰী হৈ কেৱল দেওবাৰে বন্ধ কৰিলো। আকৌ যদি কংগ্ৰেছক ভোট দিয়ে তেনেহ'লে ৰিপুন বৰাই আজমলৰ লগ হৈ মাদ্ৰাছাসমূহ খুলি দিয়াৰ লগতে শুক্ৰবৰীয়া বন্ধ পুনৰ প্ৰৱৰ্তন হ'ব। কাজিৰঙাৰ গঁড়কেইটা শেষ হ'ব।'

### কংগ্ৰেছ-ইউডিএফে চৰকাৰ বনোৱা আৰু অসমীয়া জাতিয়ে আত্মহত্যা কৰা একেই কথা

'কংগ্ৰেছ-এআইইউডিএফে চৰকাৰ বনোৱা আৰু অসমীয়া জাতিয়ে আত্মহত্যা কৰা একেই কথা।' আমগুৰিৰ অগপ প্ৰাৰ্থী প্ৰদীপ হাজৰিকাৰ হৈ নিৰ্বাচনী প্ৰচাৰত এই মন্তব্য কৰে মন্ত্ৰী ড° শৰ্মাই। জাঁজী জামুগুৰিৰ পৰা মটৰ চাইকেল ৰেলীৰে মন্ত্ৰীজনক সমষ্টিটোৰ আউনিআটীলৈ আদৰি অনা হয়। হেম চন্দ্ৰ গোস্বামী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আয়োজিত সভাত ড° শৰ্মাই পুনৰ কয়, 'ৰাইজ ভুল নকৰিব। আমগুৰি সমষ্টিত আমি প্ৰদীপ হাজৰিকাক যেনে তেনে জয়ী কৰাব লাগিব। যাতে অসমখন সুৰক্ষিত হয়। আমাৰ সভ্যতা-সংস্কৃতি ৰক্ষা কৰাৰ স্বাৰ্থত মিত্ৰদলৰ প্ৰাৰ্থীক বিপুল ভোটত জয়ী কৰাটো সময়ৰ আহ্বান।' মন্ত্ৰীজনে কয় যে তলাবন্ধৰ সময়ত প্ৰধানমন্ত্ৰী মোদীয়ে ঘৰে ঘৰে বিনামূলীয়া চাউল দিলে, মহিলাৰ বেংক একাউণ্টত টকা দিলে অথচ ইমানৰ পাছতো কংগ্ৰেছে মোদীক বেয়া বুলি কৈ আজমলকহে ভাল বুলিছে।

### দেৱব্ৰত শইকীয়া এজন চিঠি লিখা বিধায়ক ঃ ড° শৰ্মা

নাজিৰাৰ বিধায়ক দেৱব্ৰত শইকীয়াক এজন চিঠি লিখা বিধায়ক আখ্যা দিলে মন্ত্ৰী ড° শৰ্মাই। আজি মন্ত্ৰীজনে নাজিৰাৰ বিজেপি প্ৰাৰ্থী ময়ূৰ বৰগোহাঁইৰ হৈও নিৰ্বাচনী প্ৰচাৰত অংশ লয়। সমষ্টিটোৰ চণ্টকত অনুষ্ঠিত নিৰ্বাচনী সভাত ভাষণ প্ৰসংগত মন্ত্ৰীজনে কংগ্ৰেছ বিধায়ক শইকীয়াক কটাক্ষ কৰাৰ লগতে নিখিল ভাৰত কংগ্ৰেছৰ সাধাৰণ সম্পাদিকা প্ৰিয়ংকা গান্ধী ৰাদ্ৰাকো সমালোচনা কৰে। তেওঁ কয়, 'প্ৰিয়ংকা গান্ধীয়ে চাহ বাগিচাত পাত তুলি ফটো উঠিছে। তেওঁৰ যদি সাহস আছে, তেন্তে চণ্টক চাহবাগিচাত আহি এসপ্তাহ পাত তুলি দেখুৱাওক।' মাইক্ৰ'ফাইনেন্সৰ সমুদায় ঋণ মকুব কৰা হ'ব বুলি দোহাৰি মন্ত্ৰীজনে চাহ শ্ৰমিকৰ দৈনিক মজুৰিও বৃদ্ধি কৰা হ'ব বুলি কয়।

### আজমল কেতিয়াও অসমৰ ভাগ্য নিৰ্মাতা হ'ব নোৱাৰে ঃ ড° শৰ্মা

উজনি অসমত প্ৰচাৰ অভিযান চলোৱাৰ পূৰ্বে মন্ত্ৰী ড° শৰ্মাই আজি উত্তৰ পাৰতো দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। ঢেকিয়াজুলি সমষ্টিৰ বিজেপি প্ৰাৰ্থী অশোক সিংহলক ভোট দিবলৈ আহ্বান জনায় ঢেকিয়াজুলিৰ ছহিদ ময়দানত অনুষ্ঠিত সভাত তেওঁ কয়, 'কংগ্ৰেছৰ নিৰ্বাচনী বেনাৰ-প'ষ্টাৰত প্ৰাৰ্থীসকলৰ ফটো আঁতৰাই দিলে পিছফালে দেখিব আজমলক। ৰাহুল গান্ধীয়ে কৈছে বদৰুদ্দিন আজমলক বেয়া কথা ক'ব নাপায়, তেওঁ অসমৰ সমন্বয়ৰ প্ৰতীক। যদি আজমল সমন্বয়ৰ প্ৰতীক; তেনেহ'লে গুৰুজনা শংকৰদেৱ, গোপীনাথ বৰদলৈ, ভূপেন হাজৰিকা, তেওঁলোক কোন আছিল? ৰাহুল গান্ধীৰ মতে অসমৰ ভাগ্য নিৰ্মাতা হৈছে আজমল। আজমল কেতিয়াও অসমৰ ভাগ্য নিৰ্মাতা হ'ব নোৱাৰে। আজমলৰ কোলাত উঠি তেওঁলোকে চৰকাৰ গঠনৰ সপোন দেখিছে।' মুছলমান যুৱকসকলক চিকিৎসক বনোৱাটো অপৰাধ নেকি বুলি প্ৰশ্ন কৰি মন্ত্ৰীজনে পুনৰ কয়, 'আজমলক আমি খং নহয়, ঘৃণাহে কৰো।' একাংশ চাহ বাগিচা মালিকে কংগ্ৰেছৰে মিলি দৈনিক মজুৰিৰ বিষয়ত আদালতত গোচৰ তৰাৰ প্ৰসংগ উত্থাপন কৰি ড° শৰ্মাই কয়, 'চাহ বাগিচাৰ মালিকসকললৈ মোৰ সতৰ্কবাণী, চিধা আঙুলিৰে ঘিঁ উলিয়াব নোৱাৰিলে বেঁকা আঙুলিৰে ঘিঁ উলিয়াব আমি জানো।' তেওঁ লগতে প্ৰিয়ংকা গান্ধীক সাত দিন চাহ বাগিচাত থাকি পাত তুলিবলৈকো প্ৰত্যাহ্বান জনায়।

### ২৭ মাৰ্চত কংগ্ৰেছৰ প্ৰথমখন জাহাজ ব্ৰহ্মপুত্ৰত ডুবিব

উল্লেখ্য যে মন্ত্ৰী ড° শৰ্মাই এইবাৰ নিৰ্বাচনী প্ৰচাৰৰ নামত দিন-ৰাতি একাকাৰ কৰিছে। যোৱা নিশা দুপৰত তেওঁ চতিয়া সমষ্টিত বিজেপি প্ৰাৰ্থী পদ্ম হাজৰিকাৰ হৈ নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। নিশা ১২ বজাৰ পৰা নাগশংকৰ ষ্টেডিয়ামত আয়োজিত সভাখনত তেওঁ কংগ্ৰেছ আৰু এআইইউডিএফক কঠোৰ ভাষাৰে সমালোচনা কৰে। মন্ত্ৰীজনে কয়, 'অসমৰ সভ্যতা-সংস্কৃতিৰ বাবে ভাবুকি কঢ়িয়াই অনা এআইইউডিএফৰ দৰে ৰাজনৈতিক দলৰ লগত মিতিৰালি কৰা কংগ্ৰেছৰ প্ৰথমখন জাহাজ অহা ২৭ মাৰ্চৰ প্ৰথম পৰ্যায়ৰ নিৰ্বাচনতে ব্ৰহ্মপুত্ৰত ডুব যাব আৰু এই ডুবন্ত জাহাজৰ নাবিক হৈছে ৰিপুন বৰা।' আজমলক ঔৰংজেৱ আৰু প্ৰদেশ কংগ্ৰেছৰ সভাপতি ৰিপুন বৰাক ৰামসিংহৰ স'তে তুলনা কৰি ড° শৰ্মাই লগতে কয়, 'এই দুজনৰ যুগলবন্দী অসমৰ সভ্যতা-সংস্কৃতিৰ বাবে অতিকৈ ভয়াৱহ। অসমৰ ৰাইজে আজমল-ৰিপুনৰ যুগলবন্দীক এইবাৰ সম্পূৰ্ণৰূপে প্ৰত্যাখ্যান কৰিব।' আনহাতে, পুনৰ বিজেপি নেতৃত্বাধীন চৰকাৰ হ'লে চতিয়াৰ বিধায়কজনে মন্ত্ৰিত্ব পোৱাৰ সম্ভাৱনা আছে বুলি আওপকীয়াকৈ মন্তব্য কৰি ড° শৰ্মাই কয়, 'এইবাৰ অসমৰ ৰাইজে পদ্ম হাজৰিকাক বেলেগ ৰূপত দেখিবলৈ পাব।' মন্ত্ৰীজনে লগতে কয়, 'বিজেপি কেতিয়াও মুছলমানৰ বিৰোধী নহয়। বিজেপি এইসকল মুছলমানৰহে বিৰোধী, যিসকলে ভাৰত-পাকিস্তানৰ খেলত পাকিস্তান জিকিলে ফটকা ফুটায়।' উল্লেখ্য যে পুৱতি নিশা দুই বজা পৰ্যন্ত কে'বা হেজাৰ লোকে নাচি-বাগি মতলীয়া হৈ থকা পৰিলক্ষিত হয়। সভাত সাংসদ পল্লৱ লোচন দাসো উপস্থিত থাকে।

# বিজেপিৰ ফুচুলনিত ভোল নাযাবলৈ আহ্বান লেখক-বুদ্ধিজীৱীৰ

*তিনি পৃষ্ঠাৰ পৰা* নিৰ্বাচন বুলি উল্লেখ কৰি ড° হীৰেন গোহাঁই, নিৰুপমা বৰগোহাঞি, ড° লক্ষ্মীনন্দন বৰা, সুদক্ষিণা শৰ্মা, হৰেকৃষ্ণ ডেকা, কুলদা কুমাৰ ভট্টাচাৰ্য, অপূৰ্ব শৰ্মা, ড° অৰূপা পটংগীয়া কলিতা, ড° অপূৰ্ব কুমাৰ বৰুৱা, অমৃত কুমাৰ গন্ডস্মিথ, ড° আব্দুল মান্নান, ইন্দিৱৰ দেউৰী, ডাঃ তৌফিক ৰহমান বৰবৰা, উদয়ন বিশ্বাস, লোকনাথ গোস্বামী, প্ৰদীপ আচাৰ্য, পৰেশ মালাকাৰ, শান্তিকাম হাজৰিকা, প্ৰভাত বৰা, ড° আবু নাছাৰ ছাইদ আহমেদ, ড° মনোৰমা শৰ্মা, ড° ইন্দ্ৰাণী দত্ত, পূৰ্ণেশ্বৰ নাথ, ৰাজেন কলিতা, ড° পৰমানন্দ মজুমদাৰ আৰু দেবেন তামুলীয়ে এক প্ৰেছ বাৰ্তাৰ জৰিয়তে আসন্ন নিৰ্বাচনত ভোটাৰ ৰাইজে কি সিদ্ধান্ত লয় তাৰ ওপৰত বহু বছৰলৈ ৰাজ্যখনৰ ভৱিষ্যৎ নিৰ্ভৰ কৰিব বুলি কয়। 'আমাৰ সকলোৰে আৰু উঠি অহা প্ৰজন্মৰ জীৱন-জীৱিকা নিৰাপদ হওক, ৰাজ্যখনত সামাজিক শান্তিৰ পৰিৱেশ সৃষ্টি হওক' বুলি উল্লেখ কৰি পত্ৰত কোৱা হয় যে ইয়াৰ বাবে প্ৰয়োজন এক মুক্ত বাতাবৰণ আৰু জনতাৰ আৰ্থিক নিৰাপত্তা সুনিশ্চয়তা; কিন্তু বিজেপি ইয়াৰ সম্পূৰ্ণ বিৰোধী আৰু বিজেপি পুনৰ ক্ষমতালৈ আহিলে এনে বাতাবৰণ সম্ভৱ নহ'ব। উল্লিখিত চৰ্তকেইটা পূৰণ কৰিব পৰা ৰাজনৈতিক দল বা জোঁটক ভোট প্ৰদান কৰিবলৈ ৰাইজক আহ্বান জনায় স্বাক্ষৰকাৰীসকলে। ৰাইজৰ ভুল সিদ্ধান্ত আগন্তুক দিনৰ বাবে অতি ক্ষতিকাৰক আৰু বিপজ্জনক বুলি তেওঁলোকে উল্লেখ কৰি কয় যে বিজেপি মিত্ৰদলৰ শাসনকালত ৰাজ্যত অভাৱ অনাটন, উপাৰ্জনক্ষম কৰ্মৰ আকাল, মূল্যবৃদ্ধি, হতাশা আৰু ক্ষোভত অসমৰ ৰাইজে জ্বলাকলা খাইছে। কেৱল ক্ষমতা দখলৰ আশাৰে চৰকাৰী ধনৰ ভড়াল উদং কৰি ৮০ হেজাৰ কোটি টকাৰ ঋণ টেঁটুত ওলোমাই, ভোটাৰ ৰাইজৰ ওপৰত টকাৰ বৰষুণ নমাই পূৰ্বৰ দিনসমূহ পাহৰাই ভুৱা সপোনত ৰাইজক মতলীয়া কৰাৰ চেষ্টা চলোৱা হৈছে বুলি বাৰ্তাত কোৱা হৈছে। সমান্তৰালভাৱে সংশোধিত নাগৰিকত্ব আইনৰ জৰিয়তে অসমৰ ভাষা-সংস্কৃতিলৈ ভয়ংকৰ বিপদ মাতি আনি পাঁচজনকৈ যুৱকক ছহিদ কৰা, সাংবিধানিক সুৰক্ষাৰ নামত গঠন কৰা সমিতিৰ প্ৰতিবেদন ধোঁৱাচাঙলৈ নিক্ষেপ কৰা আদি বিষয়সমূহ তল পেলাই ৰাইজক বিভ্ৰান্ত কৰিবলৈ বিজেপিয়ে মোগলৰ আক্ৰমণৰ কথা কৈ, আজমলৰ কথা কৈ ঘৃণনীয় ধৰ্মীয় আৰু সাম্প্ৰদায়িক আবেগ সঞ্চাৰ কৰাৰ চেষ্টা চলাইছে বুলি তেওঁলোকে অভিযোগ কৰিছে। তেনেস্থলত বিজেপিক প্ৰতিহত কৰাৰ স্বাৰ্থত কংগ্ৰেছ মহাজোঁট আৰু অসম জাতীয় পৰিষদ, ৰাইজৰ দলৰ মাজত বুজাবুজি আৰু এৰা-ধৰা হওক বুলি লেখক-বুদ্ধিজীৱীসকলে গোহাৰি জনাই যিবোৰ সমষ্টিত মহাজোঁটৰ তথা আঞ্চলিক দলৰ প্ৰাৰ্থী দুৰ্বল বা নিকা ভাবমূৰ্তিৰ নাই, সেই সমষ্টিত বিজেপিক প্ৰতিহত কৰাৰ স্বাৰ্থত স্থানীয় শক্তিশালী আৰু জনভিত্তি থকা প্ৰাৰ্থীক জয়ী কৰোৱাবলৈ ৰাইজক আহ্বান জনায়।

# হেজাৰ ষড়যন্ত্ৰয়ো বিজেপিৰ

*তিনি পৃষ্ঠাৰ পৰা* সভাত মুখ্যমন্ত্ৰীয়ে কয় যে বিজেপি থকালৈকে অসমৰ জাতীয় স্বাৰ্থ সুৰক্ষিত হৈ থাকিব। যোৱা পাঁচ বছৰত চৰকাৰে অসমৰ বাবে যিবোৰ কাম কৰিছে তাৰ বাবে ৰাইজে বিজেপিক ভাল পাইছে। সেয়েহে পুনৰ বিজেপি চৰকাৰ ক্ষমতালৈ অনাৰ দাবী ৰাইজেই জনাইছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। অসমক দেশৰ ভিতৰতে অন্যতম শ্ৰেষ্ঠৰূপে গঢ়াই বিজেপি চৰকাৰৰ লক্ষ্য বুলি তেওঁ উল্লেখ কৰে। সোণোৱালে কংগ্ৰেছক তীব্ৰ সমালোচনা কৰাৰ লগতে দলটোক প্ৰত্যাহ্বানো জনায়। তেওঁ কয়, 'কংগ্ৰেছে যিমানে ষড়যন্ত্ৰ কৰিলেও অসমৰ জাতীয় জীৱনৰ একো ক্ষতি কৰিব নোৱাৰে। বিজেপিৰো একো ক্ষতি কৰিব নোৱাৰে; কাৰণ বিজেপিৰ লগত ৰাইজ আছে। কংগ্ৰেছে যোৱা ৬০ বছৰত অসমৰ উন্নয়নৰ বাবে একোৱেই কৰিব নোৱাৰিলে। আনকি খিলঞ্জীয়াৰ স্বাৰ্থ ৰক্ষা আৰু ভূমিৰ অধিকাৰো সুৰক্ষিত কৰিব নোৱাৰিলে। তাৰ বিপৰীতে মাত্ৰ পাঁচ বছৰতে আমাৰ চৰকাৰে অভূতপূৰ্ব বিকাশৰ লগতে অসমক আগুৱাই নিবলৈ সক্ষম হৈছে। আমি এক লাখ ৬৫ হেজাৰক ভূমিৰ পট্টা দি খিলঞ্জীয়াৰ স্বাৰ্থ সুৰক্ষিত কৰিছো। গতিকে বিজেপিৰ এনে অগ্ৰগামী বিকাশৰ দৌৰক কংগ্ৰেছৰ ষড়যন্ত্ৰই ৰোধ কৰিব নোৱাৰে।' প্ৰাৰ্থী তথা মন্ত্ৰী নৱ কুমাৰ দলেক এইবাৰো বিপুল ভোটত বিজয়ী কৰি বিজেপিৰ হাত শক্তিশালী কৰিবলৈ মুখ্যমন্ত্ৰীয়ে ৰাইজক আহ্বান জনায়। জনসভাত মন্ত্ৰী দলেই কয় যে ৰাজ্যৰ সমস্যাসমূহ সমাধানত চৰকাৰে নিষ্ঠাৰে কাম কৰি আহিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বিজেপি চৰকাৰে সকলো জাতি-জনগোষ্ঠীৰ হকে কৰাৰ উপৰি ঢকুৱাখনাৰ সামগ্ৰিক সমস্যাসমূহৰ ওপৰতো সহযোগিতা কৰি আহিছে। দলেই কয়, 'যোৱা পাঁচ বছৰত ঢকুৱাখনাত ছশ কিলোমিটাৰ ৰাস্তা নিৰ্মাণৰ লক্ষ্য লৈ ইতিমধ্যে ৪৫০ কিলোমিটাৰ ৰাস্তা সম্পূৰ্ণ কৰা হৈছে। তেনেদৰে ৮৬ খন দলং নিৰ্মাণৰ অনুমোদন লাভ কৰা হৈছে। তাৰে ৪০ খনৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে।' দলেই আগন্তুক নিৰ্বাচনতো বিজেপিক ভোট দি ৰাজ্যখনৰ লগতে ঢকুৱাখনাৰ উন্নয়নৰ অংশীদাৰ হ'বলৈ ৰাইজক আহ্বান জনায়। সভাত ৰাজ্যিক বিজেপিৰ সভাপতি ৰঞ্জিত কুমাৰ দাস আৰু সাংসদ প্ৰদান বৰুৱায়ো ভাষণ দিয়ে।

মুখ্যমন্ত্ৰীয়ে বটদ্ৰৱাৰ দলীয় প্ৰাৰ্থী আঙুৰলতা ডেকাৰ হৈ নিৰ্বাচনী প্ৰচাৰ সভাত কয় যে অসমৰ ৰাইজে এইবাৰ নিৰ্বাচনত অসমক এখন আত্মনিৰ্ভৰশীল ৰাজ্যৰূপে গঢ়ি তোলাৰ সংকল্পৰে বিজেপিক ভোট দিব। ধিং গিৰিবালা উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আয়োজিত সভাত সোণোৱালে কয়, 'সুদীৰ্ঘ কাল কংগ্ৰেছে অসমত চলোৱা অপশাসন ওফৰাই যোৱা পাঁচ বছৰত বিজেপিয়ে সুশাসন প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। ইয়াৰ ফলত বৰাক-ব্ৰহ্মপুত্ৰ-পাহাৰ-ভৈয়ামৰ সকলো জাতি-জনগোষ্ঠীৰ লোকে শান্তিৰে বসবাস কৰিব পাৰিছে। আমাৰ চৰকাৰৰ দিনতে চৰকাৰী আঁচনিৰ হিতাধিকাৰী নিৰ্বাচনত মধ্যভোগীৰ পৰম্পৰা নাইকিয়া হ'ল। বিজেপিৰ সংকল্পই হ'ল অন্ধকাৰত থকা সমাজখনক পুনৰ নিৰ্মাণ কৰা। সেইবাবে কংগ্ৰেছে সদায় ভোট বেংক ৰূপে গণ্য কৰি অৱহেলিত কৰি ৰখা সংখ্যালঘু লোকসকলৰো বিজেপি চৰকাৰৰ দিনত উন্নয়ন হৈছে। আমাৰ চৰকাৰৰ দিনত সংখ্যালঘু লোকসকল কোনো আঁচনিৰ পৰা বঞ্চিত হোৱা নাই। তেওঁলোক কোনো ধৰণৰ হাৰাশাস্তিৰ সন্মুখীন হোৱা নাই।' এই প্ৰসংগতে কংগ্ৰেছ আৰু এআইইউডিএফে বিজেপিক সাম্প্ৰদায়িক দল বুলি কোৱা কথা নাকচ কৰি বিজেপিৰ দৰে কোনো ধৰ্মনিৰপেক্ষ ৰাজনৈতিক দল নাই বুলি সোণোৱালে দাবী কৰে। সমষ্টিটোৰ প্ৰাৰ্থী আঙুৰলতা ডেকাক এইবাৰো ভোট দি বিজয়ী কৰিবলৈ ৰাইজক আহ্বান জনাই সোণোৱালে কয় যে বটদ্ৰৱাৰ জনগাঁথনিক লৈ বিভিন্ন অপপ্ৰচাৰেৰে কংগ্ৰেছে ৰাইজক ভাগ ভাগ কৰিব বিচাৰে। আঙুৰলতাক এক লাখ ভোট দিবলৈ আহ্বান জনাই সোণোৱালে কয়, 'আমাৰ কাৰ্যকালত হিন্দু-মুছলমানৰ মাজত সাম্প্ৰদায়িক সংঘৰ্ষ হোৱা নাই। কংগ্ৰেছে মানুহক প্ৰলোভিত কৰাৰ চেষ্টা কৰিব। সচাঁ কথাটো হ'ল যে সংখ্যালঘুৰ বাবে বেছি কাম কৰা চৰকাৰখনেই হ'ল বিজেপি চৰকাৰ। অসমৰ ৭০ লাখ পৰিয়ালৰ সৰ্বাংগীণ বিকাশৰ বাবে আমাৰ চৰকাৰে কাম কৰিছে। ধৰ্মীয় সংখ্যালঘুৰ অঞ্চলত ৰূপায়ণ নোহোৱা আঁচনি এখনো নাই। আগন্তুক দিনত আঙুৰলতা ডেকাই সংস্থাপনৰ ক্ষেত্ৰত আগবঢ়োৱা প্ৰতিশ্ৰুতি আমি পালন কৰিম। মহাপুৰুষ শংকৰদেৱ, মাধৱদেৱ আৰু আজানপীৰে সমাজখন শৃংখলিত ৰখাৰ ক্ষেত্ৰত আগবঢ়োৱা চিন্তা-চৰ্চাক আমি গুৰুত্বই দিব লাগিব।' মুখ্যমন্ত্ৰীয়ে আঙুৰলতাৰ লগতে বটদ্ৰৱাৰ কাষৰীয়া সমষ্টি ধিঙৰ দলীয় প্ৰাৰ্থী সঞ্জীৱ বৰাকো পদুমৰ ছবিত ভোট দি জয়যুক্ত কৰিবলৈ আহ্বান জনায়। এই সভাত কংগ্ৰেছৰ পৰা নতুনকৈ বিজেপিত যোগদান কৰা প্ৰাক্তন মন্ত্ৰী গৌতম বৰাই বটদ্ৰৱাৰ ধৰ্মীয় সংখ্যালঘু ৰাইজক আঙুৰলতা ডেকাক ভোট দিবলৈ আহ্বান জনায়। বৰাই কয় যে বিজেপিক লৈ ভয় আৰু শংকাত থকাৰ কোনো কাৰণ নাই। আনহাতে, আঙুৰলতা ডেকাই বটদ্ৰৱাৰ ভূমিক গুৰুজনাৰ স্মৃতি যাউতি-যুগীয়াকৈ ৰখাৰ বাবে গ্ৰহণ কৰা অভিলাষী প্ৰকল্পটো বিধায়িকাৰূপে তেওঁৰ সফলতা বুলি কয়।

ইপিনে, কলিয়াবৰত অগপৰ প্ৰাৰ্থী তথা মন্ত্ৰী কেশৱ মহন্তৰ হৈ শালনা চাহ বাগিচাত আয়োজিত এখন সভাত মুখ্যমন্ত্ৰী সোণোৱালে কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধীৰ নাম লৈ বিৰোধী দলটোক সমালোচনা কৰে। তেওঁ কয় যে কংগ্ৰেছে চাহ বাগিচাৰ জনসাধাৰণক কেৱল শোষণহে কৰিলে। প্ৰিয়ংকা গান্ধীয়ে মাত্ৰ তিনি ছেকেণ্ড চাহ বাগিচাত সোমাই ফটো তুলি সামাজিক মাধ্যমত দি বাঃ বাঃ ল'লে। অথচ ৬০ বছৰে এবাৰো নাভাবিলে চাহ শ্ৰমিকৰ দুৰ্দশাৰ কথা। যাৰ ফলত চাহ জনগোষ্ঠীৰ লোকসকল বহু পিছপৰি ৰ'ল। কে'বাহেজাৰ লোক সমবেত হোৱা সভাখনত মুখ্যমন্ত্ৰীয়ে চাহ জনগোষ্ঠীয় ভাষাত নমস্কাৰ জনাই মন্তব্য কৰে যে বিজেপিৰ দিনতহে আন সকলোৰে দৰে চাহ জনগোষ্ঠীৰ লোকসকলো সৰ্বতো প্ৰকাৰে সুৰক্ষিত হৈ থকাৰ লগতে উন্নয়নো হৈছে। সোণোৱালে কয়, 'আমাৰ চৰকাৰে সকলোকে মৰ্যাদা সহকাৰে জীয়াই থকাৰ সুবিধা দিছে। কংগ্ৰেছে কেৱল উন্নয়নৰ নাটকহে কৰিছিল। ধন পুৰস্কাৰ মেলা, বেংক একাউণ্ট খুলি ধন প্ৰদান, মাটিৰ পট্টা প্ৰদান, চাহ বাগিচাত ১১৯ খন হাইস্কুল স্থাপন কৰা আদি উন্নয়নমূলক কাম আমাৰ চৰকাৰেই কৰিছে।' মুখ্যমন্ত্ৰীয়ে এইবাৰ বিজেপি শাসনলৈ আহিলে ১০ খন বাগিচাৰ মাজত এখনকৈ মহাবিদ্যালয় স্থাপনৰ আঁচনি লোৱাৰ আশ্বাস দিয়ে। একেদৰে জনগোষ্ঠীটোৰ জনজাতিকৰণৰ ব্যৱস্থাৰো প্ৰতিশ্ৰুতি দিয়ে। সমান্তৰালভাৱে জনগোষ্ঠীটোৰ বাবে ৰূপায়ণ কৰা অন্যান্য আঁচনিৰ কথাও তেওঁ উল্লেখ কৰে। এইবাৰো কেশৱ মহন্তৰ জয় নিশ্চিত বুলি উল্লেখ কৰি মঞ্চতে মুখ্যমন্ত্ৰীয়ে তেওঁক বিজয় গামোচা পিন্ধায়। আনহাতে, কেশৱ মহন্তই ভাষণত কয় যে কলিয়াবৰৰ সকলো উন্নয়নমূলক কাম তেওঁ বিধায়ক তথা মন্ত্ৰী থকা সময়তে হোৱা বুলি দাবী কৰে। তাৰ তালিকাও মহন্তই দাঙি ধৰে। কলিয়াবৰৰ চৌপাষে উন্নয়নৰ ধ্বজা উৰিছে বুলিও তেওঁ কয়।

মুখ্যমন্ত্ৰীয়ে আজি গোলাঘাটৰ প্ৰাৰ্থী অজন্তা নেওগৰ হৈয়ো এখন প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। সমষ্টিটোৰ ফৰকাটিং উচ্চ মাধ্যমিক বিদ্যালয়ত আয়োজিত সভাখনতো কংগ্ৰেছ আৰু এআইইউডিএফ মুখ্যমন্ত্ৰীৰ সমালোচনাৰ লক্ষ্য হৈ পৰে। আনহাতে, অজন্তা নেওগৰ বিজয় নিশ্চিত বুলি দাবী কৰি তেওঁকো মঞ্চতে গামোচা পিন্ধাই মুখ্যমন্ত্ৰীয়ে অভিনন্দন জনায়। মুখ্যমন্ত্ৰীয়ে কয়, 'কংগ্ৰেছে গোষ্ঠীৰ নামত-ভাষাৰ নামত ৰাজনীতি কৰি, দুৰ্নীতি-ভ্ৰাষ্টাচাৰৰ বোকাত পোত গৈ ভাৰতবৰ্ষৰ বুকুত অসমক দুৰ্বল কৰিছে। কংগ্ৰেছৰ ইতিহাস কেতিয়াও পাহৰি নাযাব। কংগ্ৰেছৰ দৰে আমি ফাকিৰ আশ্ৰয় নলওঁ, ৰাইজক প্ৰতাৰণা নকৰো। ১৪ টা মৌলবাদী সংগঠনে জন্ম দিয়া এআইইউডিএফৰ লগত কংগ্ৰেছে কৰা অপবিত্ৰ মিত্ৰতাই অসমক নিঃশেষ কৰিব। গণতন্ত্ৰত ৰাইজে সৰ্বোচ্চ। উচ্চতম ন্যায়ালয়তকৈয়ো সৰ্বোচ্চ ৰাইজৰ আদালত। সেয়েহে অসম, অসমীয়া আৰু খিলঞ্জীয়াৰ সুৰক্ষিত ভৱিষ্যতৰ স্বাৰ্থত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীক সকলোৱে জয়যুক্ত কৰক।' আজিৰ সমাবেশত মহিলা সমাজৰ অংশগ্ৰহণ আছিল লক্ষ্যণীয়। উপস্থিত ৰাইজক সম্বোধন কৰি প্ৰাৰ্থী নেওগে কয় যে নতুন মন, নতুন পণ, নতুন ৰাজনৈতিক যাত্ৰাৰে তেওঁ গোলাঘাটক সৰ্বশ্ৰেষ্ঠ আৰু নিৰ্ভৰশীলৰূপে প্ৰতিষ্ঠা কৰাৰ সংকল্প গ্ৰহণ কৰিছে। এই সভাত অগপৰ সভাপতি অতুল বৰাই কয় যে গোলাঘাটৰ পাঁচোটা সমষ্টিতেই বিজেপি-অগপ মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ জয় নিশ্চিত। এই সভাত হিমাচল প্ৰদেশৰ ৰাজ্যসভাৰ সাংসদ ইন্দুবালা গোস্বামী, বিজেপি মহিলা মৰ্চাৰ সভাপতি অপৰাজিতা ভূঞা, প্ৰাক্তন বিধায়ক সুশীলা হাজৰিকা, দলৰ জিলা সভাপতি দেৱপ্ৰদীপ বৰা, বিজেপি নেতা দেৱজিৎ বৰা আদিয়ে বক্তব্য আগবঢ়ায়।

# 'কা' ৰূপায়ণৰ বাবে দৃঢ় বিজেপি

*তিনি পৃষ্ঠাৰ পৰা* অংগীকাৰবদ্ধ হৈ আহিছো। সেই লক্ষ্যৰে আমি আগবাঢ়ো আৰু উন্নয়নক গতি প্ৰদান কৰিবলৈ সক্ষম হওঁ। এতিয়া এক গতি আহিছে আৰু ইয়াৰ পাছত আমি এক বৃহৎ জাঁপ মাৰিবলৈ থিয় দিছো। হতাশাৰ অসমৰ পৰা গতিশীল অসম নিৰ্মাণ আৰু ইয়াৰ পাছত পৰৱৰ্তী সময়ত বিকাশৰ দিশে এক বৃহৎ জাঁপ মাৰি নতুন উচ্চতাৰ অসমৰ দিশলৈ আমি সাজু হৈছো। আগন্তুক পাঁচ বছৰত অসমক এক বৃহৎ উচ্চতালৈ লৈ যোৱাৰ শক্তিৰে আমি এক আকাংক্ষাৰে আগবাঢ়িছো। এক নতুন উচ্চতাৰ অসম নিৰ্মাণৰ বাবে বৃহৎ জাঁপ মাৰিবলৈ আমি অংগীকাৰবদ্ধ। এই ১০টা সংকল্প আজিৰ আমাৰ সংকল্প পত্ৰত সন্নিবিষ্ট কৰা হৈছে।'

২০২১ৰ নিৰ্বাচনৰ সংকল্প পত্ৰত সন্নিবিষ্ট আত্মনিৰ্ভৰ অসমৰ বাবে ১০টা সংকল্প বিৱৰি নড্ডাই কয় যে প্ৰথমটো সংকল্প হৈছে বানমুক্ত অসম। মিছন ব্ৰহ্মপুত্ৰ অভিযানৰ জৰিয়তে বানৰোধৰ বিজ্ঞানসন্মত পদ্ধতিৰ ব্যৱহাৰেৰে বানপানীৰ ত্ৰাসৰ পৰা অসমক মুক্ত কৰি বিকাশৰ নতুন কাহিনী ৰচিবলৈ বিজেপি চৰকাৰৰ সংকল্পৰ বিষয়ে তেওঁ উল্লেখ কৰে। এই মিছন ব্ৰহ্মপুত্ৰ হ'ব বহুমুখী পৰিকল্পনা। দ্বিতীয়টো সংকল্প ব্যাখ্যা কৰি তেওঁ কয় যে অৰুণোদয় আঁচনিৰ অধীনত মাহিলি মহিলাসকলে লাভ কৰা ধনৰ পৰিমাণ ৮৩০ টকাৰ পৰা তিনি হেজাৰ টকালৈ পৰ্যায় ক্ৰমে বৃদ্ধি কৰা হ'ব আৰু এই আঁচনিৰ জৰিয়তে ৩০ লাখ পৰিয়ালক সামৰি লোৱা হ'ব। 'আমি অসমৰ সংস্কৃতি ৰক্ষাৰ বাবে দায়বদ্ধ আৰু কংগ্ৰেছ সদায়ে উদাসীন। অসমৰ নামঘৰ-সত্ৰসমূহ বেদখলমুক্ত তথা পুনৰ নিৰ্মাণৰ বাবে আমি সংকল্পবদ্ধ। সত্ৰ-নামঘৰক বেদখলমুক্ত কৰিবলৈ এটা টাস্ক ফৰ্চ গঠন কৰিম। তদুপৰি সকলো নামঘৰ আৰু জনজাতি উপাসনাথলীলৈ ২.৫ লাখ টকা পৰ্যন্ত সাহায্য আগবঢ়োৱা হ'ব।' তেওঁ এইদৰে কয়। আনহাতে, চতুৰ্থ সংকল্পটো হৈছে শিশু উন্নয়ন। নড্ডাই কয় যে শিশুসকলক উন্নত মানৰ শিক্ষা প্ৰদানৰ বাবে সকলো চৰকাৰী বিদ্যালয়তে বিনামূলীয়া শিক্ষাদানৰ বাবে শিশু উন্নয়ন অভিযান আৰম্ভ কৰা হ'ব। স্কুলীয়া শিক্ষাগ্ৰহণ সুচল কৰি তুলিবলৈ আৰু বিদ্যালয় শিক্ষা অৰ্ধসমাপ্ত কৰাৰ সমস্যা ৰোধ কৰিবলৈ অষ্টম শ্ৰেণীৰ পৰা সকলো চৰকাৰী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক বিনামূলীয়া চাইকেল প্ৰদান কৰা হ'ব। পঞ্চমটো সংকল্প ঘোষণা কৰি তেওঁ কয়, 'আমি সংশোধিত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ বাবে কাম কৰিম। উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ অনুসৰি এন আৰ চিৰ আমি শৃংখলিতৰূপত সংশোধন কৰি প্ৰকৃত ভাৰতীয় নাগৰিকক সুৰক্ষা দিম আৰু অবৈধসকলক চিনাক্ত কৰিম।' এই সংকল্পৰ জৰিয়তে বিজেপিয়ে সকলো অবৈধ প্ৰব্ৰজনকাৰীৰ নাম তালিকাৰ পৰা বাদ দিব বুলিও সভাপতিজনে কয়। আনহাতে, ষষ্ঠ সংকল্প ব্যাখ্যা কৰি বিজেপিৰ সভাপতিজনে কয় যে অসমবাসীৰ ৰাজনৈতিক অধিকাৰ সুৰক্ষিত কৰিবলৈ সমষ্টি পুনৰ নিৰ্ধাৰণৰ প্ৰক্ৰিয়া খৰতকীয়া কৰা হ'ব। ইয়াৰ পাছত সপ্তম সংকল্পটো হৈছে— অত্যাৱশ্যকীয় সামগ্ৰী উৎপাদনেৰে অসমক আত্মনিৰ্ভৰশীল কৰি গঢ়ি তোলা। ইয়াৰ বাবে অসম আহাৰ আত্মনিৰ্ভৰতা আঁচনি গ্ৰহণ কৰা হ'ব। অসমক অহা পাঁচ বছৰৰ ভিতৰত বিশেষকৈ মীন, পশুধন, গাহৰি আৰু উদ্যান শস্যৰ ক্ষেত্ৰত আত্মনিৰ্ভৰ কৰাৰ লক্ষ্য লোৱা হৈছে। অষ্টম সংকল্পটো হৈছে অসমক ভাৰতৰ ভিতৰতে দ্ৰুত কৰ্মসংস্থাপন প্ৰদানকাৰী ৰাজ্য হিচাপে গঢ়ি তোলা। 'আমি অসমৰ যুৱ প্ৰজন্মৰ বাবে দুই লাখ চৰকাৰী চাকৰি প্ৰদানৰ ব্যৱস্থা কৰিম। ইয়াৰ ভিতৰত অহা ২০২২ৰ ৩১ মাৰ্চৰ পূৰ্বে এক লাখ চাকৰি দিয়া হ'ব। তদুপৰি ব্যক্তিগত খণ্ডত অসমৰ যুৱকসকলৰ বাবে আঠ লাখ জীৱিকাৰ সুবিধা প্ৰদানৰ ব্যৱস্থা কৰিম।' নড্ডাই এইদৰে ঘোষণা কৰে। সংকল্প পত্ৰত ঘোষণা কৰা নৱমটো সংকল্প সদৰী কৰি নড্ডাই কয় যে অসমক ভাৰতৰ ভিতৰত সৰ্বাধিক উদ্যমিতা সম্পন্ন ৰাজ্য হিচাপে গঢ়ি তুলিবলৈ স্বয়ম আঁচনিৰ জৰিয়তে ১০ লাখ যুৱ উদ্যমীৰ সৃষ্টি কৰা হ'ব। পৰৱৰ্তী পাঁচ বছৰৰ ভিতৰত দুই লাখ নিবনুৱা যুৱকক প্ৰতি বছৰে সহযোগিতা আগবঢ়োৱা হ'ব বুলি তেওঁ কয়। আনহাতে, দশমটো সংকল্প অনুসৰি অসমৰ ভূমিহীন সকলো নাগৰিকক পৰ্যায়ক্ৰমে ভূমিপট্টা প্ৰদানৰ ব্যৱস্থা কৰা হ'ব।

বিজেপি সভাপতিজনে কয় যে সামূহিক উন্নয়ন বুলিলে বিভিন্ন আন্তঃগাঁথনি নিৰ্মাণ, স্বাস্থ্য-শিক্ষা খণ্ডকে ধৰি সকলো সৰু-বৰ খণ্ডৰ স'তে জড়িত আঁচনিক শক্তিশালীকৰণকে বুজায়। ইতিমধ্যে উত্তৰ-পূবক ব্ৰডগজ ৰেলেৰে যোগাযোগৰ ব্যৱস্থাৰ লগতে বিমান সংযোগ ব্যৱস্থাও উন্নত কৰা হৈছে। পথ যোগাযোগৰ লগতে জল আৰু বায়ুপথ যোগাযোগৰ ব্যৱস্থাও উন্নীতকৰণৰ বাবে বিজেপি চৰকাৰে সংকল্প লৈছে বুলি উল্লেখ কৰি নড্ডাই কয়, 'নিৰ্বাচনৰ এই মুহূৰ্তত অসমৰ বিভিন্ন ঠাইলৈ গৈছো, এতিয়া মানুহে কয় যে পূৰ্বৰ তিনিঘণ্টাৰ পথ এঘণ্টাতে অতিক্ৰম কৰিব পাৰি। অৰুণাচললৈ পথ নিৰ্মাণ হৈ আছে। ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ কৰি থকা হৈছে। পাঁচ বছৰীয়া কাৰ্যকালত ব্ৰহ্মপুত্ৰৰ ওপৰত ছখন দলং নিৰ্মাণ বৃহৎ সাফল্য। স্বাস্থ্য খণ্ডৰ বিষয়ে এই কথা জানিবলৈ পাই মই সুখী হৈছো যে ছখন নতুন মেডিকেল কলেজ আৰু পাঁচটা ছুপাৰ স্পেচিয়েলিটি ব্লক অসমে লাভ কৰিছে।' তদুপৰি তেওঁ দোহাৰে যে অসমৰ সংস্কৃতি, ভাষা, অসমৰ মহিলা সৱলীকৰণৰ বাবে বিজেপি অংগীকাৰবদ্ধ।

সংকল্প পত্ৰ মুকলি কৰাৰ পাছতে সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত নড্ডাই নাগৰিকত্ব সংশোধনী আইন সন্দৰ্ভত চৰকাৰৰ স্থিতি স্পষ্ট কৰি কয়, 'কা আইন গ্ৰহণ কৰা হৈছে আৰু ইয়াক ৰূপায়ণ কৰা হ'ব।' আনহাতে, অবৈধ প্ৰব্ৰজন সন্দৰ্ভত নড্ডাই কয়, 'এই কথা অতি স্পষ্ট যে কংগ্ৰেছে অনুপ্ৰৱেশত সমৰ্থন কৰে। বিজেপি একমাত্ৰ শক্তি যিয়ে ইয়াৰ বিৰুদ্ধে সৰৱ হোৱাই নহয়, অনুপ্ৰৱেশ ৰোধ কৰিবলৈ চেষ্টা কৰি আহিছে। বিগত পাঁচ বছৰত বিভিন্ন প্ৰচেষ্টা গ্ৰহণ কৰা হৈছে। বিজ্ঞানসন্মত আৰু প্ৰযুক্তিগতভাৱে সীমান্তৰ শক্তিশালীকৰণৰ বাবে আমাৰ চৰকাৰে কাম কৰিছে। সীমান্ত শক্তিশালী কৰাৰ ক্ষেত্ৰত আমি সৰ্বাধিক পৰ্যায়ত সফল হৈছো।' নড্ডাই লগতে কয় যে ই এক ধাৰাবাহিক প্ৰক্ৰিয়া।

ইপিনে, কংগ্ৰেছ ক্ষমতালৈ আহিলে নাগৰিকত্ব আইন বাতিল কৰিব বুলি দিয়া প্ৰতিশ্ৰুতিৰ বিষয়ে সোধাত তেওঁ কয়, 'কংগ্ৰেছৰ দৃষ্টিভংগীৰ ওপৰত আৰু বুদ্ধিমত্তাৰ ওপৰত প্ৰশ্ন উত্থাপন কৰাটো উচিত নহ'ব। এই আইনখন এখন কেন্দ্ৰীয় আইন। অসমত ভোট দি এই আইনখন সলনি কৰিব পৰা নাযায়। এয়া তেওঁলোকৰ অজ্ঞানতা নে প্ৰৱঞ্চনা কোৱাটো কঠিন। এই দুয়োটাই অসমৰ জনসাধাৰণৰ বাবে ক্ষতিকাৰক আৰু ঘাতক। সেয়েহে আমি কওঁ যে কংগ্ৰেছৰ পৰা অসম বচাওক আৰু বিজেপিৰ স'তে আগবাঢ়ক।' আনহাতে, এআইইউডিএফৰ মুৰব্বী বদৰুদ্দিন আজমলক বিজেপিয়ে কৰা আক্ৰমণ অসমৰ সম্প্ৰীতিৰ ওপৰত আক্ৰমণ বুলি কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে কৰা মন্তব্যৰ তীব্ৰ কটাক্ষ কৰি নড্ডাই কয়, 'অসমৰ পৰিচয় শ্ৰীমন্ত শংকৰদেৱ, ড° ভূপেন হাজৰিকা আৰু গোপীনাথ বৰদলৈৰ দৰে ব্যক্তিত্ব। অসমৰ পৰিচয় বদৰুদ্দিন যদি হয় আৰু সেইজন লোক ২০০৬ত তেওঁলোকৰে মুখ্যমন্ত্ৰীয়ে যাক 'হু ইজ বদৰুদ্দিন' বুলি প্ৰশ্ন কৰিছে তেন্তে তেওঁলোকৰ জ্ঞানৰ ওপৰত সন্দেহ হয় আৰু ৰাজনীতিৰ ওপৰত প্ৰশ্ন উত্থাপন হয়। দল শিশুৰ হাতত গতাই দিলে এনে কথাই হয়।' আনহাতে, অসম চুক্তিৰ ছয় নম্বৰ দফা ৰূপায়ণৰ বাবে বিজেপি সংকল্পবদ্ধ বুলি তেওঁ কয়।

সম্প্ৰতি প্ৰিয়ংকা গান্ধীকে ধৰি কংগ্ৰেছ নেতৃত্বই চাহ বাগিচাত প্ৰচাৰ অভিযানে বিজেপিক ক্ষতি কৰিব নেকি বুলি সোধাত নড্ডাই কয় যে কংগ্ৰেছে দীঘলীয়া সময় চাহ বাগিচাক ভোট বেংক হিচাপে ব্যৱহাৰ কৰি আহিছে। বিগত ৫০ বছৰত চাহ বাগিচাৰ বাবে কংগ্ৰেছে কি কৰিলে সেই প্ৰশ্ন উত্থাপন কৰে নড্ডাই। বিজেপিয়ে চাহ শ্ৰমিকক বেংকৰ সুবিধা প্ৰদান কৰা বুলি উল্লেখ কৰি তেওঁ কয় যে এই পৰ্যন্ত সাত লাখ ২০ হেজাৰ বেংক একাউণ্ট মুকলি কৰি প্ৰতিটো একাউণ্টত অসম চৰকাৰে আৰ্থিক সৱলীকৰণৰ বাবে মুঠ আঠ হেজাৰ টকা আদায় দিছে। তদুপৰি চাহ বাগিচাৰ বিদ্যালয়সমূহ শক্তিশালীকৰণৰ বাবে মোদী চৰকাৰে কাম কৰিছে। কংগ্ৰেছক কটাক্ষ কৰি নড্ডাই কয়, 'এতিয়া চাহ বাগিচাত তেওঁলোক গৈছে। এতিয়া অফ ছিজন। এপ্ৰিলৰ পাছতহে পাত ছিঙে, মাৰ্চত গ'লে কাম নহ'ব। অৱশ্যে ফটো হ'ব পাৰে। সকলো বস্তু সময়তহে বিকশিত হয়। ২৭ মাৰ্চৰ পাছত ভাল ছিজন আহিব।'

# সমাজ সেৱা কৰাৰ বাবে উগ্ৰ প্ৰৱণতা

*তিনি পৃষ্ঠাৰ পৰা* সাধাৰণ পথ হ'লেও আপত্তি কৰিবলগীয়া একো নাছিল; কিন্তু আমি সকলোৱেই বিধায়ক বা সাংসদ হ'ব বিচাৰো। তেনে পথেৰেহে যে সমাজ সেৱা কৰিব পাৰি সেই কথাটোৰ ওপৰতহে জোৰ দিব বিচাৰো।

প্ৰতিটো ৰাজনৈতিক দলৰেই একোটি নিজস্ব আদৰ্শ থাকে। তেনে আদৰ্শক আগবঢ়াই নিয়াৰ ক্ষেত্ৰতো যে আমাৰ বিশেষ আগ্ৰহ তেনেও নহয়। আমাৰ সৰহভাগৰেই ৰাজনৈতিক কোনো আদৰ্শ নাই। তেনে আদৰ্শক আগবঢ়াই নিয়াৰ ক্ষেত্ৰতো আমাৰ কোনো আগ্ৰহ নাই। আমি দেখিছো, আমাৰ অনেক ক্ষমতাপ্ৰিয় লোকে প্ৰয়োজন সাপেক্ষে ইটো দলৰ পৰা সিটো দললৈ গৈছে নিজৰ নিজৰ ব্যক্তিগত এজেণ্ডাৰ বাবে। দলীয় এজেণ্ডাও তেনেবোৰ ক্ষেত্ৰত একেবাৰে গুৰুত্বহীন হৈ পৰাটোহে লক্ষ্যণীয়। তাৰ মানে একোগৰাকী ৰাজনীতিবিদৰ মনত নিজৰ দলীয় আদৰ্শৰ প্ৰতিও আনুগত্যহীনতা দিনৰ পোহৰৰ দৰে ভাস্বৰ। আচল কথা, ক্ষমতাপ্ৰাপ্তি আৰু আত্মপ্ৰতিষ্ঠাৰ ভাব। সমাজ সেৱাৰ কথাবোৰ মূলতঃ শ্ল'গানধৰ্মী আৰু অন্তঃসাৰশূন্য। সকলো ৰাজনীতিকৰ ক্ষেত্ৰতেই যে এনে কথা প্ৰযোজ্য হ'ব তেনেও নহয়। অটল বিহাৰী বাজপেয়ীৰ দৰে ৰাজনীতিকসকল এতিয়া আমাক অনুপ্ৰাণিত কৰিবলৈ বা মাৰ্গদৰ্শন কৰাবলৈ ইহজগতত নাই। এতিয়া সমাজ সেৱাৰ কথা কৈ ক্ষমতাৰ আসন দখল কৰিব লাগে। ক্ষমতাত থাকিব নোৱাৰিলে দলত থাকিয়েই বা কি লাভ? এনে ধ্যান-ধাৰণাই আমাৰ সমাজ সেৱাৰ উগ্ৰ প্ৰৱণতাৰ নেপথ্যত অতি সক্ৰিয়।

সমাজ সেৱা কৰিবলৈ অনেক পথ আছে; কিন্তু আমাৰ অসমীয়া সমাজত ৰাজনীতিৰ পথটোহে অধিক জনপ্ৰিয়। সেইবাবেই মন্ত্ৰী-বিধায়ক হ'বলৈ অনেকৰেই উগ্ৰতা। এই পথটোৰে অগ্ৰসৰ হ'বলৈ খুজিলে অইন অইন অনেক সুবিধাও আছে। ৰাজনীতি ক্ষেত্ৰখনত অৱতীৰ্ণ হ'বলৈ প্ৰাৰ্থীক ভোট বেংকৰ প্ৰয়োজন। ভোট বেংক তৈয়াৰ কৰিবলৈ সমাজ বিভাজনৰ প্ৰশ্ন এটাও আহি পৰে। আমাৰ সমাজ জীৱন অনেক সম্প্ৰদায়, অনেক গোষ্ঠী, অনেক ক্ষুদ্ৰ ক্ষুদ্ৰ জনগোষ্ঠী, অনেক ধৰ্মাৱলম্বীৰে ভৰপূৰ। একোটা ধৰ্মৰ মাজতেই অনেক সম্প্ৰদায়। শক্তিপন্থী, বৈষ্ণৱপন্থী, চুলি কটা, চুলি নকটা, ব্ৰাহ্মণপন্থী, ব্ৰাহ্মণবিৰোধী, সত্ৰানুৰাগী, সত্ৰত অবিশ্বাসী ইত্যাদি ইত্যাদি। আজিকালি অসমত শংকৰদেৱৰ পন্থীসকলৰ মাজতো অনেক ভাগ— নিকাসংহতি, ব্ৰহ্মসংহতি, কালসংহতি, পুৰুষ সংহতি ইত্যাদি। আমাৰ সত্ৰত বিশ্বাসী লোকসকলৰ মাজতো ভিন ভিন ভাগ। কোনোবা সত্ৰত সত্ৰাধিকাৰ হ'বলৈ ব্ৰাহ্মণ সন্তান হ'বই লাগিব। ক'ৰবাত আকৌ সম্পূৰ্ণ গণতান্ত্ৰিক পদ্ধতিৰেহে তেনে পদাধিকাৰ হ'ব পাৰি। কোনোবা সত্ৰত সকলোৱে প্ৰৱেশাধিকাৰ থাকে। ক'ৰবাত আকৌ মহিলাৰ প্ৰৱেশত বাধা।

ভাৰতীয় সংবিধানত সংৰক্ষণৰ দফাটো মাত্ৰ ১০ বছৰৰ কাৰণেহে প্ৰযোজ্য আছিল। তাৰ পাছত ২০ বছৰ। তাৰ পাছত ৩০ বছৰ। তাৰ পাছত ৪০ বছৰ। এই পদ্ধতিৰেই আমি সাতটা দশক অতিক্ৰম কৰিলো। এনে ব্যৱস্থা সম্ভৱ হৈছে সমাজক ভাগ ভাগ কৰি ৰখাৰ ব্যৱস্থাৰ মাজেৰেহে। এনে বিভাজন নীতিৰ মাজেৰেই আমাৰ ৰাজনৈতিক যাত্ৰা ফলদায়কতা সম্ভৱ। অসমৰ ৰাজনীতিকে সমাজৰ সকলোকে সমপৰ্যায়ৰ বুলি ঘোষণা কৰি ৰাজনীতি কৰিব নোৱাৰে। সংৰক্ষণৰ ন্যায়নীতি যে বৈদিক ভাৰতীয় সমাজ ব্যৱস্থাৰ নতুন সংস্কৰণ তাত সন্দেহ নাই। এতিয়া অসমত ব্ৰাহ্মণপন্থী, কলিতাপন্থী, কেওটপন্থী, হিন্দু, মুছলমান ইত্যাদি ইত্যাদি।

ভাষাকেন্দ্ৰিক বিভাজনবোৰো এতিয়া আমাৰ ৰাজনৈতিক ক্ষেত্ৰখনত বৰ সক্ৰিয় হৈ উঠিছে। অসমীয়া ভাষাৰ প্ৰতি অত্যধিক দৰদ প্ৰদৰ্শন কৰা বড়ো নেতাজনে বড়ো মাধ্যমৰ ভোট পাব বুলি আশা নকৰাই ভাল। একেদৰে অসমীয়া ভাষা কোৱা লোকৰ ভোট আৰু বাংলাভাষীৰ ভোট— এনেবোৰ কথাৰ আঁৰতো ক্ষমতাপ্ৰিয় ৰাজনীতিকৰ অদৃশ্য হাত।

এতিয়া অসমত ধৰ্মকেন্দ্ৰিক ৰাজনীতি জনপ্ৰিয় হৈ উঠিছে। ধৰ্মৰ নামত ভাৰতবাসীক বিভাজিত কৰি ৰখাটো এক উজু কাম। ভাৰতবৰ্ষখন হিন্দুস্তান আৰু পাকিস্তান নামেৰে বিভাজিত হৈছে ধৰ্মৰ নামতেই। ধৰ্মীয় বিচাৰ-বিবেচনাৰে সমাজখন বিভাজিত কৰি ৰখা সুন্দৰ পথ আমাৰ ৰাজনীতিকসকলেও বুজিছে। এতেকে, সমাজ সেৱা কৰিবলৈ তেওঁলোকক ৰাজনীতিৰ পথ লাগিব, আৰু ৰাজনীতিৰ পথত ক্ষমতাৰ বাবে আগবাঢ়িবলৈ ধৰ্মান্ধতাক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিব লাগিব বুলি তেওঁলোকে নিজেও বুজিবলৈ প্ৰয়াস কৰিছে আৰু আমাকো বুজাবলৈ চেষ্টা কৰিছে।

সমাজ সেৱা কৰিবলৈ আমাৰ অঞ্চলৰ সৰহ ভাগ লোকেই ৰাজনীতিৰ বাহিৰে অইন পথ বিচাৰিবলৈ যত্নও কৰা নাই। বিচাৰিবলৈ ইচ্ছাও কৰা নাই। ৰাজনীতিৰ পথেৰেই যে আমাৰ প্ৰজন্মই সমাজ সেৱাৰ নামত আত্মপ্ৰতিষ্ঠা বিচাৰে সেই সত্যও এতিয়া সৰ্বজনবিদিত। দলীয় স্বাৰ্থৰ লগতে প্ৰাৰ্থীৰ স্বাৰ্থ। প্ৰাৰ্থীৰ স্বাৰ্থৰ লগতে বিভাজিত সামাজিক গোটবোৰৰো নিজস্ব ক্ষুদ্ৰ ক্ষুদ্ৰ স্বাৰ্থ। এতিয়া গণতন্ত্ৰৰ নামত অনেক ভোটাৰে নিজকে ক্ৰয়-বিক্ৰয় কৰাৰ পৰিৱেশ এটাও গঢ়ি উঠিছে। এনেবোৰ কথাই ভাৰতীয় গণতন্ত্ৰক এক প্ৰহসনত পৰিণত কৰিবলৈ আৰম্ভ কৰিছে বুলি সচেতন ৰাইজে নভবাকৈ থকা নাই। এনে প্ৰেক্ষাপটতেই আমি আমাৰ সমাজ সেৱা কৰাৰ উগ্ৰ প্ৰৱণতাক পৰ্যালোচনা কৰিব লাগিব। পিছে, সময় সদায় একে নাথাকে। আমি ইতিহাস পৰ্যালোচনা কৰাও দৰকাৰ। সমাজ সেৱা কৰিবলৈ ৰাজনীতিৰ পথ লোৱা ব্যক্তিসকলে প্ৰকৃতাৰ্থত সমাজ সেৱা কৰাটোৰেই বিচাৰো।

*ফোন ঃ ৯৮৫৪০৫০৯৪৭*



ফৰকাটিঙত নির্বাচনী প্ৰচাৰ সভাত মুখ্যমন্ত্ৰী সর্বানন্দ সোণোৱালৰ স'তে কৃষিমন্ত্ৰী অতুল বৰা।

# হিমাৰ দৌৰৰ তীব্ৰতাৰ সমানে সমানে অসমে উন্নতিৰ জখলাৰে দৌৰিব ঃ সিং

**■ আগতে ৰাজীৱ গান্ধীয়ে অসমলৈ এশ টকা পঠালে ১৫ টকাহে পাইছিলহি ■ অসমীয়াতে সম্বোধন কৰি লামডিং-হোজাইত বিজেপি প্ৰাৰ্থীৰ হৈ প্ৰচাৰ প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ**

**অগ্ৰদূত বাৰ্তা**

**হোজাই/লামডিং/কাকী, ২৩ মাৰ্চ ঃ** 'হিমা দাসৰ দৌৰৰ তীব্ৰতাৰ সমানে সমানেই অসমে উন্নতিৰ জখলাৰে দৌৰিব।' এই মন্তব্য দেশৰ প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ। আজি প্ৰতিৰক্ষা মন্ত্ৰীজনে হোজাই আৰু লামডিঙৰ বিজেপি প্ৰাৰ্থী ক্ৰমে ৰামকৃষ্ণ ঘোষ আৰু শিবু মিশ্ৰৰ হৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। প্ৰথমে লামডিঙত অনুষ্ঠিত সভাত অংশ লোৱাৰ পাছত তেওঁ হোজাইত উপস্থিত হয়।

লামডিঙৰ ছহিদ ময়দান আৰু হোজাইৰ বিহুতলীত অনুষ্ঠিত সভা দুখনৰ আৰম্ভণিতে প্ৰতিৰক্ষা মন্ত্ৰী সিঙে অসমীয়াতে 'ভালে আছেনে' বুলি ৰাইজক সম্বোধন কৰি কয়, 'মই অলপ অলপ অসমীয়া ক'ব পাৰো।' ৰাজ্য চৰকাৰৰ বিভিন্ন আঁচনিৰ বাবে বহুতো লোক উপকৃত হ'ব বুলি মন্তব্য কৰি কেন্দ্ৰীয় মন্ত্ৰীজনে কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধীক কটাক্ষ কৰি কয়, 'তেওঁ অসমৰ চাহ গছৰৰ মাজে মাজে পিঠিত টুকুৰী লৈ ফটো উঠিবলৈ আহে, কিন্তু অসমৰ চাহৰ প্ৰকৃত মূল্য প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েহে বুজে।' কেন্দ্ৰীয় চৰকাৰ উত্তৰ-পূৰ্বাঞ্চলৰ বাবে লোৱা বিভিন্ন উন্নয়নমূলক আঁচনিৰ খতিয়ান দাঙি ধৰি সিঙে সংশোধিত নাগৰিকত্ব আইনৰ প্ৰসংগত কয়, 'অসমত 'কা' কাৰ্যকৰী হ'লে অসমত বিদেশী সোমাই অসমৰ ভৌগোলিক মানচিত্ৰ পৰিৱৰ্তন হ'ব বুলি একাংশই যি অপপ্ৰচাৰ কৰি এই আইনখনৰ সন্দৰ্ভত ভুল ব্যাখ্যা কৰিছে, সেয়া সম্পূৰ্ণৰূপে মিছা। কাৰণ অসমত 'কা' কাৰ্যকৰী হ'লে অসমৰ ভৌগোলিক মানচিত্ৰৰ আৰু অসমৰ সভ্যতা-কৃষ্টি-সংস্কৃতি অক্ষুণ্ণ থকাৰ লগতে অনুপ্ৰৱেশকাৰীসকলক কেৱল অসমতেই নহয়, ভাৰতৰ বিভিন্ন ৰাজ্যতে সংস্থাপন কৰা হ'ব। অসমৰ ভাষা-সংস্কৃতি আৰু ইয়াৰ ঐতিহ্য ৰক্ষাৰ দায়িত্ব আমাৰ। এই আইনক লৈ একাংশ বিৰোধীয়ে ৰাইজক বিপথে পৰিচালিত কৰিছে।' সোণোৱাল চৰকাৰৰ কাম-কাজক ভূয়সী





প্ৰশংসা কৰি কেন্দ্ৰীয় মন্ত্ৰীজনে কয় যে পৱিত্ৰ ৰাজ্য অসমৰ আন ৰাজ্যৰ স'তে তুলনা নহয়। শ্ৰীমন্ত শংকৰদেৱ, ড০ ভূপেন হাজৰিকাক সুঁৱৰি সিঙে কয় যে সুধাকণ্ঠক বিজেপি চৰকাৰেই ভাৰত-ৰত্ন প্ৰদান কৰিছিল। প্ৰয়াত তৰুণ গগৈৰ চৰকাৰৰ দিনত অসমত ছানি ধৰা সন্ত্ৰাসবাদক সম্পূৰ্ণৰূপে নিৰ্মূল কৰা বুলি মন্তব্য কৰি প্ৰতিৰক্ষা মন্ত্ৰীজনে লগতে কয় যে এতিয়া দেশৰ সেনাবাহিনী ইমানেই শক্তিশালী হৈ পৰিছে যে দেশক কোনো শক্তিয়েই ক্ষতি কৰিব নোৱাৰে। কংগ্ৰেছক চোকা সমালোচনা কৰি কেন্দ্ৰীয় মন্ত্ৰীজনে কয়, 'পূৰ্বৰ প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীয়ে দিল্লীৰ পৰা এশ টকা পঠালে অসমত আহি ১৫ টকা পাইছিল। দুৰ্নীতিৰ শিপা ইমান দূৰলৈকে কংগ্ৰেছৰ সময়ত পোত গৈ আছিল বাবেই গোটেই টকা ৰাইজৰ বাবে নাহি কংগ্ৰেছৰ দালালৰ পকেটত সোমাইছিল।' সেই দালালৰাজ আৰু দুৰ্নীতি বন্ধ কৰাৰ বাবেই প্ৰধানমন্ত্ৰী মোদীয়ে সকলোকে বেংক একাউণ্ট খুলিবলৈ দিলে বুলিও তেওঁ কয়। আজিৰ সভাত বিজেপিৰ অসমৰ প্ৰভাৰী বৈজয়ন্ত জয় পাণ্ডাও উপস্থিত থাকে।

**তলাবন্ধত ঋণৰ কিস্তি সম্পূৰ্ণৰূপে মকুব নহয়**

# কেন্দ্ৰ-ৰিজাৰ্ভ বেংকৰ নীতিত হস্তক্ষেপ নকৰে উচ্চতম ন্যায়ালয়ে

**নিউজ ব্যুৰ'**

**নতুন দিল্লী, ২৩ মাৰ্চ ঃ** তলাবন্ধৰ সময়ত ছমাহৰ বাবে বেংক ঋণৰ কিস্তি পৰিশোধ স্থগিত ৰখাৰ ঘোষণা কৰিছিল কেন্দ্ৰীয় চৰকাৰে। এই ৰেহাই কালত (ম'ৰেটেৰিয়াম)ত কিস্তিৰ সুদত ৰেহাই পোৱাৰ প্ৰসংগত আজি ৰায় দিলে উচ্চতম ন্যায়ালয়ে। সুদত সম্পূৰ্ণ ৰেহাই দিয়াটো সম্ভৱ নহয় বুলিয়ে স্পষ্ট কৰি দিলে শীৰ্ষ আদালতে। কালি উচ্চতম ন্যায়ালয়ে কয় যে সুদত সম্পূৰ্ণৰূপে ৰেহাই দিলে বেংকসমূহ সমস্যাত পৰিব। কিয়নো বেংকসমূহেও তেওঁলোকৰ অংশীদাৰ, বিনিয়োগকাৰী আৰু অন্যান্য গ্ৰাহকসকলক সুদ দিব লাগে। সেয়ে বেংক ঋণৰ কিস্তি



স্থগিত ৰখা প্ৰকল্পৰ সুদত সম্পূৰ্ণ ৰেহাই দিয়াটো সম্ভৱ নহয়।

ন্যায়াধীশ অশোক ভূষণৰ নেতৃত্বত তিনিজনীয়া খণ্ড বিচাৰপীঠে লগতে জনাইছে যে কেন্দ্ৰ আৰু ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ঋণৰ কিস্তি স্থগিত নীতিত উচ্চতম ন্যায়ালয়ে হস্তক্ষেপ কৰিব নিবিচাৰে। ইয়াৰ লগতে উচ্চতম ন্যায়ালয়ে ঋণত সুদ ৰেহাইৰ সময় সীমা বৃদ্ধিৰ আবেদনো নাকচ কৰিছে। নিজৰ ৰায়ত খণ্ড বিচাৰপীঠে কয়, 'ৰাষ্ট্ৰীয় অৰ্থনীতিৰ বাবে কোনটো ভাল আৰু আৰ্থিক অনুদান প্ৰকল্প ঠিক কেনে হ'ব, সেয়া বিশেষজ্ঞসকলৰে আলোচনা কৰি কেন্দ্ৰীয় চৰকাৰ আৰু ৰিজাৰ্ভ বেংকে ঠিক কৰিব। যেতিয়ালৈকে এই ধৰণৰ কোনো আৰ্থিক প্ৰকল্পত দুৰ্নীতিৰ অভিযোগ পোৱা নাযায়, তেতিয়ালৈকে দেশৰ আইন ব্যৱস্থাই ইয়াত হস্তক্ষেপ কৰিব নোৱাৰে।' অৱশ্যে উচ্চতম ন্যায়ালয়ে স্পষ্ট কৰি দিছে যে এই প্ৰকল্পৰ সময়সীমাৰ ভিতৰত বেংকসমূহে চক্ৰবৃদ্ধি হাৰত সুদ ল'ব নোৱাৰিব। উল্লেখ্য যে ক'ভিড পৰিস্থিতিত দেশৰ সাধাৰণ মানুহ আৰু প্ৰতিষ্ঠানসমূহক সকাহ দিয়াৰ বাবে বেংক ঋণৰ কিস্তি পৰিশোধ ছমাহ পিছুৱাই দিয়াৰ ম'ৰেটেৰিয়াম ঘোষণা কৰিছিল ৰিজাৰ্ভ বেংকে। কিন্তু এই ম'ৰেটেৰিয়াম পৰ্বত সুদ দিয়াৰ ক্ষেত্ৰত ৰেহাই পোৱা যাব নে নাই, এই বিষয়ত অস্পষ্টতা ৰৈ গৈছিল। সেই সময়তে ৰিজাৰ্ভ বেংকে জনাইছিল যে যিসকল লোকে ঋণৰ কিস্তি পৰিশোধৰ সময়সীমা পিছুৱাই দিয়াৰ সুবিধা ল'ব, তেওঁলোকে সেই সময়ৰ সুদখিনি পৰৱৰ্তী সময়ত পৰিশোধ কৰিব লাগিব। এই ঘোষণাৰ পাছতে কেন্দ্ৰীয় চৰকাৰ আৰু ৰিজাৰ্ভ বেংকৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ত একাধিক গোচৰ ৰুজু হৈছিল। সেই গোচৰৰ ৰায়তে এই নিৰ্দেশ দিলে উচ্চতম ন্যায়ালয়ে।

# অভিযোগনামাৰ পাছতো স্থবিৰ পুৰ্ণেন্দু লাংথাছাৰ বিচাৰ প্ৰক্ৰিয়া

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৩ মাৰ্চ ঃ** কংগ্ৰেছৰ প্ৰাক্তন মন্ত্ৰী প্ৰয়াত গোবিন্দ লাংথাছাৰ পুত্ৰ পুৰ্ণেন্দু লাংথাছা আৰু ভতিজাক নিন্দু লাংথাছাক প্ৰায় ১৪ বছৰ পূৰ্বে দুৰ্বৃত্তই হত্যা কৰা ঘটনাটোৰ অভিযোগনামা দাখিলৰ পাছতো বিচাৰ প্ৰক্ৰিয়াত কোনো অগ্ৰগতি নাই। ইয়াৰ পৰিপ্ৰেক্ষিতত বিচাৰ প্ৰক্ৰিয়া কি পৰ্যায়ত আছে তাক ১৪ এপ্ৰিলৰ ভিতৰত গুৱাহাটী উচ্চ ন্যায়ালয়ক শপতনামাযোগে আৰক্ষীয়ে অৱগত কৰিব লাগিব। বিচাৰ প্ৰক্ৰিয়া গেঁথেলা মৰাৰ অভিযোগ কৰি তথা দ্ৰুত আদালতৰ জৰিয়তে বিচাৰ সম্পূৰ্ণ কৰাৰ এক আবেদন হত্যাৰ বলি হোৱা প্ৰাক্তন মন্ত্ৰীজনৰ ভতিজা নিন্দু লাংথাছাৰ পুত্ৰ ডেনিয়েল লাংথাছাই উচ্চ ন্যায়ালয়ত দাখিল কৰিছে। তেওঁ এই অভিযোগো কৰে যে সুদীৰ্ঘ ১৩ বছৰৰ মূৰত বিগত ২০১৯ত ডিমা হাছাওৰ সত্ৰ ন্যায়াধীশৰ আদালতত হত্যাৰ গোচৰটোৰ অভিযোগনামাও দাখিল কৰা হৈছিল। কিন্তু বিচাৰ প্ৰক্ৰিয়া কোনো ধৰণে আগবঢ়া নাই। আজি উচ্চ ন্যায়ালয়ে আবেদনখনৰ শুনানি গ্ৰহণ কৰি আৰক্ষীক উক্ত নিৰ্দেশ দিয়ে। উল্লেখ্য যে বিগত ২০০৭ৰ চাৰি জুনত হাফলঙৰ নিকটৱৰ্তী দেহাংগীত উক্ত হত্যাকাণ্ড সংঘটিত হৈছিল। সেই সময়ত পুৰ্ণেন্দু লাংথাছা আছিল তদানীন্তন উত্তৰ কাছাৰ স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য আৰু নিন্দু লাংথাছা আছিল কাৰ্যবাহী সদস্য। বিজেপি নেতা তথা বৰ্তমানৰ পৰিষদখনৰ মুখ্য কাৰ্যবাহী সদস্য দেৱলাল গাৰ্লোছা এই হত্যাকাণ্ডত প্ৰত্যক্ষভাৱে জড়িত থকাৰ অভিযোগ উত্থাপিত হৈ আহিছে।

# নিশা মণ্ডল কংগ্ৰেছৰ সভাপতিসহ দুজনক দলবদ্ধ আক্ৰমণ

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**

**গোলাঘাট/খুমটাই, ২৩ মাৰ্চ ঃ** প্ৰথম পৰ্যায়ৰ নিৰ্বাচনলৈ মাজত মাথোঁ কেইটামান দিন বাকী থকা অৱস্থাত নিৰ্বাচনী হিংসা বৃদ্ধি পাইছে খুমটাই বিধানসভা সমষ্টিত। সমষ্টিটোৰ হাতীয়েখোৱাত যোৱা নিশা মণ্ডল কংগ্ৰেছৰ এজন সভাপতিক কে'বাজন বিজেপি কৰ্মী তথা সমৰ্থকে বেয়াকৈ মাৰধৰ কৰে। এই ঘটনাত জড়িত থকাৰ অভিযোগত আৰক্ষীয়ে প্ৰাক্তন মন্ত্ৰী প্ৰয়াত হেমপ্ৰকাশ নাৰায়ণৰ পুত্ৰসহ দুজন বিজেপি নেতাক গ্ৰেপ্তাৰ কৰিছে। তথ্য মতে, যোৱা নিশা প্ৰায় ৯-৩০ বজাত হাতীয়েখোৱা কঁহাৰপামত খুমটাইৰ দক্ষিণ গুৰযোগনীয়া মণ্ডল কংগ্ৰেছৰ সভাপতি ৰণ্টু দত্ত আৰু পোনাকন নায়কে নিৰ্বাচনী প্ৰচাৰ চলাই ঘৰমুৱা হওঁতে কে'বাগৰাকী বিজেপি সমৰ্থক আৰু কৰ্মীয়ে বেয়াকৈ মাৰধৰ কৰে। মাৰধৰৰ ফলত মণ্ডল কংগ্ৰেছৰ সভাপতিজনে মূৰ আৰু শৰীৰৰ বিভিন্ন স্থানত গুৰুতৰভাৱে আঘাত পায়। স্থানীয় একাংশ লোকে তাৎক্ষণিকভাৱে লোকজনক গোলাঘাট অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰায় যদিও আঘাত গুৰুতৰ হোৱাত চিকিৎসকে যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে। ইফালে, ঘটনা সন্দৰ্ভত অৱগত হৈ নিশাই গোলাঘাট কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ত উপস্থিত হয় খুমটাইৰ মহাজোঁটৰ কংগ্ৰেছ প্ৰাৰ্থী তথা প্ৰাক্তন মন্ত্ৰী বিস্মিতা গগৈয়ে পৰিস্থিতিৰ বুজ লয়। মণ্ডল কংগ্ৰেছৰ সভাপতি দত্ত আৰু নায়কক পূৰ্বৰে পৰা খাপপিটি থকা বিজেপিৰ সমৰ্থক বাহিনীয়ে উপৰ্যুপৰি আক্ৰমণ চলায়। ইপিনে, আনজন কংগ্ৰেছ কৰ্মী নায়ক সম্প্ৰতি নিখোঁজ হৈ থকা বুলি সদৰী কৰিছে মহাজোঁটৰ প্ৰাৰ্থী গগৈয়ে। আনহাতে, নিশাৰ এই ঘটনাত জড়িত থকাৰ অভিযোগত আজি দেৰগাঁও আৰক্ষীয়ে প্ৰাক্তন মন্ত্ৰী প্ৰয়াত হেমপ্ৰকাশ নাৰায়ণ তথা গুৰযোগনীয়া গাঁও পঞ্চায়তৰ বিজেপিৰ সভাপতি দিব্যপ্ৰকাশ নাৰায়ণ আৰু বিজেপি কৰ্মী ৰঞ্জিত বৰাক গ্ৰেপ্তাৰ কৰিছে। এই ঘটনাক লৈ চেপা উত্তেজনাৰ সৃষ্টি হৈছে সমষ্টিটোত। ইফালে, কংগ্ৰেছৰ প্ৰাৰ্থীগৰাকীয়ে খুমটাইৰ বিজেপি বিধায়কজনে ৰখা গুণ্ডাবাহিনীয়ে কংগ্ৰেছ কৰ্মীৰ ওপৰত পূৰ্বতেও কে'বাটাও হিংসাত্মক ঘটনা সংঘটিত কৰি আহিছে বুলি অভিযোগ তোলে। দেওবাৰে সমষ্টিটোৰ বৰজান বাগিচাৰ খেলপথাৰলৈ কংগ্ৰেছৰ সৰ্বভাৰতীয় সম্পাদক প্ৰিয়ংকা গান্ধী অহাৰ সময়তো ৰাজীৱ কৰ্মকাৰ নামৰ কংগ্ৰেছ কৰ্মীজনক বিজেপি কৰ্মীয়ে বেয়াকৈ মাৰধৰ কৰিছিল বুলি তেওঁ অভিযোগ কৰে। তদুপৰি কংগ্ৰেছ প্ৰাৰ্থীগৰাকীৰ স'তে প্ৰচাৰৰ বাবে ঘূৰি ফুৰা গাড়ীৰ মাইক আৰু গ্লাছ ভাঙি দিয়াৰো অভিযোগ কৰে গগৈয়ে।

**নিৰ্ধাৰিত কৰতকৈ ছয়গুণ অধিক বিচৰাক লৈ উত্তপ্ত ঃ চালকক লাঠি, ৰড, বাঁহেৰে নিৰ্মমভাৱে প্ৰহাৰ ঃ উদ্ধাৰকৰ্তাকো প্ৰহাৰ**

# ডবকাৰ টোলগেটত উত্তপ্ত পৰিস্থিতি ঃ ৰাইজে ঘেৰাও কৰিলে টোলগেট

**অগ্ৰদূত বাৰ্তা**

**যমুনামুখ, ২৩ মাৰ্চ ঃ** ক্ৰমে গুণ্ডাকৰৰ থলী হৈ পৰিছে ৰাজ্যৰ ৰাষ্ট্ৰীয় ঘাইপথসমূহত থকা টোলগেটসমূহ। আনহাতে, এই কৰক কেন্দ্ৰ কৰি বাহনৰ চালক-কৰ্মচাৰীৰ মাৰধৰ কৰাটো টোলগেটৰ কৰ্মচাৰীৰ পৰম্পৰাত পৰিণত হৈছে। দীৰ্ঘদিন ধৰি উত্থাপিত হৈ অহা এই অভিযোগ আজি পুনৰ প্ৰমাণিত হ'ল হোজাই জিলাৰ ডবকাৰ ৩৬ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত থকা টোলপ্লাজাত। ডবকাৰ জাকিৰ হুছেইন নামৰ স্থানীয় চালকক আজি টোলৰ কৰ্মচাৰীয়ে লাঠি, ৰড, বাঁহেৰে গুৰুলা গুৰুলকৈ প্ৰহাৰ কৰাৰ লগতে তেওঁক ৰক্ষা কৰিবলৈ অহা আন এজন যুৱককো নিৰ্মমভাৱে মাৰধৰ কৰাৰ অভিযোগ উঠিছে। তথ্য মতে, গাড়ীচালক জাকিৰে এ এছ-০২ চি চি ০৮৯৭ নম্বৰৰ চাৰিচকীয়া বাহনেৰে যমুনামুখৰ পৰা ধান আনিবলৈ যোৱাৰ পথত ডবকা চৰ্দাৰ গাঁৱৰ অৱস্থিত টোলপ্লাজাটোৰ কৰ্মচাৰীয়ে টোল কৰ বিচৰাত চালকজনে ফাষ্টটেগ লগোৱা আছে বুলি উল্লেখ কৰে। দুৰ্ভাগ্যক্ৰমে জাকিৰৰ বাহনত শেষ হৈছিল ফাষ্টটেগৰ ৰিচাৰ্জ। যাৰ বাবে নিৰ্ধাৰিত পৰিমাণতকৈ ছয়গুণ অধিক টোলকৰ বিচৰাত চালক আৰু টোলগেটৰ কৰ্মচাৰীৰ স'তে প্ৰথমে কথাৰ কটাকটি হয় যদিও পিছলৈ ভয়ংকৰ ৰূপ ধাৰণ কৰে। গাড়ীচালকজনক লাঠি, ৰড, বাঁহৰে গুৰুলা-গুৰুলকৈ প্ৰহাৰ কৰে একাংশ উদণ্ড টোলগেটৰ কৰ্মচাৰীয়ে। স্থানীয় ছাদ্দাম হুছেইন নামৰ যুৱক এজনে চালকজনক ৰক্ষা কৰিবলৈ আগবাঢ়ি আহে যদিও ছাদ্দামকো মাৰধৰ কৰাৰ অভিযোগ উঠিছে। চালক জাকিৰৰ হাত আৰু ভৰিত গুৰুতৰভাৱে জখম হোৱাত স্থানীয় ৰাইজে সংকটজনক অৱস্থাত ডবকা চিকিৎসালয়লৈ প্ৰেৰণ কৰে। এই ঘটনাত কে'বাজনো কৰ্মচাৰীও সামান্য পৰিমাণে আহত হয়। ইফালে, টোলগেটৰ কৰ্মচাৰীৰ এনে অতপালিৰ খবৰ বিয়পি পৰাৰ লগে লগে স্থানীয় একাংশ দল-সংগঠনৰ লগতে ৰাইজ উপস্থিত হৈ টোলগেট ঘেৰাও কৰি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। পাছত ডবকা আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ লগতে টোলগেটৰ সাতজনকৈ কৰ্মচাৰীক আটক কৰি থানালৈ লৈ যায়। আটক কৰা কৰ্মচাৰীকেইজন ক্ৰমে অভিষেক টপ্প', জুবিন খালকো, চাহাবুদ্দিন, সুমীত টপ্প', সুধিৰ আইছ আৰু বাবু বাছফৰ। অভিযোগ অনুসৰি এম ভি কনছৰ্টিয়াম নামৰ এটা কোম্পানীয়ে টোলগেট চলাই আছে। এজন মন্ত্ৰীৰ ঘনিষ্ঠই টোলগেটৰ নিবিদা লাভ কৰাৰ বাবে হোজাই জিলা প্ৰশাসনে টোলগেট কৰ্মচাৰীৰ বিৰুদ্ধে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ সাহস নকৰাৰ অভিযোগ উঠিছে। উল্লেখ্য যে বিগত ১০টা দিনত তিনিবাৰকৈ মাৰধৰৰ ঘটনা সংঘটিত হৈছে। ইয়াৰ পাছতো জিলা প্ৰশাসনে একপ্ৰকাৰ গভীৰ নিদ্ৰাত থকা বুলি অভিযোগ উত্থাপন কৰিছে আমছুৰ হোজাই জিলা সমিতিয়ে। আনহাতে, হোজাই জিলা খিলঞ্জীয়া ছাত্ৰ সন্থায়ো টোলগেটত চলা গুণ্ডাৰাজ বন্ধ কৰাৰ লগতে তাত নিয়োজিত অধিকাংশ কৰ্মচাৰীয়ে ব্যৱহাৰ নাজানে বুলি অভিযোগ কৰে। ইফালে, টোলগেটৰ পৰিচালক দেৱানন্দ বৰ্মনৰ আচাৰ-ব্যৱহাৰত ক্ষোভিত একাংশ লোকে আজি এজন সাংবাদিকক অপদস্থ কৰাৰো অভিযোগ উত্থাপিত হৈছে। ঘটনা সংক্ৰান্তত ডবকা আৰক্ষী থানাত পৃথকে পৃথকে কে'বাটাও গোচৰ ৰুজু হৈছে। ঘটনা সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে আৰক্ষীয়ে। ইপিনে, কালিও টোলপ্লাজাত নিৰ্ধাৰিত পৰিমাণতকৈ অধিক কৰ বিচৰাত টোলগেটৰ কৰ্মচাৰী আৰু গাড়ীচালকৰ মাজত তুমুল মাৰধৰৰ ঘটনা সংঘটিত হয়। এখন বলেৰ' পিকআপক ফাষ্টটেগ নলগোৱাৰ বাবে নিৰ্ধাৰিত পৰিমাণতকৈ ছয়গুণ বেছি টোলকৰ বিচৰাক লৈ সংঘটিত হৈছিল এই ঘটনা।

**এ আই ইউ ডি এফৰ প্ৰাৰ্থীৰ ঘৃণনীয় কাৰ্য ঃ আহত হ'ল কে'বাজনো**

# ভুৱা চি আৰ পি এফৰ দল লৈ মৈৰাবাৰীত আমিনুলৰ গুণ্ডাগিৰি

**অগ্ৰদূত বাৰ্তা**

**ভূৰাগাঁও, ২৩ মাৰ্চ ঃ** সততে বিতৰ্কত থকা বহুবল্কী ধিঙৰ বিধায়ক তথা আসন্ন বিধানসভা নিৰ্বাচনত এআইইউডিএফৰ বিধায়ক আমিনুল ইছলামৰ এক ঘৃণনীয় কাণ্ডক লৈ পহু খেদা দিয়ে ৰাইজে। বিগত কাৰ্যকালত খহনীয়াগ্ৰস্তসকলৰ কোনো কাম নকৰাৰ বাবে ক্ষুব্ধ হৈ থকা সমষ্টিটোৰ বহু ঠাইত এইবাৰ নিৰ্বাচনী প্ৰচাৰত বাধা আৰোপ কৰিছিল ক্ষতিগ্ৰস্তসকলে। বিশেষকৈ ধিং, মৈৰাবাৰী, আলিটেংগনি আদি মৌজাত নিৰ্বাচনী প্ৰচাৰ চলাবলৈ আহি য'তে-ত'তে অভাৱনীয় পৰিস্থিতিৰ সন্মুখীন হৈ আহিছে কংগ্ৰেছ মহাজোঁটৰ এআইইউডিএফৰ প্ৰাৰ্থীজনে। যাৰ বাবে কূটকৌশল ৰচনা তথা বিতৰ্কত থাকি ভাল পোৱা প্ৰাৰ্থীজনে আগে-পিছে দুখন গাড়ীত চি আৰ পি এফৰ সাজত প্ৰায় ৩০ জনীয়া এটা যুৱকৰ দল লগত লৈ আৰম্ভ কৰে প্ৰচাৰ অভিযান। বিধায়কজনৰ কৰ্মকাণ্ডক লৈ তথা উন্নয়নমূলক কামত ব্যৰ্থ হোৱাত ক্ষুব্ধ হৈ থকা খহনীয়াগ্ৰস্তসকলে আগে-পিছে চি আৰ পি এফৰ বাহিনী দেখিলে প্ৰতিবাদ বন্ধ কৰাৰ সুযোগ লৈ প্ৰচাৰ চলাই আহিছে। এনেকৈ আজিও সমষ্টিটোত নিৰ্বাচনী প্ৰচাৰ চলাবলৈ অহা চতুৰ প্ৰাৰ্থী আমিনুলে সমষ্টিটোৰ মৈৰাবাৰী আৰু ধিঙলৈ প্ৰচাৰ চলাবলৈ আহিছিল। এআইইউডিএফৰ প্ৰাৰ্থীজনে বিনা অনুমতিত মৈৰাবাৰী ইন্দিৰা খেলপথাৰৰ ঈদগাহ ময়দানত সভা পতাৰ গোপনে প্ৰস্তুতি সম্পন্ন কৰে। এআইইউডিএফৰ সভা অনুষ্ঠিত



হ'ব বুলি ময়দানখনত শতাধিক লোকে সমবেত হয়। এই দৃশ্য প্ৰত্যক্ষ কৰি মৈৰাবাৰী আৰক্ষীয়ে সভা অনুষ্ঠিত কৰাৰ অনুমতি নোলোৱাৰ বাবে লোকসকলক ওভতাই পঠিয়ায়। কিন্তু কিছু সময় পাছতে আগে-পিছে চি আৰ পি এফৰ জোৱানৰ দলটোক লৈ প্ৰাৰ্থীজনে বিনা অনুমতিত ৩০ৰ পৰা ৪০ খনকৈ গাড়ীৰে সমদল কৰি মৈৰাবাৰীত উপস্থিত হৈ সভা পতাত বাধা দিয়াত পথৰে সমদল উলিয়ায়। ইয়াকে দেখি ক্ষুব্ধ হৈ পৰা একাংশ ৰাইজে প্ৰাৰ্থীজনক সমদলক ক'লা পতাকা প্ৰদৰ্শন কৰে। কিন্তু ইয়াতে ক্ষুণ্ণ হৈ প্ৰাৰ্থীজনৰ লগত অহা চি আৰ পি এফৰ সাজত থকা দলটোৱে প্ৰতিবাদকাৰী ৰাইজৰ ওপৰত জঁপিয়াই পৰে। চি আৰ পি এফৰূপী দলটোৰ আক্ৰমণত আহত হয় মজিবুৰ ৰহমান (৪৮), ৰাকিবুৰ হুছেইন (৩৫), হজৰত আলী (৬০) কে ধৰি কে'বাজনো লোক। এআইউডিএফৰ প্ৰাৰ্থী আমিনুলৰ লগত অহা দলটোৰ আক্ৰমণত ক্ষুব্ধ হৈ পৰা ৰাইজে চি আৰ পি এফৰ সাজত থকা লোকসকলক বিধায়কজনৰ লগতে পহু খেদা দিয়ে। ফলত নিৰুপায় হৈ আমিনুলে চি আৰ পি এফ লৈ দুৱাবান্ধি পথৰ কাষৰ ইছলামুদ্দিন নামৰ এজন কৰ্মীৰ ঘৰত আশ্ৰয় লয়। সেই সময়তে চি আৰ পি এফৰ সাজত থকা এজন জোৱানক ৰাইজে আটক কৰি সোধ-পোছ কৰাত ওলাই পৰে আমিনুলৰ ভেল্কিবাজী। সাধাৰণ ৰাইজক ভীতিগ্ৰস্ত কৰিবলৈ ভুৱা চি আৰ পি এফৰ দল লৈ ঘূৰা প্ৰাৰ্থীজনৰ এনে কাণ্ড অৱগত হৈ ৰাইজ অধিক উত্তেজিত হৈ পৰে। সকলোৱে একত্ৰিত হৈ বিধায়কজনে আশ্ৰয় লোৱা ইছলামুদ্দিনৰ ঘৰ ঘেৰাও কৰাৰ সময়তে আমিনুলৰ লগতে ভুৱা চি আৰ পি এফ দলটোৱে ঘৰৰ পিছফালেদি পলায়ন কৰে। পৰিস্থিতি উত্তপ্ত হৈ পৰাত পাছত মৰিগাঁও জিলাৰ সদৰ উপ-আৰক্ষী অধীক্ষক গীতাৰ্থ দেৱ শৰ্মাসহ এটা আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীৰ জোৱানে ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। আনহাতে, ঘটনাস্থলীত পাছত সমষ্টিটোৰ ৰাইজৰ দলৰ প্ৰাৰ্থী মেহবুব মোক্তাৰেও উপস্থিত হৈ ৰাইজক ক্ষান্ত হ'বলৈ আহ্বান জনায়।



দুলীয়াজানত নিৰ্বাচনী প্ৰচাৰ সভাত লুৰীণজ্যোতি গগৈ আৰু জেৰিফা ৱাহিদ।

# জনজাতিকৰণ সম্পৰ্কত ২৫ মাৰ্চৰ ভিতৰত বিজেপিক স্থিতি স্পষ্ট কৰাৰ আহ্বান

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ২৩ মাৰ্চ ঃ** বিজেপিৰ নিৰ্বাচনী ইস্তাহাৰত কোচ ৰাজবংশীসকলৰ জনজাতিকৰণৰ বিষয়ে স্থান লাভ নকৰাত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে আক্ৰাছুৰ অৰুণ কুমাৰ ৰায় গোটে। আজি বঙাইগাঁৱৰ বৰপাৰাস্থিত সংগঠনটোৰ কাৰ্যালয়ত আয়োজিত সংবাদমেলত সভাপতি অৰুণ কুমাৰ ৰায়ে বিজেপিয়ে জনজাতিকৰণৰ নামত মিথ্যাচাৰৰ আশ্ৰয় লৈছে বুলি অভিযোগ কৰে। বিজেপিয়ে পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ দৰে জনজাতিকৰণৰ ক্ষেত্ৰত প্ৰতাৰণা কৰা বুলি ক্ষোভ ব্যক্ত কৰে। তেওঁ কয় যে বিগত ২০১৪ত লোকসভা আৰু ২০১৬ত বিধানসভা নিৰ্বাচনৰ সময়ত বিজেপিয়ে চৰকাৰ গঠনৰ ছমাহৰ ভিতৰত জনজাতিকৰণ কৰা হ'ব বুলি নিৰ্বাচনী সভা আৰু ইস্তাহাৰত প্ৰচাৰ কৰিছিল। কিন্তু দলটোৱে কেন্দ্ৰ-ৰাজ্যত চৰকাৰ গঠনৰ দীৰ্ঘকাল অতিক্ৰম কৰাৰ পাছতো জনজাতিকৰণ নকৰিলে। ২০১৯ত ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰে মন্ত্ৰী গোট গঠন কৰি জনগোষ্ঠীয় প্ৰতিনিধিৰে আলোচনাৰ জৰিয়তে সমাধানৰ সূত্ৰ উলিয়ালেও আজিলৈ মন্ত্ৰী গোটৰ প্ৰতিবেদন দাখিল কৰা নহ'ল। ইয়াৰ জৰিয়তে চৰকাৰখনৰ প্ৰকৃত স্বৰূপ ওলাই পৰিছে। ইফালে, আজি বিজেপিৰ সভাপতি জে পি নড্ডাই মুকলি কৰা নিৰ্বাচনী ইস্তাহাৰত জনজাতিকৰণৰ বিষয়ে অগ্ৰাধিকাৰ লাভ নকৰাত তীব্ৰ ক্ষোভ প্ৰকাশ কৰি ২৫ মাৰ্চৰ ভিতৰত স্থিতি স্পষ্ট কৰাৰ দাবী জনাইছে। যদিহে দলে কোনো যোগাত্মক স্থিতি গ্ৰহণ নকৰে তেন্তে নিৰ্বাচনত বিৰুদ্ধাচৰণ কৰা হ'ব বুলিও হুংকাৰ দিয়ে। তদুপৰি এলানি আন্দোলনৰ কাৰ্যসূচীও গ্ৰহণৰ হুংকাৰ দিয়ে। আক্ৰাছুৰ ৩১ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি ২১ জুলাইত কেন্দ্ৰীয় অধিবেশন অনুষ্ঠিত হ'ব বুলি সদৰী কৰা সংবাদমেলত সংগঠনটোৰ উপসভাপতি ক্ষীতিশ বৰ্মন, সাধাৰণ সম্পাদক কেশৱ ৰায়সহ নেতৃবৃন্দ উপস্থিত থাকে।

# মই পিতৃৰ গীত নিৰ্বাচনী প্ৰচাৰত ব্যৱহাৰ কৰা নাই ঃ পৃথ্বীৰাজ

**অগ্ৰদূত বাৰ্তা**



**তেজপুৰ, ২৩ মাৰ্চ ঃ** 'মই মোৰ নিৰ্বাচনী প্ৰচাৰৰ সময়ত মোৰ পিতৃ তথা কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাৰ গীত কেতিয়াও ব্যৱহাৰ কৰা নাই। মাত্ৰ সংবাদক মৰ্মীৰ অনুৰোধতহে এবাৰ মই কলাগুৰুৰ এটা গীত গাই শুনাইছিলো।' এই মন্তব্য তেজপুৰৰ শাসকীয় মিত্ৰজোঁটৰ অগপ প্ৰাৰ্থী পৃথ্বীৰাজ ৰাভাৰ। তেওঁ লগতে কয় যে কেৱল কলাগুৰুৰ গীত বুলিয়েই নহয়, তেওঁক তেনেদৰে আন শিল্পীৰ গীতো যদি পৰিৱেশন কৰিবলৈ কোৱা হয় তেওঁ সেই গীত গাব লাগিব। ৰাভাই আৰু কয় যে নিৰ্বাচনী প্ৰচাৰত তেওঁ কলাগুৰুৰ লগতে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা তথা সুঠাকণ্ঠ ড° ভূপেন হাজাৰিকাৰ গীতো ব্যৱহাৰ কৰা নাই। ৰাভাই যোৱা নিশা ইয়াত এক সংবাদমেলত এই কথা ব্যক্ত কৰাৰ লগতে কয় যে সৌসিদিনাহে ৰাজনৈতিক ক্ষেত্ৰখনত ভৰি দিয়াৰ লগে লগে নিৰ্বাচনী প্ৰক্ৰিয়াৰে জড়িত হৈ তেওঁ এটা কথা উপলব্ধি কৰিছে যে সংস্কৃতিৰ ক্ষেত্ৰখনতকৈ ৰাজনৈতিক ক্ষেত্ৰখন অধিক জটিল। তেওঁ সাংস্কৃতিক ক্ষেত্ৰখনৰ সৰলতাৰ পৰিৱৰ্তে ৰাজনৈতিক ক্ষেত্ৰখনত চতুৰ হোৱাৰ আৱশ্যক আছে বুলি মন্তব্য কৰি লগতে কয় যে ১৯৯৯ত প্ৰথমবাৰলৈ ভ্ৰাম্যমাণ নাট্যদলৰে জড়িত হোৱাৰ সময়ত তেওঁৰ মনত ইয়াত তিষ্ঠিব পাৰিবনে নাই বুলি যি আশংকাৰ উদ্ভৱ হৈছিল সেয়া এটা নিশাৰ পাছতে নোহোৱা হোৱাৰ দৰেই এইবাৰো ৰাজনৈতিক ক্ষেত্ৰখনত জড়িত হওঁতে একেই অনুভৱ হৈছিল যদিও পুনৰ তেওঁ ইয়াত স্বাভাৱিক হ'ব পাৰিব বুলি আত্মবিশ্বাসী। ৰাভাই লগতে কয় যে তেজপুৰক লৈ তেওঁৰ কিছু পৰিকল্পনা আছে। তদুপৰি তেওঁ সাংস্কৃতিক ক্ষেত্ৰখনৰে জড়িত থকাৰ সুবাদতে ৰাইজৰ মাজত পূৰ্বৰে পৰাই এক পৰিচয় আছে আৰু সিয়ে তেওঁক নিৰ্বাচনী প্ৰচাৰতো সহায় কৰিছে। তেওঁ কয় যে তেজপুৰৰ বহুপৌৰাণিক সমল, ভৌগোলিক অৱস্থানৰ বাবে পৰ্যটনৰ ক্ষেত্ৰত প্ৰচুৰ সম্ভাৱনা আছে; কিন্তু তেজপুৰৰ বহু ভিতৰুৱা অঞ্চলত বিদ্যুৎ আৰু যোগাযোগৰ সমস্যা থকা বুলিও তেওঁ মন্তব্য কৰে। আনহাতে, জীয়াভৰালীৰ খহনীয়া সমস্যাৰ লগতে তেজপুৰৰ প্ৰকৃতিক হোলাসমূহত বিভিন্ন নিৰ্মাণ কাৰ্যক অন্যতম সমস্যাৰূপে অভিহিত কৰি ৰাভাই কয় যে এইবোৰ সমস্যা সমাধানৰ চেষ্টা কৰিবই লাগিব। চীনা আগ্ৰাসনৰ পাছৰ পৰাই তেজপুৰত ক্ৰমান্বয়ে হোলাসমূহৰ পৰিসৰ হ্ৰাস কৰি ইয়াত নিৰ্মাণ কাৰ্য গঢ়ি উঠা বুলি মন্তব্য কৰি ৰাভাই কয় যে, এতিয়া অৱশিষ্ট হোলাসমূহক লৈয়ে সুপৰিকল্পিতভাৱে সমস্যাটোৰ সমাধান কৰিব লাগিব। আনহাতে, ৰাইজৰ দলৰ তেজপুৰৰ প্ৰাৰ্থী অলক নাথে তেওঁৰ লগতে কংগ্ৰেছ প্ৰাৰ্থী অনুজ মেছলৈ তেজপুৰক লৈ ভৱিষ্যত ভিজন সন্দৰ্ভত ৰাইজৰ সন্মুখত একেখন মঞ্চত একত্ৰিত হৈ যুক্তি-তৰ্কৰ বাবে জনোৱা প্ৰত্যাহ্বান সন্দৰ্ভত ৰাভাই কয় যে এনে যুক্তি-তৰ্কৰ সন্মুখীন হ'ব পাৰি যদিও সেই সময় এতিয়াও তেওঁৰ হাতত নাই। তেওঁ কয় যে নিৰ্বাচনী প্ৰচাৰৰ ব্যস্ততাৰ মাজত এই যুক্তিতৰ্কৰ তেওঁ আয়োজন কৰি আন কাৰোবাক তালৈ আমন্ত্ৰণ কৰিবলৈ সময় ৰাভাৰ হাতত বৰ্তমান নাই।



# ৰাজ্যৰ বিশিষ্ট ক্ৰীড়া সংগঠক ভক্তি মেধিৰ মৃত্যু



**গুৱাহাটী, ২৩ মাৰ্চ ঃ** ৰাজ্যৰ বিশিষ্ট ক্ৰীড়া সংগঠক ভক্তি মেধিৰ আজি গোৱালপাৰাৰ নিজ বাসগৃহত মৃত্যু হয়। বিয়লি 5-45 বজাত শেষ নিশ্বাস ত্যাগ কৰা মেধিৰ মৃত্যুৰ সময়ত বয়স হৈছিল 70 বছৰ। উল্লেখ্য যে গোৱালপাৰা কলেজৰ অৱসৰপ্ৰাপ্ত প্ৰবক্তা মেধি আছিল ৰাজ্যৰ এজন সক্ৰীয় ক্ৰীড়া সংগঠক। অসমৰ কেবাটাও ক্ৰীড়া সন্থাৰ লগত জড়িত থকা মেধিয়ে দীৰ্ঘ সময় ধৰি গোৱালপাৰা ক্ৰীড়া সন্থাৰ সম্পাদক তথা সভাপতি ৰূপে দায়িত্ব পালন কৰিছিল। মেধিৰ মৃত্যুত শোক প্ৰকাশ কৰিছে অসম ক্ৰিকেট সন্থাৰ সভাপতি ৰমেন দত্ত আৰু সম্পাদক দেৱজিৎ শইকীয়াই। আনহাতে, অসম ক্ৰিকেট সন্থাৰ প্ৰাক্তন সম্পাদক বিকাশ বৰুৱাই গভীৰ শোক প্ৰকাশ কৰিছে মেধিৰ মৃত্যুত। উল্লেখ্য যে মেধি অসম ক্ৰিকেট সন্থাৰ সহঃ সম্পাদক, যুটীয়া সম্পাদক আৰু উপ-সভাপতিৰ দায়িত্বত আছিল। ইফালে, মেধিৰ মৃত্যুত শোক প্ৰকাশ কৰিছে প্ৰবীন ক্ৰিকেটাৰ সন্থাৰ সভাপতি নৱ কোৰৰ আৰু সম্পাদক নাছিৰ গুল খানে। ইফালে, অসম অলিম্পিক সন্থাৰ উপসভাপতি তথা ভাৰতীয় ছেপাৰটাক্ৰৰ জ্যেষ্ঠ উপসভাপতি বিষ্ণুৰাম নুনিছায়ো শোক প্ৰকাশ কৰিছে মেধিৰ মৃত্যুত। উল্লেখ্য যে মৃত্যুৰ সময়ত পত্নীসহ দুই সন্তান সংসাৰত এৰি থৈ গৈছে মেধিয়ে।

# প্ৰথম এদিনীয়াত ভাৰতৰ জয়লাভ





## অভিষেকতে উজলিল ক্ৰুনাল-কৃষ্ণা



**পুনে, ২৩ মাৰ্চ ঃ** ভাৰতে প্ৰথমখন এদিনীয়া মেচত ইংলণ্ডৰ বিৰুদ্ধে 66 ৰাণত জয়লাভ কৰিছে। আজি পুনেত হোৱা দিবা-নৈশ মেচখনত ভাৰতে দিয়া 318 ৰাণ বিজয়লক্ষ্য অনুসৰণ কৰি ইংলণ্ডে 42.1 অভাৰত 251 ৰাণ কৰি ইনিংছ সামৰে আৰু পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে দলৰ দুই অপেনাৰ বায়াষ্টো (94] আৰু জেছন ৰয়ে (46] 135 ৰাণৰ যুটী বান্ধি ইংলণ্ডক সুন্দৰ আৰম্ভনি দিছিল যদিও বাকীসকল ব্যৰ্থ হয়। ভাৰতৰ হৈ অভিষেক কৰা প্ৰসিদ্ধ কৃষ্ণাই চাৰিটা উইকেট লাভ কৰাৰ বিপৰীতে ছাৰ্দুল ঠাকুৰে তিনিটা আৰু ভূৱনেশ্বৰ কুমাৰে দুটা উইকেট পায়। ইয়াৰপূৰ্বে পোনতে বেটিং কৰা ভাৰতে ছয় উইকেটত 317 ৰাণ কৰে। উল্লেখ্য যে ভাৰতীয় দলৰ এই ৰাণৰ মূলতে হ'ল দুটা শতকীয় যুটী। অপেনাৰ শিখৰ ধৱন আৰু অধিনায়ক বিৰাট কোহলিয়ে শতকীয় যুটী কৰাৰ পাছত লোকেছ ৰাহুল আৰু অভিষেক কৰা ক্ৰনাল পাণ্ডিয়ায়ো শতকীয় যুটী কৰে। স্মৰ্তব্য যে ধৱনৰ লগত বেটিং মুকলি কৰা ৰোহিত শৰ্মাই 28 ৰাণ কৰি আউট হোৱাৰ পাছত কোহলিয়ে দিল্লীৰ সতীৰ্থৰ স'তে দলৰ ইনিংছ আগুৱাই নিয়ে। কিন্তু শতকীয় যুটীৰ পাছতে অৰ্ধশতক কৰি আউট হয় বিৰাট (56]¼ ধৱনে ৰাণ গতি চলাই ৰাখে যদিও দুই ৰাণৰ বাবে বঞ্চিত হয় শতকৰ পৰা। 98 ৰাণত ধৱন আউট হোৱাৰ লগতে ব্যৰ্থ হয় শ্ৰেয়াছ আয়াৰ (6] আৰু হাৰ্দিক পাণ্ডিয়া (1]¼ কিন্তু তাৰপাছত লোকেছ ৰাহুল আৰু ক্ৰনালে দৰ্শনীয় বেটিং কৰি ভাৰতৰ ৰাণ সংখ্যা তিনিশ পাৰ কৰায়। ৰাহুলে 62 আৰু ক্ৰনালে 58 ৰাণ কৰি অপৰাজিত থাকে।



## ক্ৰমাগত দ্বিতীয় মেচত শতক অৰ্জন গুৱাহাটীৰ ৰোহন হাজৰিকাৰ

**গুৱাহাটী, ২৩ মাৰ্চ ঃ** গুৱাহাটীৰ ৰোহন হাজৰিকাই চলিত 19 বছৰ অনূৰ্ধ জে কে বৰুৱা আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেল ৰাউণ্ডৰ মেচত ক্ৰমাগত দ্বিতীয়টো শতক অৰ্জন কৰিছে। বিপৰীতে ক্ৰমাগত দ্বিতীয় মেচত ব্যৰ্থতাৰ সন্মুখীন হৈছে গুৱাহাটী। উল্লেখ্য যে গ্ৰুপ 'এ'ৰ প্ৰথম মেচত প্ৰথম ইনিংছৰ অগ্ৰগতিৰে ধেমাজিয়ে গুৱাহাটীৰ বিৰুদ্ধে জয়লাভ কৰিছিল। গোলাঘাট ষ্টেডিয়ামত অনুষ্ঠিত হোৱা দুদিনীয়া মেচখনৰ প্ৰথমদিনা বেটিং কৰি গুৱাহাটীয়ে 281 ৰাণত প্ৰথম ইনিংছ সামৰে। দলৰ হৈ ৰোহন হাজৰিকাই 151 ৰাণ কৰে। ইফালে, ধেমাজিৰ যোছেফ বুঢ়াগোহায়ে ছটা উইকেট লাভ কৰে। প্ৰত্যুত্তৰত ধেমাজিয়ে ন উইকেটত 384 ৰাণ কৰি প্ৰথম ইনিংছ ঘোষণা কৰে। ইফালে, গুৱাহাটীয়ে দ্বিতীয় ইনিংছ আৰম্ভ কৰি তিনি উইকেটত 90 ৰাণ কৰাৰ সময়তে দ্বিতীয় দিনাৰ খেল সমাপ্ত হয় আৰু মেচখন ড্ৰ বুলি ঘোষণা কৰে আম্পায়াৰে। কিন্তু প্ৰথম ইনিংছৰ অগ্ৰগতিৰে ধেমাজিয়ে গুৱাহাটীৰ বিৰুদ্ধে জয়লাভ কৰে। ধেমাজিয়ে লাভ কৰে তিনি পইণ্ট। গুৱাহাটীয়ে লাভ কৰে এক পইণ্ট। আজি দ্বিতীয় গুৱাহাটী পুনৰ ব্যৰ্থ হয় শিলচৰৰ বিৰুদ্ধে। গোলাঘাট ষ্টেডিয়ামত অনুষ্ঠিত হোৱা দুদিনীয়া মেচখনৰ প্ৰথমদিনা টছত জয়ী হৈ পোনতে বেটিং কৰা শিলচৰে আঠ উইকেটত 400 ৰাণ কৰি প্ৰথম ইনিংছ ঘোষণা কৰে। প্ৰত্যুত্তৰত আজি গুৱাহাটীয়ে 248 ৰাণত প্ৰথম ইনিংছ সামৰে। দলৰ হৈ ৰোহন হাজৰিকাই (100] শতক অৰ্জন কৰে। আনহাতে, শিলচৰৰ হৈ পৰিক্ষিত বণিকে ছটা উইকেট পায়। গুৱাহাটীৰ ইনিংছ সামৰণিৰ পাছতে আম্পায়াৰে মেচ ড্ৰ ৰূপে ঘোষণা কৰে। শিলচৰে তিনি আৰু গুৱাহাটীয়ে এক পইণ্ট পায়।

## ১৯ বছৰ অনূৰ্ধ্ব ক্ৰিকেট প্ৰতিযোগিতা
# আজি নলবাৰীৰ বিৰুদ্ধে তিনিচুকীয়া

**গুৱাহাটী, ২৩ মাৰ্চ ঃ** অসম ক্ৰিকেট সন্থাই আয়োজন কৰা 19 বছৰ অনূৰ্ধ জে কে বৰুৱা আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেল ৰাউণ্ডৰ কাইলৈ গোলাঘাট ষ্টেডিয়ামত অনুষ্ঠিত হ'বলগা দুদিনীয়া মেচত নলবাৰীয়ে খেলিব তিনিচুকীয়াৰ বিৰুদ্ধে। উল্লেখ্য যে পূৰ্বৰ মেচত নলবাৰীয়ে আঠ উইকেটত পৰাস্ত কৰিছিল গোলাঘাটক। জয়ৰে ছয় পইণ্ট লাভ কৰে নলবাৰীয়ে। দুদিনীয়া মেচখনত নলবাৰীয়ে টছত জয়ী হৈ গোলাঘাটক বেটিং কৰিবলৈ দিয়ে। প্ৰথমদিনা গোলাঘাটে প্ৰথম ইনিংছত 172 ৰাণ কৰে। প্ৰত্যুত্তৰত নলবাৰীয়ে প্ৰথম ইনিংছ আৰম্ভ কৰি প্ৰথম দিনা পাঁচ উইকেটত 100 ৰাণ কৰাৰ পাছত 176 ৰাণত প্ৰথম ইনিংছ সামৰে। ইফালে, গোলাঘাটে পাঁচ উইকেটত 181 ৰাণত দ্বিতীয় ইনিংছ ঘোষণা কৰি নলবাৰীৰ সন্মুখত 178 ৰাণৰ বিজয়লক্ষ্য ৰাখে। নলবাৰীয়ে এই লক্ষ্য অনুসৰণ কৰি দুটা উইকেট হেৰুৱাই 180 ৰাণ কৰি বিজয় অৰ্জন কৰে। ইফালে, তিনিচুকীয়া দলেও প্ৰথম মেচৰ ব্যৰ্থতাৰ পাছত কাইলৈ দ্বিতীয় মেচ খেলিব। উল্লেখ্য যে প্ৰথম মেচত তিনিচুকীয়াৰ বিৰুদ্ধে প্ৰথম ইনিংছত অগ্ৰগতি লৈ গোলাঘাটে লাভ কৰে তিনি পইণ্ট। আনহাতে, এক পইণ্ট পায় তিনিচুকীয়াই। গোলাঘাট ষ্টেডিয়ামত অনুষ্ঠিত হোৱা দুদিনীয়া মেচখনৰ প্ৰথমদিনা বেটিং কৰা গোলাঘাটে প্ৰথম ইনিংছত 203 ৰাণ কৰিছিল। প্ৰত্যুত্তৰত তিনিচুকীয়াই 182 ৰাণত প্ৰথম ইনিংছ সামৰে। ইফালে, দ্বিতীয় ইনিংছত গোলাঘাটে 134 ৰাণ কৰে। বিপৰীতে সময় সমাপ্তিৰ বাবে বেটিং নকৰিলে তিনিচুকীয়াই।

## দ্বিতীয় এদিনীয়া মেচতো পৰাস্ত বাংলাদেশ
# ২-০ ৰ অগ্ৰগতিৰে শৃংখলা জয় নিশ্চিত কৰিলে নিউজিলেণ্ডে



**ডুনেডিন, ২৩ মাৰ্চ ঃ** বাংলাদেশৰ বিৰুদ্ধে খেলা তিনিখনীয়া এদিনীয়া শৃংখলা নিউজিলেণ্ডে দখল কৰাটো নিশ্চিত কৰিছে। উল্লেখ্য যে আজি দ্বিতীয়খন মেচতো নিউজিলেণ্ডে পাঁচ উইকেটত জয়লাভ কৰে। এই জয়ৰে নিউজিলেণ্ডে তিনিখনীয়া এদিনীয়া শৃংখলাটোত বাংলাদেশৰ বিৰুদ্ধে 2-0 ব্যৱধানৰে অগ্ৰগতি লৈ শৃংখলা হস্তগত কৰাটো নিশ্চিত কৰিছে। উল্লেখ্য যে পোনতে বেটিং কৰা বাংলাদেশে ছয় উইকেটত সংগ্ৰহ কৰে 271 ৰাণ। দলৰ হৈ তামিম ইকবালে 78 আৰু মিথুনে 73 ৰাণ কৰে। প্ৰত্যুত্তৰত নিউজিলেণ্ডে 48.2 অভাৰত পাঁচ উইকেট হেৰুৱাই 275 ৰাণ কৰি জয়লাভ অৰ্জন কৰে। দলে 53 ৰাণত প্ৰথম তিনিটা উইকেট হেৰুৱাই যদিও টম লাথেমে 110 ৰাণৰ অপৰাজিত শতক অৰ্জন কৰাৰ লগতে ক'নৱে 72 ৰাণ কৰি দলক বিজয়লক্ষ্যত উপনীত কৰায়। উল্লেখ্য যে ইয়াৰপূৰ্বে নিউজিলেণ্ডে প্ৰথমখন এদিনীয়া মেচত বাংলাদেশৰ বিৰুদ্ধে আঠ উইকেটত জয়লাভ কৰিছিল। পোনতে বেটিং কৰা বাংলাদেশে 41.5 অভাৰতে 131 ৰাণত ইনিংছ সামৰে। নিউজিলেণ্ডৰ বৌল্টে চাৰিটা উইকেট পায়। বাংলাদেশৰ মেহমুদুল্লাহে 27 আৰু মুছফিকুৰে 23 ৰাণ কৰে। প্ৰত্যুত্তৰত, নিউজিলেণ্ডে 21.2 অভাৰতে দুই উইকেট হেৰুৱাই 132 ৰাণ কৰি সহজে বিজয়লক্ষ্যত উপনীত হয়। নিকোলাছে কৰে 49 ৰাণ আৰু মাৰ্টিন গুপটীলে 38 ৰাণ কৰে।

# ভাৰত-ইংলণ্ড মেচত অংশ ল'লে উভয় দলৰ দুই ভ্ৰাতৃয়ে



**পুনে, ২৩ মাৰ্চ ঃ** ভাৰত আৰু ইংলণ্ডৰ মাজৰ তিনিখনীয়া এদিনীয়া শৃংখলাৰ প্ৰথমখন মেচত আজি উভয় দলৰে দুই ভ্ৰাতৃৰে খেলে। উল্লেখ্য যে আজি ভাৰতীয় দলৰ হৈ খেলে হাৰ্দিক পাণ্ডিয়া আৰু ক্ৰনাল পাণ্ডিয়াই। ইফালে, ইংলণ্ডৰ হৈ খেলে টম কুৰান আৰু ছাম কুৰানে। আন্তৰ্জাতিক ক্ৰিকেট মেচত দুই ভ্ৰাতৃয়ে দেশৰ হৈ অংশ লোৱাটো ভাৰতীয় ক্ৰিকেটত এয়া তৃতীয়টো ঘটনা। ইয়াৰপূৰ্বে মহিন্দৰ আৰু সুৰিন্দৰ অমৰনাথে টীম ইণ্ডিয়াৰ হৈ তিনিখন এদিনীয়া মেচ খেলাৰ বিপৰীতে ইৰফান পাঠান আৰু ইউছুফ পাঠানে আঠখন এদিনীয়া তথা কেবাখনো টি-20 মেচত খেলিছে। উল্লেখ্য যে তিনিখনীয়া এদিনীয়া শৃংখলাৰ প্ৰথমখন মেচত আজি পোনতে বেটিং কৰা ভাৰতে ছয় উইকেটত 317 ৰাণ কৰে। উল্লেখ্য যে ভাৰতীয় দলৰ এই ৰাণৰ মূলতে হ'ল দুটা শতকীয় যুটী। অপেনাৰ শিখৰ ধৱন আৰু অধিনায়ক বিৰাট কোহলিয়ে শতকীয় যুটী কৰাৰ পাছত লোকেছ ৰাহুল আৰু অভিষেক কৰা ক্ৰনাল পাণ্ডিয়ায়ো শতকীয় যুটী কৰে। অৰ্ধশতক কৰি আউট হয় বিৰাট (56]¼ আনহাতে, ধৱনে দুই ৰাণৰ বাবে বঞ্চিত হয় শতকৰ পৰা। ইফালে, ৰাহুলে 62 আৰু ক্ৰনালে 58 ৰাণ কৰি অপৰাজিত থাকে।

## জে কে বৰুৱা আন্তঃজিলা ক্ৰিকেট
# প্ৰথম ইনিংছৰ অগ্ৰগতিৰে গুৱাহাটীৰ বিৰুদ্ধে শিলচৰৰ তিনি পইণ্ট লাভ



**গুৱাহাটী, ২৩ মাৰ্চ ঃ** চলিত 19 বছৰ অনূৰ্ধ জে কে বৰুৱা আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেল ৰাউণ্ডৰ চতুৰ্থখন মেচত শিলচৰে প্ৰথম ইনিংছৰ অগ্ৰগতিৰে জয় অৰ্জন কৰিছে গুৱাহাটীৰ বিৰুদ্ধে। উল্লেখ্য যে গোলাঘাট ষ্টেডিয়ামত অনুষ্ঠিত হোৱা দুদিনীয়া মেচখনৰ প্ৰথমদিনা টছত জয়ী হৈ পোনতে বেটিং কৰা শিলচৰে আঠ উইকেটত 400 ৰাণ কৰি প্ৰথম ইনিংছ ঘোষণা কৰে। দলৰ হৈ ৰ'ছনে 99 আৰু কৃষ্ণ দত্তই 93 ৰাণ কৰি শতক বঞ্চিত হয়। আনহাতে, গৌৰৱে 78 আৰু শুভজিত পলে 48 ৰাণ কৰে। ইফালে, প্ৰথমদিনাৰ খেলৰ অন্তত গুৱাহাটীয়ে বেটিং কৰি প্ৰথম ইনিংছত দুটা উইকেটত 26 ৰাণ কৰিছিল। আজি গুৱাহাটীয়ে 248 ৰাণত প্ৰথম ইনিংছ সামৰে। দলৰ হৈ ৰোহন হাজৰিকাই শতক অৰ্জন কৰে। আনহাতে, শিলচৰৰ হৈ পৰিক্ষিত বণিকে ছটা উইকেট পায়। গুৱাহাটীৰ ইনিংছ সামৰণিৰ পাছতে আম্পায়াৰে মেচ ড্ৰ ৰূপে ঘোষণা কৰে। শিলচৰে তিনি আৰু গুৱাহাটীয়ে এক পইণ্ট পায়।

# আঘাতৰ সন্মুখীন শ্ৰেয়াছ-বিলিংছ

**পুনে, ২৩ মাৰ্চ ঃ** ভাৰত আৰু ইংলণ্ডৰ মাজৰ তিনিখনীয়া এদিনীয়া শৃংখলাৰ প্ৰথমখন মেচত আজি উভয় দলৰে দুই ক্ৰিকেটাৰ আঘাতৰ সন্মুখীন হয়। ভাৰতে বেটিং কৰি থকা সময়ত আঘাত পাই ইংলণ্ডৰ ছাম বিলিঙে। ইফালে, ইংলণ্ডৰ ইনিংছৰ আঠ নম্বৰ অভাৰত বায়াৰষ্টোৰ শ্বট ৰাখিবলৈ হৈ আঘাত পাই শ্ৰেয়াছ আয়াৰে। শৃংখলাৰ বাকী থকা মেচ দুখনত শ্ৰেয়াছে অংশ ল'ব নোৱাৰিব। ইফালে, আই পি এল খেলাক লৈয়ো সন্দেহ আছে। উল্লেখ্য যে তিনিখনীয়া এদিনীয়া শৃংখলাৰ প্ৰথমখন মেচত আজি পোনতে বেটিং কৰা ভাৰতে ছয় উইকেটত 317 ৰাণ কৰে। স্মৰ্তব্য যে ধৱনৰ লগত বেটিং মুকলি কৰা ৰোহিত শৰ্মাই 28 ৰাণ কৰি আউট হোৱাৰ পাছত কোহলিয়ে দিল্লীৰ সতীৰ্থৰ স'তে দলৰ ইনিংছ আগুৱাই নিয়ে। কিন্তু শতকীয় যুটীৰ পাছতে অৰ্ধশতক কৰি আউট হয় বিৰাট (56]¼ ধৱনে ৰাণ গতি চলাই ৰাখে যদিও দুই ৰাণৰ বাবে বঞ্চিত হয় শতকৰ পৰা। ব্যৰ্থ হয় শ্ৰেয়াছ আয়াৰ (6] আৰু হাৰ্দিক পাণ্ডিয়া (1]¼ কিন্তু ৰাহুলে 62 আৰু ক্ৰনালে 58 ৰাণ কৰি অপৰাজিত থাকে।





## প্ৰাইজমানি ক্ৰিকেট
# মহাৰাণা-চিটী ক্ৰিকেট ক্লাবৰ জয়লাভ

**বিশেষ সংবাদদাতা, মঙলদৈ, ২৩ মাৰ্চ ঃ** মঙলদৈত চলি থকা গোলাপ হাজৰিকা-আৰতি হাজৰিকা আৰু শৰৎ কলিতা ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ মেচত গুৱাহাটীৰ মহাৰাণা ক্লাব আৰু চিটী ক্ৰিকেট ক্লাবে জয়লাভ কৰিছে। প্ৰাইজমানি ক্ৰিকেট প্ৰতিযোগিতাখনৰ প্ৰথম মেচত মহাৰাণা ক্লাবে পাঁচ উইকেটত পৰাস্ত কৰে গুৱাহাটী ক্ৰিকেট প্ৰশিক্ষন কেন্দ্ৰক। পোনতে বেটিং কৰি গুৱাহাটী ক্ৰিকেট প্ৰশিক্ষন কেন্দ্ৰই 107-8 ৰাণ কৰে। প্ৰত্যুত্তৰত, মহাৰাণা ক্লাবে পাঁচ উইকেট হেৰুৱাই বিজয়লক্ষ্যত উপনীত হয়। ইফালে, দ্বিতীয় মেচত চিটী ক্ৰিকেট ক্লাবে 109 ৰাণত হৰুৱাই ৰিভাৰ ৰাইন ক্লাবক। চিটী ক্ৰিকেট ক্লাবে 181-4 ৰাণ কৰাৰ প্ৰত্যুত্তৰত ৰিভাৰ ৰাইন ক্লাবে 72 ৰাণত ইনিংছ সামৰে।

## প্ৰথম টেষ্ট ঃ লকমলৰ পাঁচটা উইকেট
# প্ৰথম ইনিংছত শ্ৰীলংকাৰ বিৰুদ্ধে অগ্ৰগতি লাভ ৱেষ্টইণ্ডিজৰ



**জামাইকা, ২৩ মাৰ্চ ঃ** ৱেষ্ট ইণ্ডিজে শ্ৰীলংকাৰ বিৰুদ্ধে খেলা চলিত টেষ্ট শৃংখলাৰ প্ৰথমখন টেষ্টৰ প্ৰথম ইনিংছত 102 ৰাণৰ অগ্ৰগতি লাভ কৰিছে। উল্লেখ্য যে পোনতে বেটিং কৰা সিংহলী বাহিনীয়ে 169 ৰাণতে প্ৰথম ইনিংছ সামৰে। প্ৰত্যুত্তৰত আজি তৃতীয় দিনা কেৰিবিয়ান বাহিনীয়ে ভোজন বিৰতিৰ পূৰ্বে 271 ৰাণত প্ৰথম ইনিংছ সামৰি অগ্ৰগতি লাভ কৰিবলৈ সক্ষম হয়। ৱেষ্ট ইণ্ডিজৰ হৈ ক্ৰনৱেলে 61, ছিলভাই 46, মায়েৰে 45 আৰু কেম্বলে 42 ৰাণ কৰে। শ্ৰীলংকাৰ হৈ লকমলে পাঁচটা উইকেট পায়। উল্লেখ্য যে প্ৰথম দিনা 169 ৰাণতে প্ৰথম ইনিংছ সামৰিছিল শ্ৰীলংকাই। দলৰ হৈ থিৰিমানে 70 ৰাণ কৰাৰ বিপৰীতে ডিকবালে 32 ৰাণ কৰে। উল্লেখ্য যে শ্ৰীলংকাৰ এই ব্যৰ্থতাৰ মূলতে হ'ল ৱেষ্ট ইণ্ডিজৰ অধিনায়ক জেছন হল্ডাৰৰ ঘাতক বলিং। পাঁচটা উইকেট লাভ কৰে হল্ডাৰে। আনহাতে, কিমাৰ ৰ'জে তিনিটা উইকেট দখল কৰে। প্ৰথমদিনাৰ খেলৰ অন্তত ৱেষ্ট ইণ্ডিজে বেটিং কৰি প্ৰথম ইনিংছত কোনো উইকেট নেহেৰুৱাকৈ 13 ৰাণ কৰিছিল। দ্বিতীয় দিনা দলে দঢ়তাৰে বেটিং কৰে। উল্লেখ্য যে ৱেষ্ট ইণ্ডিজে শ্ৰীলংকাৰ বিৰুদ্ধে খেলা তিনিখনীয়া এদিনীয়া শৃংখলাটো 3-0 ৰ ব্যৱধানত জয় কৰিছে। আনহাতে, ইয়াৰপূৰ্বে ৱেষ্ট ইণ্ডিজে শ্ৰীলংকাৰ বিৰুদ্ধে খেলা তিনিখনীয়া টি-20 শৃংখলাটোও 2-1 ত দখল কৰিছিল।

# কোকৰাঝাৰ-বাগ্সাত উদ্ধাৰ বৃহৎ পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ




## বিভিন্ন স্থানৰ পৰা জব্দ ৫০ লক্ষাধিক ধন-প্ৰচুৰ অবৈধ সুৰা



**অগ্ৰদূত বাৰ্তা**
**কোকৰাঝাৰ/বৰমা, ২৩ মাৰ্চ ঃ** বিটিচি অঞ্চলত অবৈধ অস্ত্ৰ-শস্ত্ৰ উদ্ধাৰৰ ধাৰা অব্যাহত আছে। কোকৰাঝাৰ আৰু বাগ্সা জিলাত পুনৰ উদ্ধাৰ হ'ল বিপুল পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ। যোৱা নিশা আৰক্ষীয়ে গোপন সূত্ৰৰ ভিত্তিত অভিযান চলাই কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ চৰাইবিল আৰু বাগ্সা জিলাৰ বৰমাৰ ঘন জংঘলৰ পৰা এই অস্ত্ৰ-শস্ত্ৰসমূহ জব্দ কৰে।

কোকৰাঝাৰৰ আৰক্ষী অধীক্ষক ৰাকেশ ৰোছনে আজি সংবাদমেলত সদৰী কৰে যে আৰক্ষী, চিআৰপিএফ আৰু সীমান্ত সুৰক্ষা বাহিনীৰ যৌথ অভিযানত এই সফলতা আহে। চৰাইবিল সীমান্ত আৰক্ষী চকীৰ অন্তৰ্গত বালুঝোৰা বনাঞ্চলৰ সমীপৰ ৰাঙানালাৰ ৰাইড নম্বৰ চাৰি আৰু পাঁচৰ মাজত চলোৱা অভিযানত লুকুৱাই থোৱা অৱস্থাৰ পৰা মেগজিন সহ দুটা একে-৫৬ ৰাইফল, ৪২ জাঁই একে-৫৬ৰ সক্ৰিয় গুলি, মেগজিন সহ এটা নাইন এম এম পিষ্টল উদ্ধাৰ কৰা হয়। অৱশ্যে এই অবৈধ অস্ত্ৰ-শস্ত্ৰসমূহ কোন সংগঠনৰ সেয়া এতিয়াও জানিব পৰা হোৱা নাই বুলি আৰক্ষী অধীক্ষকজনে কয়। তেওঁ লগতে জনায় যে জিলাখনত এনে অভিযান অব্যাহত থাকিব। আনহাতে, বৰমা বিধানসভা সমষ্টিৰ অন্তৰ্গত খাৰুৱাৰ ঘন জংঘলৰ পৰা বাগ্সা আৰক্ষীয়ে বৰমা আৰক্ষীৰ সহযোগত অভিযান চলাই এটা এম ছিৰিজৰ ৰাইফল, এটা ৰিভলভাৰ, এটা মেগজিন আৰু ৪৬ জাঁই সক্ৰিয় গুলি উদ্ধাৰ কৰে। এই অস্ত্ৰ-শস্ত্ৰসমূহ মাটিত পুতি থোৱা আছিল বুলি সদৰী কৰিছে বাগ্সা আৰক্ষীৰ উপ পৰিদৰ্শক প্ৰণৱজ্যোতি কলিতাই। এই অভিযানত সহযোগ কৰা বৰমা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দ্বীপেন পাটৰে বিটিচি অঞ্চলত আৰু বহু অবৈধ অস্ত্ৰ-শস্ত্ৰ থকাৰ সন্দেহ ব্যক্ত কৰে।

ইপিনে, নিৰ্বাচনী আচৰণবিধি উলংঘা কৰি সৰবৰাহ কৰা নগদ ধন জব্দৰ ঘটনা কোকৰাঝাৰ জিলাতো অব্যাহত আছে। আৰক্ষী অধীক্ষকজনে সংবাদমেলত সদৰী কৰে যে আগন্তুক নিৰ্বাচনক কেন্দ্ৰ কৰিয়ে জিলাখনৰ ১৮টা স্থানত দৈনিক তালাচী অব্যাহত আছে। ইতিমধ্যে বিভিন্ন স্থানৰ পৰা মুঠ ৫৬ লাখ নগদ ধন আৰু ২৭ হেজাৰ লিটাৰ অবৈধ সুৰা জব্দ কৰা হৈছে। সুৰাসমূহ ইতিমধ্যে নষ্ট কৰা বুলি আৰক্ষী বিষয়াজনে জনাইছে।










অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com